যোগেশ হাজৰিকা
এক
অনিৰুদ্ধ ব্যক্তিত্ব

JOGESH HAZARIKA
AN
INDOMITABLE SPIRIT

Directorate of Library Services
No.
Date
Assam, Guwahati

ইণ্ডিয়ান ৰাইটাৰ্ছ এচোচিয়েচন
কলিকতা

INDIAN WRITERS' ASSOCIATION
CALCUTTA

Published by
Indian Writers' Associalton, Calcutta
Date of Publication
30th October, 1997
Design
Pradip Bhattacharya
Proof Correction/Touch up
Prof. Ashis Sanyal, Prof. Shreesankar Jha,
Mr. Dimbeswar Saikia
DTP Type Setting
Darpan Process, Calcutta
Printing
Darpan/L. N. Process, Calcutta
Edited by
Shri Iswar Prasad Chowdhury, Prof. K. M. Lodha
Prof. Ashis Sanyal, Shri Pranab Barua

প্ৰকাশক
ইণ্ডিয়ান ৰাইটাৰ্ছ এচোচিয়েচন, কলিকতা
প্ৰকাশ
৩০ অক্টোবৰ ১৯৯৭ চন
অঙ্গসজ্জা
প্ৰদীপ ভট্টাচাৰ্য্য
বৰ্ণ শুদ্ধি, পৰিমাৰ্জন
অধ্যাপক আশিস সান্যাল, অধ্যাপক শ্ৰীশঙ্কৰ ঝা,
ডিম্বেশ্বৰ শইকীয়া
ডিটিপি লিপি বিন্যাস
দৰ্পণ প্ৰ'ছেছ, কলিকতা
মুদ্ৰণ
দৰ্পণ/এল. এন প্ৰ'ছেছ, কলিকতা
সম্পাদনা
শ্ৰীঈশ্বৰ প্ৰসাদ চৌধুৰী, অধ্যাপক কে. এম. লোধা
অধ্যাপক আশিস সান্যাল, শ্ৰীপ্ৰণৱ বৰুৱা

Price : Rs. 100.00 & $10 only

EDITORIAL BOARD

Shri Iswar Prasad Chowdhury

Prof. K. M. Lodha

Prof. Ashis Sanyal

Shri Pranab Barua

ADVISORY BOARD

Shri Geetesh Sharma

Shri Karuna Kanta Deka

Smt. Devjani Chaliha

Shri Heman Bhattacharjee

Shri Dimbeswar Saikia

সম্পাদকীয় মেজৰ পৰা

শ্ৰীযুত যোগেশ হাজৰিকাৰ জীৱন, ব্যক্তিত্ব আৰু প্ৰতিভাক স্বাগতম্ জনোৱাৰ উদ্দেশ্যৰে প্ৰকাশ কৰি সমূহৰ হাতত তুলি ধৰা হ'ল, "যোগেশ হাজৰিকা এক অনিৰুদ্ধ ব্যক্তিত্ব" নামৰ জীৱনীমূলক গ্ৰন্থখনি হাজৰিকা দেৱৰ দৰে মহানুভৱ, ব্যক্তিক সন্মান যাচিব পৰাটো এখন সুস্থ সমাজৰ বাবে পৰম সাৰ্থক কাম।

সম্পাদনা সমিতিৰ অনুৰোধক সন্মান জনায় দেশ-বিদেশৰ যিসকল গুণী-জ্ঞানী ব্যক্তিয়ে গ্ৰন্থখনিৰ বাবে মূল্যবান লিখনি পঠালে, তাৰা সমস্তলৈ আমি আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। সন্মানিত প্ৰতিগৰাকী লেখক-লেখিকাৰ লিখনিতে হাজৰিকাদেউৰ জীৱন চিত্ৰপটক অনুপম আৰু নিখুঁতভাবে চিত্ৰিত কৰা হৈছে। সুগন্ধি প্ৰতিভা, বোকাত ফুলা পদুম, হাজৰিকা দেৱক সন্মানৰ বৰপীৰাত বহুৱাবলৈ পাই আমি সকলোৰেই ধন্য মানিছো।

সমাজসেৱক হাজৰিকাৰ কৰ্মকুশলতা, দেশাত্মবোধ, সাহিত্য প্ৰীতি আৰু মাতৃভাৱনাৰ আৰ্হি সমাজৰ বাবে প্ৰেৰণাৰ উৎস। আমাৰ আশা, হাজৰিকাদেৱৰ পাৰ হৈ যোৱা ফলপ্ৰসূ দিনবোৰৰ অনুপম জীৱন চানেকি উত্তৰ পুৰুষৰ বাবে প্ৰেৰণাদায়ক হ'ব। হাজৰিকাদেউৰ আহি থকা দিনবোৰ সুন্দৰ আৰু মধুময় হওঁক। জীৱন চৰিত খনিক সকলোৰে আদৰেৰে গ্ৰহণ কৰিলে আমি অতিশয় সন্তোষ পাম।

অসমীয়া বিভাগ

সূচী

পৃষ্ঠা সংখ্যা

আমাৰ যোগেশ (যোগেশ্বৰ) ঃ ১

শ্ৰীমতী সুৰবালা বৰদলৈ

যোগেশ হাজৰিকাৰ প্ৰতি ঃ ৪

বিজয় চন্দ্ৰ ভাগৱতী

পদপথৰ পৰা প্ৰাসাদলৈ ঃ ৫

ঈশ্বৰ প্ৰসাদ চৌধুৰী

বয়সে গৰকি নোযোৱা সেই মানুহজন ঃ ১৩

ড° সুচিত্ৰা কাকতী

শ্ৰদ্ধেয় যোগেশ হাজৰিকাৰ চমু বৃত্তান্ত ঃ ১৮

শ্ৰীৰূপকান্ত ডেকা

বিন্দুৰ পৰা সিন্ধুলৈ ঃ ২০

নবেন হাজৰিকা

সময়ে আঁচুৰিব নোৱাৰা মানুহজন ঃ ২৫

পৰাগ ফুকন

কৰ্ম্মযোগী ঃ ২৮

ডাঃ কমি বৰুৱা

অতীতে মনত ৰিঙিয়ায় ঃ ৩০

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা

কলিকতাত অসমৰ হাই কমিচনাৰ ঃ ৩৫

প্ৰণৱ কুমাৰ হাজৰিকা

পৃষ্ঠা সংখ্যা

শ্ৰীযোগেশ হাজৰিকা - এটি অবলোকন ঃ ৩৭

প্ৰশান্ত কুমাৰ বৰুৱা

সুহৃদয় ঃ ৩৯

মীনাক্ষী চলিহা বসু

যোগেশ ককাইদেউ ঃ ব্যক্তিত্বৰ এভুমুকি ঃ ৪৪

নকুল দাস

ড॰ মহেন্দ্ৰ বৰাৰ, "উপলানদীৰ দৰে" গ্ৰন্থত ঃ ৫০

শ্ৰীযুত যোগেশ হাজৰিকাৰ, ব্যক্তিসত্ত্বাৰ আলোকপাত

ককা শ্ৰীযুত যোগেশ্বৰ হাজৰিকা ঃ ৫৪

প্ৰণিতা হাজৰিকা

স্নেহ আৰু মমতাৰে ভৰা মানুহজন ঃ ৫৬

বাণী বৰুৱা

যোগেশ হাজৰিকা খুড়াৰ প্ৰতি ঃ ৫৭

বিমল ভৰালী

সুন্দৰৰ সৰু-বৰ আলিয়েদি ঃ ৬১

ডিম্বেশ্বৰ শইকীয়া

মৰমিয়াল মানুহজন (হাজৰিকা বৰদেউতা) ৬৮

সুদীপ্তা বৰুৱা

হাজৰিকাদেউক যিদৰে পাইছো ঃ ৭০

কৰুণাকান্ত ডেকা

কলিকতা সাহিত্য চ'ৰাৰ সভাপতি যোগেশ হাজৰিকা ঃ ৭১

প্ৰণৱ বৰুৱা

CONTENTS

Pages

SRI JOGESH HAZARIKA : A MAGNETIC PERSONALITY ... 77
Prof. K. M. Lodha

A GRAND YOUNG MAN ... 79
Satis Chandra Kakati

GENTLE TIGER : JOGESH HAZARIKA ... 83
Mr. Silas Jacob

JOGESH HAZARIKA : A SYMBOL OF UNITY IN DIVERSITY ... 87
Geetesh Sharma

MR. JOGESH HAZARIKA : OUR BROTHER-IN-LAW ... 89
Sisters of Lily Hazarika

ON JOGESH MAMA ... 91
Madhobi Medhi

MY FATHER ... 94
Mrs. Esther Jacob

SJT. JOGESH HAZARIKA : A FRIEND, PHILOSOPHER & GUIDE 96
Shri Bijoy Ketan Barua

JOGESH HAZARIKA : AS I KNOW HIM ... 98
B. P. Khaund

SRI JOGESH HAZARIKA : THE CALCUTTAN ... 102
Deve Kanta Kakati

MR. JOGESH HAZARIKA : IN MY VIEW ... 104
D. D. Sarma

A MEMOIR (AN UNTOLD STORY) ... 107
Mrs. Lily Hazarika

THE MAN WHO NEVER FADES OUT OF YOUR MIND ... 114
Pallavi Priya Chowdhury

WHAT I REMEMBER ABOUT JOGESH ... 116
Mr. C. Dasgupta

A MAN IN VARYING COLOURS ... 119
Mr. S. K. Das

MEMORIES ... 121
Mr. A. K. Bhattacharya

Pages

JOGESH HAZARIKA : A FOND RECOLLECTION ... 123
Mr. V. K. Lohia
MY LOVING KAKAIDEO ... 125
Mr. Jatin Das
SRI JOGESH HAZARIKA'S PERSONALITY ... 126
Dr. Satya Ranjan Barooah
JOGESH HAZARIKA : THE TRUE NATIONALIST ... 127
Mr. Kailashpati Lohia
TAILPIECE ... 130
Mr. Bijay Chandra Pandey
JOGESH HAZARIKA : A SOURCE OF INSPIRATION ... 133
Dr. K. C. Bhuyan
EXCEPTION THAT PROVES THE RULE ... 136
Mr. H. K. Barua
JOGESH HAZARIKA : A MAN WITH VISION ... 137
Prof. Ashis Sanyal
MY FATHER A GENTLEMAN FROM THE HEART ... 140
Ms. Eva Hazarika
AN UNSUNG PERSONALITY ... 144
Mr. Anil Kumar Srivastava
GRATITUDE TO A REMARKABLE PERSONALITY ... 145
Mr. Arabinda Mukherji
ASSAM-BENGAL, SHRI HAZARIKA ... 146
Mr. Aranandu Banerjee
REVERED JOGESH HAZARIKA AS I PERCEIVE HIM ... 149
Prof. Shreeshankar Jha
JOGESH HAZARIKA : A UNIQUE PERSONALITY ... 151
Syed Abdul Karim
JOGESH HAZARIKA : A TRUE COSMOPOLITAN PERSONALITY 154
B. P. Himatsingka

কৃতজ্ঞতা

যি সুধীবৃন্দৰ সৌজন্যত মোৰ জীৱন সোঁৱৰণী খন ভূপতিত হ'ল সেই সকলক কৃতজ্ঞতা জনাবলৈ মই অপাৰগ । মোৰ জীৱন সোঁৱৰণৰ কথা যে কোনোবাই ভাবিব পাৰে সি আছিল মোৰ কল্পনাৰ অতীত ।

ইয়াৰ জন্মলগ্নত মোৰ কিছুমান সুহৃদয় বন্ধুৰ ভুল ধাৰণা মনত পোষণ হোৱাত আন কিছুমান হিতাকাঙ্খী বন্ধুৰ পৰামৰ্শ অনুসাৰে ইয়াৰ কাৰ্যত যি কোনো ৰকমৰ হেঙাৰ নেওচি যাব পাৰিলো । যেতিয়া মোৰ ওচৰলৈ প্ৰস্তাৱটো আহিল তেতিয়া মই মোৰ বন্ধু-বান্ধৱ বিলাকক মোৰ বিষয়ে বা এই অধমক কিভাবে পাইছিল সেই বিষয়ে দুষাৰ লিখাৰ বাবে অনুৰোধ কৰিলো ।

উক্ত কামবোৰৰ কাৰণে প্ৰথমতে মই সম্পাদনা সমিতি আৰু উপদেষ্টা মণ্ডলীৰ কৰ্ণধাৰ সকলৰ সলাগ ল'ব লাগিব । গুৱাহাটী মহানগৰীত বহি থাকিয়েই বন্ধুবৰ শ্ৰীঈশ্বৰ প্ৰসাদ চৌধুৰীয়ে কামখিনিৰ তদাৰক কৰি যোৱাতো চকুত লগা বিধৰ। তেখেতক মোৰ কৃতজ্ঞতা জনালো ।ইয়াৰ উপৰিও জন্মলগ্নৰ পৰা ওতঃপ্ৰোতভাৱে জড়িত অধ্যাপক কে. এন. লোধা, অধ্যাপক আশিস সান্যাল, প্ৰণৱ বৰুৱা, গীতেশ শৰ্মা, দেবযানী চলিহা, কৰুণাকান্ত ডেকা, হেমেন্দ্ৰ ভট্টাচাৰ্য্য আৰু ডিম্বেশ্বৰ শইকীয়াৰ নাম নললে পাপে চুব ।

কিতাপখনি ছপোৱাৰ কাৰণে আৰ্থিকভাবে সাহায্য কৰা ব্যক্তি আৰু যি সকলে বহুমূলীয় লিখা দি প্ৰেৰণা যোগালে তেখেত সকললৈ মোৰ হিয়াভৰা ওলগ জনালো ।

ইয়াত মোৰ সহধৰ্মিনী লিলি, জী, জোঁৱাই আৰু নাতিহঁতৰ চেষ্টাক সুঁৱৰিছো। লিলিয়ে সকলো পিনৰ পৰাই মোক সহায়ৰ হাত আগবঢ়াইছে ।

কৃতজ্ঞতাৰ কোনো দিনে শেষ নাই, অকৃতকাৰ্যতা কোনো দিনে পূৰ্ণ নহয়।

যোগেশ হাজৰিকাৰ চমুকথা

জন্ম	ঃ	গাঁও ঃ পকাবাণ্ডিপাৰা, মঙ্গলদৈ, অসম
পিতা	ঃ	স্বৰ্গীয় অঙ্গৰাই হাজৰিকা
মাতা	ঃ	স্বৰ্গীয় মধুমতী হাজৰিকা
ভাতৃ	ঃ	স্বৰ্গীয় দেহিৰাম হাজৰিকা
		স্বৰ্গীয় ডালিম হাজৰিকা
		শ্ৰীযোগেশ হাজৰিকা
		স্বৰ্গীয় গোলাপ হাজৰিকা
ভগ্নী	ঃ	স্বৰ্গীয় ধনমালা হাজৰিকা
		স্বৰ্গীয় যশোদা হাজৰিকা
		স্বৰ্গীয় ৰথেশ্বৰী বৰুৱা

গাঁওত থাকোতে তেখেত সকলোৰে আদৰৰ আছিল নিজস্ব সামাজিকতাৰ বলত । সেয়া আছিল তেখেতৰ স্কুলীয়া জীৱন ।

স্কুলত থাকোতে তেখেত এক নম্বৰ স্কাউট আছিল । দিল্লীৰ খামবেৰীত হোৱা All India স্কাউটত তেখেতে অংশ গ্ৰহণ কৰিছিল । সেই সময়ত স্কাউট কিং ব্ৰিটিছৰ লৰ্ড পাউল আৰু তেওঁৰ পত্নী তাত উপস্থিত আছিল ।

Mt. G. S. Small আৰু A. B. Railway-ৰ Mr. Smithএ ১৬৪ জন অসমীয়া ল'ৰা আৰু বাকীবিলাকক ৰক্ষণা-বেক্ষণ দিছিল । Mr. Smith আছিল ৰোভাৰ স্কাউট । হাজৰিকাদেৱে কছাৰী নৃত্যৰদ্বাৰা সুনাম আৰ্জিছিল ।

মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰাৰ পিছত উচ্চাকাঙ্খা বুকুত বান্ধি কলিকতা মহানগৰীত ভৰি দিছিল । কিন্তু দেৰ বছৰ পাৰ নহওঁতেই তেখেতে চাৰি দিন পাৰ্কত কটাবলগীয়া হৈছিল । কাৰণ মেচত দিবলগীয়া ছয় টকা তেওঁ দিব পৰা নাছিল ।

ইয়াৰ পিছত তেখেতে বৰপেটাৰ উদ্যোগী ব্যৱসায়ী শ্ৰীপিতাম্বৰ দাসৰ Assam, Lodge 'ত থাকিবলৈ ল'লে । তেওঁ হোটেলৰ বজাৰ-সমাৰ আদি কৰি দিয়া বাবদ খোৱাৰ বাবে দুবেলা দুমুঠি ভাত আৰু শোৱাৰ কাৰণে অলপ ঠাই পালে ।

তেখেতে গধূলি অলপ অচৰপ বকচিছ পাইছিল আৰু সেইখিনি একগোট কৰি George Telegraph Training Institute ত Station Master কোৰ্চ আৰু Gardenship Course পাছ কৰিছিল । অশেষ চেষ্টা কৰিও তেখেতে এটা Railway 'ৰ চাকৰি যোগাৰ কৰিব নোৱাৰিলে । সেই সময়ত অসমীয়া ল'ৰাই Railway -ত চাকৰি পোৱাতো দুঃসাধ্য আছিল ।

মহানুভৱ যাদৱ প্ৰসাদ চলিহাই সেই সময়ত তেখেতৰ Chaliha Rolling Mill'ত এটা চাকৰি দিছিল । এই খিনিতে মদন মোহন দাসৰ কথা নকলে পাপে চুব কাৰণ দাসৰ অনুপ্ৰেৰণাতে হাজৰিকা আজি এই আসনত বহিব পাৰিছে।

এবাৰ স্বৰ্গীয় চন্দ্ৰকমল বেজবৰুৱাৰ সভাপতিত্বত Calcutta University Institute Hall -ত বহা A. S. L. Club ৰ মিটিঙলৈ স্বৰ্গীয় তৰুণ দুৱৰাই তেওঁক নি Club ৰ সৈতে চিনাকি কৰি দিয়ে ক্ষান্ত নাথাকিল তাত তেখেতে কছাৰী নৃত্য প্ৰদৰ্শন কৰিবলগীয়া হ'ল । ইয়াত তেখেতে দৰ্শকৰ উচ্চ প্ৰশংসা পালে। ফলশ্ৰুতিস্বৰূপে তেখেতে কেবাবছৰো A. S. L. Club ৰ সাধাৰণ সম্পাদকৰ ভাৰ গ্ৰহণ কৰিবলগীয়া হৈছিল ।

সেই সময়ত তেখেতে বহু বিদেশী সংস্থাৰ লগত Club ৰ সম্পৰ্ক ৰাখি চলিছিল। বৰ্তমান হাজৰিকাদেৱ কলিকতা সাহিত্য চ'ৰাৰ সভাপতি । যিয়ে অসম-বেঙ্গলৰ সাহিত্য সংস্কৃতিৰ যোগসূত্ৰ স্বৰূপ ।

অসমীয়া বিভাগ

মোৰ স্বৰ্গীয় স্বামী জুদা লেভিৰহে
আৰু মই নিজৰহে আমাৰ মৰমৰ
জোৱাই ল'ৰা শ্ৰীমান যোগেশৰ
দীৰ্ঘায়ু কামনা কৰিলোঁ ।

শ্ৰীমতী হান্না লেভী

আমাৰ যোগেশ (যোগেশ্বৰ)

শ্ৰীমতী সুৰবালা বৰদলৈ

শ্ৰীমান যোগেশ হাজৰিকাৰ বিষয়ে কবলৈ গ'লে, প্ৰথমেই ক'ব লাগিব তেওঁ এজন সৎচৰিত্ৰবান, বহল অন্তঃকৰণৰ আৰু মৰমিয়াল ব্যক্তি । সহজ-সৰল প্ৰকৃতিৰ মানুহ বুলিয়েই মই তেওঁক জানো । তেওঁৰ জন্ম হৈছিল মঙ্গলদৈৰ ভিতৰুৱা পকাবাঙিপাৰা গাঁওত । পিতৃ-মাতৃয়ে মৰমৰ পুত্ৰ হিচাপে তেওঁক শিক্ষা-দীক্ষাৰে উপযুক্ত কৰিবলৈ নৌপাওঁতেই মাতৃ বিয়োগ ঘটে । কিছুদিন পিছতেই তেওঁ পিতৃহাৰাও হ'ব লগা হয় । মাতৃ আৰু পিতৃৰ বিয়োগত তেওঁ শোকতে আতুৰ হৈছিল যদিও অধৈৰ্য হোৱা নাছিল । অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱা আছিল তেওঁৰ সম্বন্ধীয় । গাঁওৰ স্কুলতেই প্ৰাইমাৰী শিক্ষা লাভ কৰি পাছত মঙ্গলদৈ টাউনত থাকি পঢ়ি-শুনি মেট্ৰিক পাছ কৰে ।

ইয়াৰ পিছতেই তেওঁ কলিকতালৈ যায় আৰু তাতেই ব্যৱসায় কৰিবলৈ ধৰে। কষ্টময় জীৱন অতিবাহিত কৰাৰ পিছত বৰ্তমান তেওঁৰ সকলো দিশতেই ভাল বুলিব পাৰি । কলিকতাত তেওঁ বহুবছৰ ধৰি ব্যৱসায় কৰি আছে । তেওঁৰ বিয়া হয় বিদেশী মহিলা লিলি (ইহুদী) লগত । তেওঁলোকৰ সাংসাৰিক জীৱন ভালেৰেই চলিছে । তেওঁলোকৰ দুজনী ছোৱালী । দুয়োজনীকেই বিয়া দিছে বিদেশত । বৰ্তমান তেওঁলোকৰ কেবাটিও নাতি-নাতিনী । আটাই কেইটি ল'ৰা-ছোৱালীয়েই ধুনীয়া । মুঠতে, ক'বলৈ গ'লে হাজৰিকাৰ জীৱন সুখী আৰু আনন্দময় । কলিকতাবাসী হৈও তেওঁ সকলো মানুহৰ লগতে চিনাকি আৰু পৰিচিত । তেওঁৰ এটা বিশেষ গুণ আছে যে অলপ সময়ৰ ভিতৰতেই তেওঁ মানুহৰ মন জয় কৰি আপোন কৰি ল'ব পাৰে । ১৯৪৭ চনত আমি সপৰিয়ালে মালদহ জাহাজেৰে কলিকতালৈ যাওঁ আৰু ৭ (সাত) দিনৰ মূৰত কলিকতা পাওঁ । আমাৰ সৰু ল'ৰা (অকণমান) শ্ৰীমান বলীন বৰদলৈ তেতিয়া মাত্ৰ দহমহীয়া কেঁচুৱা । লিলি, ভাইটিও বেছি ডাঙৰ নাছিল । দেউতাকৰ শৰীৰ ভাল নাছিল কাৰণে ১৫ (পোন্ধৰ) দিনমান হাৱা-পানী সলনি কৰি জিৰণি লবলৈ ডাক্তৰ সকলৰ পৰা পৰামৰ্শ এৰাব নোৱাৰি আমিও লগতে গৈছিলো । ৭ (সাত) দিন মানৰ পাছত যোগেশ্বৰে আমাক আগবঢ়াই নিবলৈ আহে । তাতেই আমি তেওঁক লগ পাওঁ ।

অসমীয়া ল'ৰা যোগেশ আৰু তেওঁৰ লগতে শিশিৰ মজুমদাৰক লগ পাই আমাৰ ভাল লাগিল । জাহাজৰ পৰা নমাৰ পাছত সকলো সা-সুবিধাৰ ব্যৱস্থা তেওঁলোকে কৰি দিছিল । আমাৰ কাৰণে সেই দিনটো এটা স্মৰণীয় দিন আছিল । যোগেশ কলিকতাত থকা অসমীয়া আৰু স্থানীয় বঙালী সকলো মানুহৰ মাজত প্ৰিয়জন বুলি জনাজাত । মোৰ স্বামী ˊগোপীনাথ বৰদলৈ, ডাঙৰ ল'ৰা ব্ৰিগেদিয়াৰ ধীৰেন বৰদলৈয়েও যোগেশক অত্যন্ত ভাল পাইছিল । যোগেশে নিজৰ মাতৃভূমিক কেতিয়াও পাহৰা নাছিল । মাজে-মাজে অসমলৈ আহিলে আমাৰ ঘৰত আহি ˊলিলি, ভাইটি, অকণমান আৰু ধীৰেনহঁতৰ খবৰ লবলৈ নেপাহৰে । বিশেষকৈ ˊধীৰেন বৰদলৈৰ ল'ৰা ডাঃ নীল বৰদলৈৰ খবৰ লৈহে গৈছিল । মোক দেখা কৰিবলৈ যোগেশে যেতিয়া লিলি হাজৰিকাক প্ৰথম লগত লৈ আহে তেতিয়া মই বৰ আনন্দ পাইছিলো । মনত এনে ভাৱ হৈছিল তেওঁলোক যেন মোৰ নিজৰ পৰিয়ালৰ দৰেই । মোৰ স্বামী ˊগোপীনাথ বৰদলৈয়ে যোগেশক নিজৰ ভাইৰ দৰে ভাবিছিল আৰু প্ৰতিটো কামতে যোগেশৰ ওপৰত নিৰ্ভৰ কৰিছিল ।

মই আশীৰ্ব্বাদ কৰো যোগেশ কলিকতাবাসী হলেও নিজৰ মাতৃভূমি আৰু গাঁওবাসীৰ কাৰণে অনুপ্ৰাণিত হৈ সেৱা কাৰ্য্যত লিপ্ত হবলৈ সক্ষম হ'ব । যোগেশ হাজৰিকা সৰ্ব্ব প্ৰকাৰে দীৰ্ঘজীৱী হওঁক তাকেই মই আশীৰ্ব্বাদ কৰিছো আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যে তেওঁৰ সুকীৰ্ত্তি চাবিওপিনে বিয়পি পৰক ।

অসমৰ খ্যাতনামা ৰাজনীতিবিদ, দেশপ্ৰাণ বিজয় চন্দ্ৰ ভাগৱতীদেৱে ইহসংসাৰ ত্যাগ কৰাৰ মাত্ৰ কেইটিমান দিনৰ আগতে এখনি চিঠি সহ, তলৰ লেখাটি আমালৈ পঠায় । লেখাটি পাই আমি পৰম সন্তোষ পাইছো । প্ৰয়াত ভাগৱতী দেৱৰ স্বৰ্গগত আত্মাই চিৰ শান্তি লাভ কৰক । এইয়ে ভগৱন্তৰ চৰণত আমাৰ প্ৰাৰ্থনা ।

সম্পাদনা সমিতি

প্ৰিয় বৰুৱা,

আপোনাৰ চিঠি পাই শ্ৰী যোগেশ হাজৰিকাৰ জীৱনক লৈ এখন কিতাপ যুগুত কৰি প্ৰকাশ কৰিব খুজিছে বুলি জানি বৰ ভাল পাইছো ।

মোৰ আজিকালি লিখাৰ ক্ষমতা নোহোৱাৰ দৰেই হৈছে । বহুত কথা পাহৰণিত পৰিছে । লেখাতো খেলি-মেলি হয় । সেই কাৰণে আপোনালোকৰ চেষ্টাৰ লগত খাপ খোৱাকৈ একো লিখিব নোৱাৰিলো । কিছু কথা লিখি পঠাইছো । চাই-চিতি, যেনেকৈ ভাল হয় কৰিব ।

আশাকৰোঁ আপোনালোকৰ কামটো সুচাৰুৰূপে সুসম্পন্ন হৈ উঠিব ।

শ্ৰদ্ধা-মৰম ল'ব ।

বিজয় চন্দ্ৰ ভাগৱতী

প্ৰণৱ বৰুৱা

সম্পাদক ঃ কলিকতা সাহিত্য চ'ৰা

অসম ভৱন

যোগেশ হাজৰিকাৰ প্ৰতি

বিজয় চন্দ্ৰ ভাগৱতী

শ্ৰীযোগেশ হাজৰিকাৰ জীৱনৰ ওপৰত আলোকপাত কৰি এখন গ্ৰন্থ যুগুত কৰিবলৈ লোৱা হৈছে বুলি জানি বৰ ভাল লাগিছে । যি সকলে এই কামটো হাতত লৈছে, তেওঁলোকলৈ মই মোৰ শলাগ জনাওঁ ।

শ্ৰীযোগেশ হাজৰিকাই এসময়ত অসমৰ নেতাসকলৰ লগত দিল্লীৰ যোগসূত্ৰ স্থাপন কৰাত যেনে ধৰণে কাম কৰিছিল, সি বিশেষ গুৰুত্বপূৰ্ণ আছিল । কলিকতাকে কেন্দ্ৰ কৰি তেখেতে অসমৰ নেতা সকলক দিল্লীৰ লগত ৰাজনৈতিক আৰু অসমৰ অন্য সমস্যা লৈ যোগাযোগ ৰখাত বিশেষ সহায় কৰিছিল । লোকপ্ৰিয় ৺গোপীনাথ বৰদলৈ, প্ৰয়াত ৰাষ্ট্ৰপতি ফকৰউদ্দিন আলি আহমদ প্ৰমুখ্যে অসমৰ নেতা সকলৰ লগত যোগাযোগ ৰক্ষা কৰি, তেখেত সকলৰ পৰামৰ্শত শ্ৰীযোগেশ হাজৰিকাই অসমৰ সমস্যা সমাধান কৰাত অৰিহণা যোগাইছিল ।

শ্ৰীহাজৰিকাৰ জীৱন চানেকিৰ পৰা উঠি অহা পুৰুষে জনহিতকৰ কামৰ কাৰণে প্ৰেৰণা পাব বুলি মোৰ বিশ্বাস । শ্ৰীযোগেশ হাজৰিকাৰ প্ৰতি মই মোৰ শ্ৰদ্ধা নিবেদন কৰো ।

পদপথৰ পৰা প্ৰাসাদলৈ

ঈশ্বৰ প্ৰসাদ চৌধুৰী

মই কুৰি শতিকাৰ ১৯৩০ চনৰ পৰা আৰম্ভ কৰিব খুজিছো । মই ১৯৩০ চনৰ পৰা ১৯৩৪ চনলৈকে কলিকতা বিশ্ববিদ্যালয়ৰ ছাত্ৰ । থাকো হাৰ্ডিঞ্জ হোষ্টেলত । কলিকতা চহৰত মই নতুন । মোক এজন সাৰথিৰ প্ৰয়োজন । কলিকতা প্ৰবাসী ৺হৰেণ কলিতাক লগ পাই সকাহ পালো । হৰেণ কলিতা মোৰ বাল্যবন্ধু আৰু সহপাঠী আছিল । মোৰ যিমানদূৰ মনত পৰে তেওঁ হাওড়া ৰেলৰে লাইনৰ কৰ্মচাৰী আছিল । অসমৰ পৰা কলিকতালৈ যাবলগীয়া হোৱা অসমৰ লোকে যাতে কোনো ৰকমৰ অসুবিধাৰ সম্মুখীন নহয়, সেইয়া অৰ্থসংক্ৰান্ত বা বাসস্থান সম্পৰ্কীয় যিয়েই নহওক, তাৰ প্ৰতি কলিকতাত সদা জাগ্ৰত প্ৰহৰীৰ দৰে আছিল । স্বাধীনোত্তৰ অব্যৱহিত কালছোৱাত আৰম্ভ হোৱা হিন্দু-মুছলমান সংঘৰ্ষৰ ধামখুমীয়াই কলিতাদেৱক কলিকতা এৰিবলৈ বাধ্য কৰিলে । তাৰ পিছৰে পৰা তেওঁ অসমতে থাকিল । আমাৰ কথিকাৰ নায়ক হাজৰিকাদেৱে কলিকতা নেৰিলে । অসমৰ পৰা যোৱা লোক সকলৰ 'ফ্ৰেণ্ড, ফিলচফাৰ এণ্ড গাইড' হৈ কলিকতাতে থাকিল ।

সেই সময়ত অসম চৰকাৰৰ বাণিজ্য বিষয়ক উপদেষ্টা আছিল শিশিৰ কুমাৰ মজুমদাৰ । জীৱনৰ সোণালী কালছোৱা তেওঁ কটাইছিল জাপান দেশত । প্ৰায়ে হাফপেণ্ট, হাফচাৰ্ট আৰু পীঠ হেট পিন্ধা, চিগাৰ হোপা, শুভ্ৰবৰণৰ নোদোকা দেহৰ সদাহাস্যময় বাণিজ্য উপদেষ্টাজনক আমি কেতিয়াও মন মাৰি থকা দেখা নাছিলোঁ । তেখেতৰ অফিচটো আছিল সাত নম্বৰ এছপ্লানেড ইষ্টত থকা অধুনালুপ্ত লক্ষ্মী ইনছিওৰেঞ্চ বিল্ডিঙৰ পাঁচমহলীয়া ঘৰটোত । অফিচটোৰ ষ্টেনো টাইপিষ্টজনী আছিল আজিজা লেভি নামৰ ইহুদী বংশীয় বাওঁহতীয়া ছোৱালী এজনী । তেওঁৰ বাই-ভনী ছয়জনীৰ প্ৰথমজনীৰ নাম লিলি, – আমাৰ কথিকাৰ নায়কৰ ইহুদী ভাৰ্য্যা । লিলিয়ে চাকৰি কৰিছিল কলিকতাৰ টেলিফোন বিভাগত । ভনীয়েকক লগ ধৰিবলৈ তেওঁ প্ৰায়েই মজুমদাৰ চাহাবৰ অফিচটোলৈ আহে । তাতেই হাজৰিকাৰ লগত লিলিৰ পৰিচয় । সেই ঘৰটোৰ ছাদত কেইটামান

কোঠালি সাজি লৈ হাজৰিকা থাকে । আবেলি পৰত নিজৰ থকা ঘৰটোলৈ যাওঁতে বাণিজ্য উপদেষ্টা গৰাকীৰ অফিচত প্ৰায়েই লিলিক লগ পায় । সেই পৰিচয় পিছলৈ হিয়া দিয়া নিয়া পৰ্বত আৰম্ভ হৈ অৱশ্যম্ভাৱী পৰিণতি হিচাপে পৰিণয়ত স্থিতিলাভ কৰে ।

আজিকালি মঙ্গলদৈ মহকুমা জিলালৈ উন্নীত হ'ল । জনসাধাৰণৰ উন্নতি কিমান হ'ল সেইটো সেই অঞ্চলৰ লোকেহে কব পাৰিব । সেই জিলাখনৰ ভিতৰুৱা অনুন্নত গাঁও পকাবাণ্ডিপাৰাৰ স্বৰ্গীয় অঙ্গদৰাই হাজৰিকা আৰু মধুমতী হাজৰিকা দম্পতীৰ, আমাৰ বৰ্তমান প্ৰবন্ধৰ নায়ক যোগেশ্বৰ হাজৰিকা তৃতীয় সন্তান । আন তিনিজন পুত্ৰ দেহিৰাম, ডালিম আৰু গোলাপ হাজৰিকা প্ৰয়াত হ'বৰ কেবাবছৰো হ'ল । পৰিয়ালটোৱে ধন ঐশ্বৰ্য্যৰ দাবী কৰিব পৰা অৱস্থা নাছিল । প্ৰতিজন পুত্ৰই জীৱনৰ বিভিন্ন ক্ষেত্ৰত সাৰ্থকভাৱে বিচৰণ কৰিছিল আৰু স্বোপাৰ্জিত ধনেৰে জীৱন নিৰ্বাহ কৰিছিল ।

বৰ্তমান প্ৰবন্ধৰ নায়ক যোগেশ্বৰ হাজৰিকাই স্থানীয় গাঁওলীয়া স্কুলতেই শিক্ষা লাভ কৰি মেট্ৰিকুলেছন পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছতেই শিক্ষাত যতি পৰিল ।

যোগেশ্বৰক ঠাইখনৰ সংকীৰ্ণ সীমাই ধৰি ৰাখিব নোৱাৰিলে । সৰুৰে পৰা চট্‌ফটীয়া স্বাস্থ্যৱান ল'ৰাজনৰ সদায় সম্মুখলৈ চকু, জীৱনৰ খলাবমা বাটেৰে আগুৱাই যাবলৈ অদম্য আগ্ৰহ । স্কুলৰ অষ্টম শ্ৰেণীত থাকোঁতেই স্কাইড হিচাপে ১৯৩৭ চনৰ ডিচেম্বৰ মাহত দিল্লীত অনুষ্ঠিত স্কাইড জাম্বোৰীত যোগদান কৰে । সেই সময়ৰ পৰাই তেওঁ ভুলেই হওক বা ভালেই হওক তালৈ নেচাই বেচিকৈ ইংৰাজী ভাষাতহে কথা কবলৈ ধৰিলে । তেওঁৰ ককায়েক দেহিৰাম আছিল ইষ্টান বেঙ্গল ৰেলৱেৰ গাৰ্ড । তেওঁৰ যোগেৰে চিনাকি হৈছিল কুষ্ঠিয়া চহৰত কাম কৰা ৰেলৱে ছিগনেলৰ মিঃ চেটাৰ্জী নামে লোক এজনৰ লগত । দিল্লীত থাকোতে টকাৰ প্ৰয়োজন হোৱাত চেটাৰ্জীৰ যোগেৰে সেই সময়ত কুষ্ঠিয়া চহৰত থকা ককায়েক দেহিৰামক টকা কুৰিটা খুজি চিঠি এখন পঠিয়াই দিলে । তেওঁৰ নামত দিল্লীৰ অসম কেম্পৰ ঠিকনাত টকা কেইটা পঠিয়াবলৈ কোৱাৰ ফল ধৰিলে । এদিন ৰাতিপুৱা মনিঅৰ্ডাৰ যোগে টকা কুৰিটা পাই তেওঁ আচৰিত হৈ গ'ল, কাৰণ তেওঁ টকা কেইটা ইমান সোনকালে পাব বুলি আশা কৰা নাছিল ।

ঘৰৰ পৰা যি এবাৰ ওলাল, তেওঁ আৰু উভতি যাবলৈ ইচ্ছা নকৰিলে । গাঁওখনতে আবদ্ধ নেথাকি বাহিৰ ওলাল ভাগ্য অন্বেষণৰ কাৰণে তেওঁক

সবাতোকৈ বেচি উৎসাহ দিওঁতা মানুহ গৰাকী আছিল তেওঁৰ মাতৃ মধুমতী । হাতত টকা দহোটা লৈ সাধাৰণ সাজ-পোচাক এজোৰ পিন্ধি কলিকতালৈ বুলি ৰেলত উঠিল । সেই সময়ত পূৰ্ব পাকিস্তানৰ সৃষ্টি হোৱা নাছিল । লালমণিহাট আৰু পাৰ্বতীপুৰ হৈ চৌৱিছ ঘণ্টাৰ ভিতৰতে অসমৰ পৰা কলিকতা পালেহি । সেই সময়ত টঙলা ৰেল ষ্টেচনৰ পৰা শিয়ালদহলৈ ভাড়া আছিল ছাড়ে সাত টকা আৰু ভাত-মাছ এসাজৰ দাম আছিল ছয় পইচা ।

কলিকতা পোৱাৰ দিনৰ পৰা আৰম্ভ হ'ল জীয়াই থকাৰ বাবে জীৱন সংগ্ৰাম । প্ৰধান চিন্তা হ'ল আহাৰ আৰু বাসস্থানৰ । তেওঁৰ অদমনীয় মনৰ জোৰ সেই কামত সহায়ক হ'ল । অচিনাকি আৰু বন্ধুহীন ঠাইত নিজে-নিজেই থকা ঠাইৰ আৰু ভাতৰ যোগাৰ কৰিবলগীয়া হ'ল । কথাটো কলিকতাৰ নিচিনা অচিন চহৰখনত সহজ নাছিল । তাত তেওঁৰ কোনো চিনাকি মানুহো নাছিল । বহুবজাৰৰ কোনো এটা বিল্ডিংৰ তলৰ তলাত থকা কোঠালি এটাত মাহে তেৰ টকা ভাড়াত তেওঁৰ সৈতে এজন ল'ৰাই 'মেছ' কৰি থাকিবলৈ ল'লে । মাটিত শুইছিল । বিছনা, গাৰু, আঁঠুৰা ব্যৱহাৰ কৰা সম্ভৱপৰ নাছিল । প্ৰতিমাহে থকা-মেলাৰ কাৰণে দেড় টকাকৈ দিব লাগিছিল । চাৰি মাহৰ কাৰণে ছ'টকা বাকী পৰিল । সেই টকা কেইটা দিব নোৱাৰাৰ কাৰণে 'মেছৰ' পৰা ওলাই আহিবলগীয়া হ'ল । নিশা শোৱা ঠাই হ'লগৈ শিয়ালদহ ষ্টেছনৰ ওচৰত থকা ছেন্ট জেম্‌ছ্ স্কোৱাৰ পাৰ্ক । আবাসৰ কাৰণে ঘৰবাৰী নথকা ল'ৰাবোৰৰ আশ্ৰয় স্থান আছিল কলিকতা নগৰৰ বিভিন্ন পাৰ্ক অঞ্চল ।

কলিকতাত থাকি জৰ্জ টেলিগ্ৰাফ ট্ৰেনিং ইন্সটিটিউটত টেলিগ্ৰাফী শিকিবৰ ইচ্ছা । ধনী মানুহৰ ঘৰৰ মঙ্গলদৈৰ ল'ৰা শিৱপ্ৰসাদ শৰ্মাই সেই সময়ত উপৰোক্ত প্ৰতিষ্ঠানটোত শিক্ষা লাভ কৰি আছিল । তেওঁ হাজৰিকাক মেছৰ ধাৰ শুজিবলৈ টকা ছটা দিলে আৰু পাৰ্কটোৰ পৰা হাজৰিকাক লৈ আহিল । মঙ্গলদৈ চহৰৰ নেতৃ-স্থানীয় ব্যক্তি অম্বিকা বৰুৱাই সেই সময়ত এম, এ, আৰু ল' পঢ়ি আছিল । তেওঁ আছিল হাৰ্ডিঞ্জ হোষ্টেলত । তেখেতে মাজে-সময়ে হাজৰিকাক খোৱা-লোৱাত সহায় আগবঢ়াইছিল । মঙ্গলদৈৰ আন এগৰাকী উদাৰ হৃদয়ৰ লোক শ্ৰীদেৱকান্ত বৰুৱা (অৰুণ) আছিল বঙ্গবাসী হোষ্টেলত । তেখেতে হাজৰিকাক প্ৰায়েই আবেলিৰ চাহ-জলপানৰ যোগান ধৰিছিল । বৰুৱা ডাঙৰীয়া অসম চৰকাৰৰ অধীনত পুলিচ বিভাগৰ উচ্চ পদত বহুবছৰ সুখ্যাতিৰে চাকৰি কৰাৰ পাছত অৱসৰ গ্ৰহণ কৰি গুৱাহাটীৰ বেলতলা অঞ্চলত বসবাস কৰি আছে । এই সকল লোকৰ

বদান্যতাই হাজৰিকা ডাঙৰীয়াক নিজৰ ভৰিত থিয় দিবৰ বাবে সৰ্বতোভাৱে সহায়-সহযোগ আগবঢ়াইছিল । তেখেত সকলৰ প্ৰতি আজিও হাজৰিকাৰ কৃতজ্ঞতাৰ শেষ নাই ।

ক্ৰমে ক্ৰমে কলিকতাৰ বাট-ঘাটৰ আৰু বিভিন্ন লোকসকলৰ লগত পৰিচিতি বাঢ়ি যাবলৈ ধৰিলে । কলিকতা ভ্ৰমণৰ বাবে আৰু আন আন বিভিন্ন ঠাইৰ পৰা যোৱা লোকসকলক নগৰখনৰ চাবলগীয়া ঠাইসমূহ দেখুৱাই ফুৰা, বস্তু-বাহানি কিনা-বেচা কৰা আদিৰ জৰিয়তে বে-চৰকাৰি টুৰিষ্ট গাইডৰ দৰে কামটোৰ পৰা তেওঁ আশা নকৰা ধৰণেৰে হাতলৈ টকা-পইচা আহিবলৈ ধৰিলে । জৰ্জ টেলিগ্ৰাফ ট্ৰেইনিং ইন্সটিটিউট কলিকতাৰ এখনি পুৰণি আৰু প্ৰসিদ্ধ শিক্ষা প্ৰতিষ্ঠান । হাজৰিকাই সেইখনত নাম লগালে ।

জীৱন ৰঙ্গমঞ্চৰ পাদ-প্ৰদীপৰ সন্মুখলৈ অহা কাৰ্য্যত এগৰাকী অসমীয়া শিল্পী শ্ৰীতৰুণ দুৱৰাও সহায়ক হ'ল জীৱনত সফলতা লাভ কৰিবৰ কাৰণে । হাজৰিকাদেৰে যে কি কৰা নাই, সেই কথাটো ভাবিলে আচৰিত হ'ব লাগে । দুৱৰাৰ উৎসাহ-উদগণিত হাজৰিকাই কলিকতাৰ অসমীয়া ক্লাব এটিৰ অধিবেশনত নাচিলে কছাৰী লোক নৃত্য । ক্লাবটোৰ নাম আছিল এ, এছ, এল ক্লাব । সম্পূৰ্ণ নাম আছিল এছামিজ ষ্টুডেন্টছ্ লিটাৰেৰী ক্লাব । পিছলৈ হ'ল গৈ আসাম ছোচিও লিটাৰেৰী ক্লাব । এটা সময়ত এ, এছ, এল, ক্লাবৰ জেনেৰেল চেক্ৰেটাৰী হৈ কেবা বছৰো সুখ্যাতিৰে কাম-কাজৰ পৰিচালনা কৰিছিল হাজৰিকা ডাঙৰীয়াই ।

১৯৪২ চনৰ কোনোবা এটি দিনত নিজৰ নিৰাপত্তালৈ আওকাণ কৰি, শিয়ালদহ ৰেলৱে ষ্টেশনৰ পৰা এগৰাকী অসমীয়া গাভৰুক দুৰ্বৃত্তৰ হাতৰ পৰা উদ্ধাৰ কৰিলে । দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত কেবাটাও ক্ষেত্ৰত বিভিন্ন কৰ্মৰ পৰিধি বাঢ়ি গ'ল । জাপানী বোমাৰ ভয়ত নিজৰ নিজৰ বাসগৃহ নিস্প্ৰদীপকৰণ, ট্ৰেঞ্চত আশ্ৰয় গ্ৰহণ আদি কামৰ জৰিয়তে জীৱন ৰক্ষাত ব্যস্ত হৈ থকা কালছোৱাতো বিপদ-আপদক ভয় নকৰা ডেকাজনে মটৰগাড়ী নিৰ্মাতা আমেৰিকাৰ ফোৰ্ড কোম্পানীৰ "লীজ-লেণ্ড" নীতিৰ যোগে ভাৰতে প্ৰাপ্য নশ খন লৰী গাড়ী বোম্বাই আদি বিভিন্ন ঠাইৰ পৰা আলিবাটেৰে কলিকতালৈ লৈ আহিল । তেওঁৰ সাহস আৰু কৰ্মদক্ষতা দেখি তেওঁৰ ককাইদেউ দেহিৰাম হাজৰিকাৰ তেওঁৰ প্ৰতি থকা কঠিন মনৰ সালসলনি হৈ গ'ল । যুদ্ধৰ ধামখুমীয়াৰ ভিতৰতে তেওঁৰ বিয়া হৈ গ'ল ইহুদী গাভৰু লিলি লেভি আইদেউৰ লগত । লিলিয়ে দেহিৰাম হাজৰিকাক পিতৃতুল্য জ্ঞান কৰিছিল আৰু তেওঁৰ পৰা দিহা-পৰামৰ্শ লৈছিল ।

হাজৰিকাই যে ক'ত ৰকমৰ কাম কৰিছিল তাৰ লেখৰ অন্ত নাই । জীৱন যুদ্ধত জয়ী হ'বৰ কাৰণে বহু লোকৰ পৰা বিভিন্ন ধৰণৰ সহায় লাভ কৰিছিল আৰু তেঁৱো তেখেত সকলৰ বিবিধ কামত সহায় সহযোগ কৰিছিল । তিনিচুকীয়াৰ ৰাজস্থানী ব্যৱসায়ী দূৰ্গাদত্ত লোহিয়াৰ পৰা ইউ, পি, টিৰ (ইউনাইটেড প্ৰভিনচেছ কমাৰ্চিয়েল কৰপোৰেচন) কৃষ্ণ মোহন ৰাহীলৈকে শ্ৰীমোহন ৰাহী আৰু ৰাহী ভ্ৰাতৃ সকলে তেওঁলোকৰ কোম্পানীৰ অধীনস্থ অসম ছিলিমেনাইট কোম্পানীৰ কাম-কাজৰ যোগসূত্ৰ হিচাপে হাজৰিকা ডাঙৰীয়াই চোৱা চিতা কৰিছিল ।

১৯৫৫ চনৰ আগভাগৰ পৰা গুৱাহাটীৰ হেদায়েৎপুৰ অঞ্চলত অৱস্থিত অসম প্ৰদেশ কংগ্ৰেছৰ ঘৰটো সাজিবলৈ আৰম্ভ কৰা হৈছিল । টকাৰ অভাৱত ঘৰটি সজাৰ কাম বাধাগ্ৰস্ত হৈ পৰাত সেই সময়ৰ অসম কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰ মোহন চৌধুৰী ডাঙৰীয়াই টকাৰ বাবে হাবাথুৰি খাবলগীয়া হোৱাত হাজৰিকাই কলিকতাৰ ধনী ব্যৱসায়ী সকলৰ পৰা দান বৰঙণি তুলি চৌধুৰী ডাঙৰীয়ালৈ টকা পঠাইছিল । আনকি সদৌ ভাৰত কংগ্ৰেছৰ সভাপতি ইউ, এন, ডেবৰ ভাই, অসমলৈ আহোঁতে চৌধুৰী ডাঙৰীয়াৰ অনুৰোধত কংগ্ৰেছ সভাপতি আহ-যাহ কৰিবৰ কাৰণে মটৰ গাড়ী এখনৰো হাজৰিকাই বন্দৱস্ত কৰিব লগীয়া হৈছিল । মহেন্দ্ৰ মোহন চৌধুৰী ডাঙৰীয়াই হাজৰিকালৈ ১৯৫৫ চনৰ ১৫ জুন তাৰিখৰ চিঠিখনত লিখিলে -- "We have received a few cheques from calcutta, the amount in all cheques total about Rs. 3600/- Kindly donot relax your efforts. We are greatful to you for all that you have done and have been doing. আকৌ ১৯৫৫ চনৰ দুই জুলাইৰ আন এখন চিঠিত লিখিলে, – "We are all thankfull to you for what you have done in collection of fund for the Assam Pradesh Congress Committee. We shall remember your service in this connection with deep gratitude..........." স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি হৈ থাকোতে কোনোবা এটা মোকৰ্দমাৰ বিষয়ত হাজৰিকাই কলিকতাৰ পৰা সমৰেন্দ্ৰ চন্দ্ৰ সেন নামে উকিল এজনক অসমলৈ পঠোৱাৰ আয়োজন কৰিছিল । কলিকতাত আন এটা এৰাব নোৱাৰা কামত লাগি থকাৰ বাবে সেন ডাঙৰীয়াই টেলিগ্ৰাম এখনেৰে চলিহা ডাঙৰীয়াক মোকৰ্দমাটোৰ আন এজন উকিল লবৰ কাৰণে অনুৰোধ কৰিছিল । চলিহা ডাঙৰীয়াই হাজৰিকাক ৭/১২/১৯৫৭ তাৰিখৰ চিঠি এখনেৰে জনালে – "As the High Court refused adjournment the case was managed by local advocates .... we are thankful to you for all you have done in this respect.

এবাৰ ভাৰতৰ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদ ডাঙৰীয়াই হাজৰিকাৰ পত্নী আৰু জীয়েক দুজনীক লৈ দিল্লী হৈ বিদেশলৈ যাব বুলি খবৰ পাই ৰাষ্ট্ৰপতিৰ Special Assistant to the President of India মি. আখতাৰ আলমে ১২/৫/১৯৭৫ তাৰিখৰ টেলিগ্ৰাম এখনৰ দ্বাৰা হাজৰিকাক জনালে, The President will be glad if your and the children would stay at Rastrapati Bhawan on 17/18 the instant when you come to Delhi. "ৰাষ্ট্ৰপতিৰ নিমন্ত্ৰণ ক্ৰমে হাজৰিকাদেউ তেওঁৰ পত্নী আৰু জীয়াৰী দুজনীৰ সৈতে ৰাষ্ট্ৰপতিৰ আলহী হ'লগৈ ।

এটা সময়ত এছপ্লেনেডৰ ঘৰটোলৈ যোৱাৰ আগতে হাজৰিকা ভবনীপুৰ অঞ্চলত বাস কৰা বহুতো পঞ্জাবী মানুহৰ মাজত আছিল এক মাত্ৰ অসমীয়া হাজৰিকা । জীৱনটোক সুপ্ৰতিষ্ঠিত কৰিবলৈ নিজৰ অধ্যৱসায়, আত্মপ্ৰত্যয়, কৰ্ম্মকুশলতা আৰু সাৰ্থক জনসংযোগৰ সহায়ত তেওঁ ক্ৰমে ক্ৰমে জীৱনত ক্ৰমোন্নতিৰ পথত আগবাঢ়ি গৈছিল । অসমৰ পৰা নতুনকৈ কলিকতালৈ যোৱা লোকসকলৰ কাৰণে তেওঁ আছিল সহায়, সাৰথি । তেনে লোকসকলৰ কাৰণে দৰকাৰ হ'লে আৰ্থিক সাহায্য আৰু থকা মেলাৰ দিহা কৰি দিয়াত তেখেতৰ সহায় অতুলনীয় আছিল । কেতিয়াবা কোনো লোকৰ আন ঠাইত থকাৰ সুবিধা নহলে তেনেলোকক তেওঁ লগতেই ৰাখিছিল ।

প্ৰয়াত পণ্ডিত ডঃ মহেন্দ্ৰ বৰা ডাঙৰীয়াই তেওঁৰ আত্মজীৱনী "উপলা নদীৰ দৰে" নামৰ পুথিখনত লিখিছে – "কলিকতাত থকা সেই সময়ছোৱাৰ বছৰটোত ....আমাৰ হোষ্টেলতে এজন বৰ ৰঙিয়াল মনৰ, ফৰকাল অন্তৰৰ মানুহক লগ পাইছিলোঁ । মানুহজনক কলিকতা প্ৰবাসী অসমীয়াই অসমৰ বে-চৰকাৰী হাই-কমিছনাৰ আখ্যা দিছিল । বিপদৰ বন্ধু এই মানুহজনৰ নাম যোগেশ্বৰ হাজৰিকা । আচল নামেৰে তেখেতক যিমান মানুহে চিনি পাইছিল, তাতকৈ বহুত বেচি মানুহে চিনি পাইছিল তেখেতৰ সংক্ষিপ্ত নাম 'যোহাজ' টোৰে ।.....তেখেত মোৰ বাবে ৰূপান্তৰিত হ'ল যোহাজ মামালৈ । আৰু সিজনে মোক মাতিবলৈ ললে ভাগিন বুলি । এবাৰ মই আৰু মহেশ ভূঞা পূজাৰ বন্ধত ঘৰলৈ অহা নাছিলোঁ । এদিন হঠাৎ আমাৰ দুয়োকে বাটত লগ পাই সুধিলে, – "ভাগিন ঘৰলৈ যোৱা নাই ? কিয় যোৱা নাই ?" মই উত্তৰ দিলোঁ, – "যোৱা নাই । কাৰণ, পইচা নাই ।" যোহাজ মামাই পিছদিনা পুৱা আমাৰ দুয়োকে তেখেতৰ ঘৰলৈ মাতিলত, আমি গলো আৰু আমাৰ হাতত এখন চিঠি দিলে, Airways of India-ৰ Managing Director Mr. K. K. Roy চাহাবক দিবলৈ । আৰু মামাই ক'লে,

এয়াৰ অফিচলৈ গৈ Roy-ক লগ ধৰিবলৈ লগতে কৈ পঠালে । "চিধা দুই মহলালৈ উঠি যাব । মোৰ কথা ক'ব । আপোনালোকক দুখন বিনামূলীয়া ৰিটান টিকট দি দিব ।"

আহিবৰ দিনা প্লেনত নুঠালৈকে ভূঞা আৰু মই বিশ্বাসেই কৰিব পৰা নাছিলোঁ, টিকট দুটা সঁচাকৈ কামত আহিবনে নাহে । সেইবাৰ অহা-যোৱা কৰা সেই আকাশযাত্ৰা দুটাই মোৰ জীৱনৰ একমাত্ৰ বিনামূলীয়া আকাশী জাহাজৰ ভ্ৰমণ । ...... যোগেশ্বৰ হাজৰিকাৰ উদ্যোগতে তাহানিৰ এ, এছ, এল ক্লাৱটো আকৌ জীয়াই তোলা হৈছিল । .... মোৰ যিমান দূৰ মনত পৰে, উমেশ বৰুৱাক পতা হ'ল সভাপতি আৰু যোগেশ্বৰ হাজৰিকাক পতা হ'ল প্ৰধান সম্পাদক ।

প্ৰবন্ধটোৰ আৰম্ভণীতে কোৱা হৈছে যে হাজৰিকাৰ আগতে আন এজন অসমীয়া ডেকা আছিল হৰেন্দ্ৰ নাথ কলিতা । কলিতা ডাঙৰীয়াৰ আৰ্থিক-অৱস্থা হাজৰিকাতকৈ বহু পৰিমাণে ভাল আছিল । কলিতাই ৰেলত চাকৰি কৰিছিল ।

আশ্ৰয়ৰ কাৰণে আৰু ভাতমুঠিৰ কাৰণে কলিতাই হাজৰিকাৰ দৰে হাবাথুৰি খাবলগীয়া নহৈছিল । হাজৰিকাৰ আৰ্থিক অৱস্থা তেওঁৰ লগত তুলনা কৰিব নোৱাৰি । হাজৰিকাৰ ক্ষেত্ৰত তেখেতৰ ক্ৰমোন্নতিক পদপথৰ পৰা প্ৰাসাদলৈ বুলি ক'লেও অত্যুক্তি নহব বুলিহে মোৰ ধাৰণা হয় । হিন্দু-মুছলমানৰ সংঘৰ্ষৰ সময়ত, শান্তি-সম্প্ৰীতিৰ প্ৰতিকূল অৱস্থাত পৰি কলিতা ডাঙৰীয়াই কলিকতা ত্যাগ কৰিবলগীয়া হ'ল । হাজৰিকা আছিল ব্যতিক্ৰম । সংঘৰ্ষৰ বলি হোৱাৰ পৰা হাত সাৰি থাকিবৰ কাৰণে প্ৰয়োজন অনুসৰি তেওঁ লুঙি, টুপি আদি পিন্ধি ভেশছন কৰি আছিল । কোনো প্ৰতিকূল অৱস্থাতেই তেওঁ হতাশ হোৱা নাছিল । কাৰোবাক হতাশাগ্ৰস্ত দেখিলে তাৰ বিপৰীতে উৎসাহ উদ্দীপনা যোগাইছিল ।

জীৱনত প্ৰতিষ্ঠা লাভ কৰিবৰ কাৰণে অমানুষিক পৰিশ্ৰম কৰা আৰু জনসংযোগত সাৰ্থকতা লাভ কৰা লোকজনৰ বাসগৃহলৈ যি সকল সৰ্বজন শ্ৰদ্ধাৰ পাত্ৰ অসমৰ প্ৰথিতযশা নেতৃবৃন্দ গৈছিল তাৰ ভিতৰত আছিল গোপীনাথ বৰদলৈ, ফকৰউদ্দিন আলি আহমদ, মহেন্দ্ৰ মোহন চৌধুৰী, বিমলা প্ৰসাদ চলিহা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, শ্ৰীশৰৎ চন্দ্ৰ সিংহ আৰু বিভিন্ন ৰাজনৈতিক দলৰ কৰ্মী, কবি, সাহিত্যিক আদি ।

পৰ্ণকুটীৰ এটাক বসোপযোগী কৰি ফোন, টি, ভি, ৰিফ্ৰিজাৰেটৰ, চোফা, পালেং আদিৰে সজাই-পৰাই তুলিছিল ।

একালত কলিকতাৰ মুকলি আকাশৰ তলত জীৱন-যাপন কৰা আৰু আজি তিনি পিচৰ চুট পিন্ধি বিমানেৰে ঘেঁণী সৈতে ইংলণ্ড, কানাডা, ইজৰাইল, আমেৰিকা আদি ঠাইবোৰত ঘূৰি ফুৰা, জীৱন যুদ্ধত পৰাজয় স্বীকাৰ নকৰা, সদায়, সন্মুখৰ পিনে আগবাঢ়ি যোৱাৰ দুৰ্বাৰ গতিসম্পন্ন, বয়সে হাৰ মনাব নোৱাৰা ডেকাজনৰ দুজনী ছোৱালী সন্তান – এস্থাৰ আৰু ইভা । দুয়োজনীৰে বিয়া হৈ গৈছে । ডাঙৰজনী এস্থাৰ এতিয়া থাকে গিৰীয়েকৰ লগত ইজৰাইলত আৰু ইভা থাকে লণ্ডনত । ডাঙৰ ছোৱালী এস্থাৰৰ বিয়া হৈছিল ইহুদী প্ৰথাৰে, Magen David Synagogue নামৰ প্ৰাৰ্থনা গৃহত । এই বিয়াত অসমৰ পৰা বহুতো বিশিষ্ট পুৰুষ-মহিলাই যোগদান কৰিছিল । বিয়াখন আছিল অতি চমকপদ্ ।

কলিকতাৰ অসমীয়া সমাজখন, উৰিয়া, বিহাৰী সমাজ দুখনৰ তুলনাত বৰ সৰু সমাজ । ক্ষুদ্ৰ সমাজখনে একগোট হৈ থাকি, নিজৰ অস্তিত্ব বজায় ৰখাৰ স্বাৰ্থত সাহিত্য-সংস্কৃতিৰ জগতখন জীয়াই ৰাখিবৰ কাৰণে যথেষ্ট পৰিশ্ৰম কৰিবলগীয়া হয় । তেনে এখন সাহিত্য ক্ষেত্ৰ হ'ল কলিকতা সাহিত্য চ'ৰা । চ'ৰাখনৰ বৰ্তমানৰ সভাপতি গৰাকী হ'ল আমাৰ প্ৰবন্ধটোৰ মুখ্য চৰিত্ৰ শ্ৰীযোগেশ্বৰ হাজৰিকা । এই আদহীয়া বয়সৰ লোকজনৰ জনপ্ৰিয়তা তৰ্কাতীত । অসম আৰু অসমীয়া সমাজ খনৰ কল্যাণকামী হিচাপে তেখেতৰ অৱদান সৰ্ব্বজন স্বীকৃত । বয়সত জেষ্ঠ হিচাপে মই কবলৈ সাহ কৰিছোঁ, – জীৱনৰ কণ্টকাকীৰ্ণ পথটো নিজৰ শক্তি সামৰ্থৰে কুসুমাস্তীৰ্ণ কৰি তোলা হাজৰিকাৰ জীৱন পৰিক্ৰমা সাৰ্থকৰ পৰা সাৰ্থকতৰ হওক ।

বয়সে গৰকি নোযোৱা সেই মানুহজন

ড° সুচিত্ৰা কাকতী

কলিকতাৰ শ্ৰীযোগেশ্বৰ হাজৰিকা। যোগেশ হাজৰিকা হিচাপে জনাজাত। অসমৰ মৰমৰ ককাইদেউ, খুড়াদেউ যোগেশ হাজৰিকাক কম মানুহে চিনি নাপায়। জীৱন-যৌৱনৰ ভালেকেইটা বছৰ কলিকতাত কটোৱা সেইজন যোগেশ ককাইদেউ মনে-প্ৰাণে এতিয়াও যৌৱনভৰা হৈ আছে যেন তেওঁ জীৱন ডিঙা বাই বাই অকণো ভাগৰি পৰা নাই। আশীৰ দেওনা পাৰ হৈয়ো তেওঁ যুৱকৰ দৰেই কাম কৰে। তেওঁ সকলো সময়তে কাম লৈ ব্যস্ত থাকে। এছপ্লেনেডৰ পাঁচমহলীয়া ঘৰৰ ওপৰ তলাত চল্লিচতকৈয়ো অধিক বছৰ কটোৱা ককাইদেৱে তিৰান্নবৈটা খটখটিৰে দিনটোত কেবাবাৰো অহা যোৱা কৰা কম আশ্চৰ্য্যকৰ নহয়। ককাইদেউৰ জীৱনৰ লগত খাপ খোৱা ইহুদী দুহিতা সুন্দৰী লিলি বৌও এগৰাকী সাদৰী মহিলা।

মোৰো ঘৰ মঙ্গলদৈত। যোগেশ হাজৰিকা সম্বন্ধত মোৰ ককাইদেউ হয়। মোৰ দেউতা ৺বাসব চন্দ্ৰ বৰুৱা সেই সময়ত মঙ্গলদৈত নাম কৰা উকিল। দেউতাৰ মুখত যোগেশ ককাইদেউৰ কথা প্ৰায়ে শুনিছিলো। যোগেশ ককাইদেউৰ দৰে আত্মনিৰ্ভৰশীল আৰু অধ্যৱসায়ী হবলৈ দেউতাই উদগনি দিছিল। কলিকতাৰ নিচিনা ঠাইত থাকি অতি কম বয়সতে নিজৰ যোগ্যতাৰ পৰিচয় দিয়া ককাইদেউৰ কথা কৈ দেউতাই গৌৰৱবোধ কৰিছিল। ককাইদেউক চোৱাৰ হেঁপাহ মোৰ প্ৰৱল হৈ উঠিছিল।

ককাইদেউক লগ পাইছিলো গুৱাহাটীত। লিলিবৌক মেখেলা-চাদৰ পিন্ধাই আমাৰ ৰিহাবাৰীৰ ঘৰলৈ আনিছিল। ককাইদেউক Smart আৰু Energetic লাগিছিল। সেই সময়ত দেউতা স্বৰ্গগামী হৈছিল। দেউতাৰ গুণ-গৰিমা সোঁৱৰাই দি আমাক দেউতাৰ উপযুক্ত সন্তান হবলৈ উৎসাহ দিছিল।

১৯৭১ চনত মই ককাইদেউ শ্ৰীহেম বৰুৱাৰ লগত আমেৰিকাৰ ইন্দিয়ানা বিশ্ববিদ্যালয় assistantship-ৰ বাবে interview দিবলৈ কলিকতালৈ গৈছিলো। ককাইদেউ আৰু লিলিবৌৱে মোক আসাম হাউচত থাকিবলৈ নিদি নিজৰ ঘৰলৈ

লৈ আহিল । তেতিয়া ককাইদেউক খুব ওচৰত জনাৰ সুবিধা পাইছিলো । পতি-পত্নীৰ চৰম নিদৰ্শন মই তাতেই দেখিছিলো । ককাইদেৱে মোক কৈছিল, "Do you know the secret of happy family life ? He should love his wife. I love my Lily........." । মুখত দেখুৱা খংখিনিৰে লিলি বৌক বৰ সুন্দৰ লাগিছিল । লিলি বৌৱে ককাইদেউক সকলো ক্ষেত্ৰতে সহায় কৰিছিল । আনকি অফিচতো । খুব পুৱাই উঠি ব্যায়াম কৰা, গা-ধোৱা, খবৰ কাগজ চোৱা, কাপোৰ ইস্ত্ৰি কৰা আৰু বাথৰুমো ককাইদেৱে চাফা কৰিছিল । তেওঁ যে এসময়ত Scout and Guide-ৰ Rover আছিল, তাকে কৈ আনন্দ লাগিছিল । অসম আৰু বংগৰ গণ্য-মান্য লোকেৰে ককাইদেউৰ ঘৰখন ভৰি আছিল । বিপদত পৰা মানুহক ককাইদেৱে যথেষ্ট সহায় কৰিছিল । অসহায় মানুহক সহায় কৰাটো ককাইদেউৰ Hobby. পাশ্চাত্যৰ আদৱ-কায়দাত অভ্যস্ত হোৱা ককাইদেৱে নিজৰ ছোৱালী এস্থাৰ আৰু ইভাক শিকাইছিল – "বাজক ডবা, বাজক শঙ্খ, বাজক মৃদঙ্গ........।" বৌ জনীক অসমীয়া সাজ জোৰ পিন্ধাই বিয়াই-সবাহে লৈ গৈ অসমীয়াত্ব অনুভৱ কৰাৰ সুবিধা লৈছিল আৰু সৌসিদিনাও গুৱাহাটীত বৌৱে অসমীয়া মেখেলা-চাদৰ পিন্ধি বিয়ালৈ আহিছিল ।

মোৰ ককাইদেউ হেম বৰুৱা কলিকতাত বহু বছৰ আছিল । দুয়ো বহুবছৰ একেলগে আছিল । হেম ককাইদেউৰ মুখে যোগেশ ককাইদেউৰ কথা জানিছিলো । হেম ককাইদেউৰ ভাষাত –

"যোগেশ্বৰ হাজৰিকাই ১৯৪০ চনত মঙ্গলদৈ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি কলিকতাত Telegraphy পঢ়িবলৈ গৈ বহুবজাৰৰ ওচৰত এটা ঘৰত থাকি জৰ্জ institute-ত পঢ়িবলৈ লয় । স্কুলত পঢ়াৰ দিনত মঙ্গলদৈৰ পৰা প্ৰায় তিনিমাইল দূৰত নিজ ঘৰৰ পৰা খোজ কাঢ়ি অহা-যোৱা কৰি পঢ়াশুনা কৰিছিল আৰু দেউতাকক খেতি-বাতিটো সহায় কৰিছিল । কলিকতাৰ জৰ্জ institute ৰ পৰা উত্তীৰ্ণ হৈ চাকৰিৰ বাবে চেষ্টা কৰি তেওঁ বহুত দিন তাতে থাকিবলগীয়া হৈছিল । সেই সময়ত মঙ্গলদৈৰ তেতিয়াৰ M. L. A. ৺পুৰন্দৰ শৰ্মা Railway ব'ৰ্ডৰ সদস্য আছিল আৰু তেওঁতে আশাকৰি ৰেলত চাকৰি পোৱাৰ আশাতে বহুতদিন কটালে । চাকৰি নহ'ল । মই ১৯৪৪ চনত গৈ জানিব পাৰিলো যে তেওঁ আন এটা চাকৰিতহে যোগ দিছে । ইয়াৰ আগতে তেওঁ Amherst Street-ত অসমীয়া মানুহ থকাৰ সুবিধাৰ্থে কলিকতাতে থকা তেতিয়াৰ অসমীয়া বাসিন্দাই লগলাগি খোলা এটা Lodge-ত থাকি সেইটো পৰিচালনাৰ দায়িত্ব তেওঁ লৈছিল ।

এই Lodge-ত অসমৰ পৰা যোৱা বন্ধুতেই থাকিবলৈ লৈছিল। ৺গোপীনাথ বৰদলৈও তাতে মাজে-সময়ে আলহি হৈছিল । কেইবছৰৰ পিছত এই Lodge টো অচল হৈ যায় । হাজৰিকাই ২য় মহাসমৰৰ সময়তে কোনোবা এটা কোম্পানীৰ Transport বিভাগত সোমাই বোম্বাইৰ পৰা National High Way ৰে কলিকতালৈ Truck অনা-নিয়া কৰাত Superviser-ৰ কাম কৰিছিল । যুদ্ধ ওৰ পৰাত হোৱাত তেওঁ সেইকামৰ পৰা এৰা পৰে । সেই সময়তে তেওঁ 16B, Ashutosh Mukharjee Road ত ঘৰ এটা ভাড়া কৰি আছিল আৰু মূয়ো গৈ ১৯৪৪ চনত তেওঁৰ লগতে থাকো । সেই সময়ত ৺উমেশ বৰুৱা Lakhmi Insurance Co. ত Branch Manager হিচাপে কাম কৰি আছিল আৰু তেখেতে হাজৰিকাক নানাভাৱে সহায় কৰিছিল । তেতিয়া ৺ৰোহিনী কুমাৰ চৌধুৰী আমাৰ মন্ত্ৰী আছিল । তেওঁ কলিকতালৈ প্ৰায়ে গৈছিল আৰু যোগেশ হাজৰিকাই তেওঁক নানাভাৱে সহায় কৰিছিল বাবে তেওঁ চৌধুৰীদেৱৰ সৌহাতৰ দৰে আছিল । চৌধুৰীদেৱে তেওঁক পুত্ৰবৎ স্নেহ কৰিছিল আৰু দিহা-পৰামৰ্শও লৈছিল । হাজৰিকাক অসমত চাকৰি কৰিবলৈ কৈছিল । কিন্তু তেওঁ অসমলৈ আহিবলৈ ইচ্ছা নকৰিছিল । ময়ো তেওঁৰ লগত থাকি বি, কম পাছ কৰো আৰু New India Insurance ত ৺উমেশ বৰুৱাৰ সহায়ত কামত সোমাই পৰো আৰু লগতে পঢ়াশুনা কৰি M. Com আৰু L.L.B. পাছ কৰো । তেতিয়া ইজনে সিজনক সহায় কৰাটো নৈতিক দায়িত্ব বুলি ভাবিছিল । ১৯৫৩ চনত হাজৰিকা বৰ্তমান থকা Esplanade East লৈ আহে । সেইটোও ৺উমেশ বৰুৱাই তেওঁক থাকিবলৈ সুবিধা কৰি দিয়ে । মই 16 B. A. M. Road তে ওপৰ মহলাত এটা ৰুমলৈ থাকো মোৰ নিজৰ সুবিধাৰ কাৰণে । ১৯৫৩ চনত হাজৰিকা A. S. L. Club ৰ চেক্ৰেটাৰী আছিল আৰু ৺উমেশ বৰুৱা সভাপতি আছিল । তেওঁলোকৰ প্ৰচেষ্টাতে Club টো ঠন ধৰি উঠিছিল । ইয়াৰ কেইবছৰমান পাছলৈ ১৯৫৫-৫৬ চনত নতুন Executive Committee গঠন হয় । তাত ৺দ্বীজেন ৰায় চৌধুৰী (তেতিয়াৰ Trade Adviser to Assam Govt.) Club ৰ সভাপতি হয় আৰু উপ-সভাপতি মই আছিলো । এই কমিটিত বৰ্তমান তেজপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ উপাচাৰ্য্য ড° কিশোৰী মোহন পাঠক, প্ৰয়াত ভুপেন দাস, প্ৰমোদ শৰ্মা, Dr. M. M. Das, Manik Khaund (Advocate, Jorhat), Smt. Minakshi Chaliha কমিটিত আছিল । এই কমিটিয়ে সেই সময়ত ৺বিষ্ণুৰাম মেধি অসমৰ মুখ্যমন্ত্ৰী হৈ থাকোতে তেখেতক কৈ Assam House-ত এটা ৰুম A.S.L. Club-ৰ বাবে লোৱা হৈছিল । সেইটোৱেই বৰ্তমান A.S.L. Club-ৰ ৰুম । ১৯৫৫-৫৬ চনৰ Executive Committee-

ৰ Photo এখন মোৰ তাত আছিল । সেইখন কামত লাগিব বুলি হাজৰিকাই লৈ গৈছিল । সেই সময়ত হাজৰিকা A. S. L. Club-ৰ Adviser হিচাপে আছিল । ১৯৫৭ চনত মই কলিকতাৰ Thomas Duff and Company Ltd.-ৰ Personnel officer হিচাপে সোমাওঁ কাৰণে A.S.L. Club-ৰ বিশেষ কামবোৰত যোগ দিব পৰা নাছিলো, মই কোম্পানীৰ কামত ১৯৬০ চনলৈ আছিলো । সদায় তিতাগড় মিললৈ যাবলগীয়া হৈছিল কাৰণে বহুতো কামত মোক Member সকলে লগ পোৱাত অসুবিধা হৈছিল । ১৯৬০ চনত মই গুৱাহাটীলৈ আহি Assam Tribune Press-ত Personnel Officer cum Secretary হিচাপে যোগদান কৰো ।

১৯৬২ চনত হাজৰিকাই লিলি লেভি নামৰ ইহুদী ছোৱালী অৰ্থাৎ আমাৰ বৰ্তমান বৌক বিয়া কৰায় । বৌয়ে সেই সময়ত Telephone Dept. কাম কৰি আছিল । পিছত সেই কাম এৰি দিয়ে । তেওঁৰ দুজনী ছোৱালী । বৰ্তমান এজনী ইজৰাইলত আৰু আনজনী London-ত থকা বুলি জানো ।

হাজৰিকাই সকলোৰে পৰা আনৰ উপকাৰ কৰি ভালপোৱা বিধৰ ল'ৰা আছিল । তেওঁ স্কুলত পঢ়াদিনত স্কাউট আছিল আৰু সেই সময়ত Select হৈ দিল্লী আদিত Scout মেলাবোৰত যোগদান কৰিছিল ।

কলিকতালৈ যোৱা আমাৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰী বা আন মানুহেও হাজৰিকাৰ পৰা নানাভাৱে সহায় পাইছিল কাৰণে হাজৰিকাক বিচৰা মানুহ বহুত আৰু তেওঁৰ লগত চিনাকিও । অসম সোমোৱাৰ লগে লগে তেওঁক বিচৰা মানুহৰ ইমান ভীৰ যে আমি কেতিয়াবা তেওঁক দেখাৰ সুযোগেই নাপাওঁ । মাথোন Phone-ত তেওঁ অহাৰ বাতৰিহে পাওঁ । তথাপিও সেই ব্যস্ততাৰ মাজত তেওঁ সুৰুঙা উলিয়াই নহাকৈ নাথাকে ।

হাজৰিকাৰ Esplanade East ত থকা ঘৰত ᐟদেৱকান্ত বৰুৱা ᐟমহেন্দ্ৰ মোহন চৌধুৰী আদি বহুতেই কলিকতালৈ অহা যোৱা কৰোতে তেওঁৰ তাতে থাকি খাই-বৈ সময় কটাইছিল । হাজৰিকাৰ বৰ্তমান বাসস্থান এসময়ত ৰাজনীতিবিদ সকলৰো সংযোগ স্থান আছিল । হাজৰিকা বহুতৰে মৰমৰ পাত্ৰ এই কাৰণেই যে তেওঁ নিস্বাৰ্থভাৱে প্ৰায় সকলোকে সহায় সুবিধা আগবঢ়াইছিল আৰু এতিয়াও এই বয়সতো আগৰণুৱা ।

ককাইদেউ হেম বৰুৱা যোগেশ হাজৰিকাৰ সান্নিধ্যত ভালে কেইবছৰ আছিল বাবে হয়তো আমাতকৈ তেওঁ বহু কথা জানে । সেয়ে তেওঁৰ মুখেৰেই

যোগেশ ককাইদেউৰ কথা জানিছিলো । এই মহান ব্যক্তিজনৰ সান্নিধ্য আমাৰ বাবে কম আপুৰুগীয়া নহয় ।

এতিয়াও আমি ককাইদেউৰ পৰা মৰম-চেনেহ, সহায় আদি পাই আছো । অসমবাসীৰ প্ৰতি থকা ককাইদেউৰ মৰম, অসমীয়া কলা-সংস্কৃতিৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা, অনুৰাগ অপৰিসীম । বিয়াই-সবাহে লিলি বৌক অসমীয়া পোচাক সাজ পিন্ধাই ককাইদেৱে অনাবিল তৃপ্তি অনুভৱ কৰে আৰু লিলি বৌৱেও ইজৰাইলৰ ছোৱালী হৈ সেই সাজ পিন্ধি অসমীয়া বোৱাৰী বুলি গৌৰৱ অনুভৱ কৰে ।

মোৰ এই ক্ষুদ্ৰ লিখনিৰে ককাইদেউৰ উদাৰতা, বদান্যতা, কষ্টসহিষ্ণুতা আৰু সমাজ মুখিতাৰ কথা এইবাবেই লিখিছো যে ককাইদেৱে নিজৰ কষ্ট আৰু সাধনাৰ বলত আৰু অধ্যৱসায়ৰ জোৰত প্ৰবাসত থাকি নিজৰ নাম জ্যোতিৰে উদীপ্ত হ'ব পাৰিছে । তেওঁ আমাৰ বাবে এক আদৰ্শ আৰু প্ৰেৰণা । জীৱন সংগ্ৰামত সংগ্ৰাম কৰি ভাগৰি নপৰা আমাৰ মৰমৰ যোগেশ ককাইদেউ চিৰসেউজ হৈ থাকক, এয়ে আমাৰ কামনা । আমি সকলোৱে তেওঁৰ দীৰ্ঘায়ু কামনা কৰিছো ।

শ্ৰদ্ধেয় যোগেশ হাজৰিকাৰ চমু বৃত্তান্ত

শ্ৰী ৰূপকান্ত ডেকা

আজিৰ পৰা তিনিকুৰি বছৰৰ পূৰ্ব্বে, ইং ১৯৩৬ চনত, মঙ্গলদৈ চৰকাৰী হাইস্কুলত চিলভাৰ জুবিলী উৎসৱ অনুষ্ঠিত হয় । এই অনুষ্ঠানলৈ ৰঙামাটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৺হলিৰাম ডেকাই (লিখকৰ দেউতা) মোক লৈ আনিছিল । কাৰণ সেই বছৰতে প্ৰাথমিক বৃত্তি পৰীক্ষা দিব লাগিব । কাৰণ মঙ্গলদৈ চহৰখন এবাৰ দেখুওৱাটো খুব আৱশ্যক বুলি বিবেচনা কৰিছিল । সেই সুযোগতে উক্ত জুবিলী উৎসৱ চাবলৈ ভাগ্যত ঘটিছিল । উক্ত উৎসৱত বহু ধৰণৰ খেল-ধেমালিৰ উপৰিও এখন ফেঞ্চি ফুটবল খেল হৈছিল । এই খেলত হাজৰিকা দেৱে ভুটীয়াৰ বেশ ধৰি দেখুওৱা খেলখন চাই ৰাইজ তথা দৰ্শকবৃন্দ অতিশয় স্তম্ভিত হৈছিল । আনকি তেখেতৰ ব্যক্তিগত পৰিচয় পাবৰ কাৰণেও বহুতৰে হাবিলাস হোৱা দেখা গৈছিল ।

এই খিনিতে এষাৰ কথা উল্লেখ কৰিবলগীয়া হলোঁ । সেই কালত ভুটীয়া বিলাক পাহাৰৰ পৰা ভৈয়ামলৈ বেপাৰ-বাণিজ্য কৰিবলৈ আহে । সেই সুবিধাতে ভুটীয়াৰ পোচাক পিন্ধি ভুটীয়া যেন হে পৰাত দৰ্শকৰ মনত কৌতূহল জন্মে । সেই বছৰতে ৰঙামাটি প্ৰাইমাৰী স্কুলত এটা স্কাউটিং ট্ৰেইনিং কেম্প অনুষ্ঠিত হয় । ভালকৈ মনত পৰে হাজৰিকা দেউৰ লগত বৰ্তমান শ্ৰীৰমাকান্ত হাজৰিকা, ডাঃ অৰুণা ৰঞ্জন ৰয়, ৺শিৱপ্ৰসাদ শৰ্ম্মা, ৺তৰণী কান্ত ডেকা আদি কেইবাগৰাকী ছাত্ৰই স্কাউটিং খেল দেখুৱাই অসমীয়া ৰাইজ তথা ছাত্ৰ-ছাত্ৰী বিলাকক মনত আমোদ দিছিল । ইয়াৰ ভিতৰত হাজৰিকা অন্যতম আছিল ।

১৯৩৭ চনত ভাগ্যক্ৰমে মঙ্গলদৈ চহৰৰ সোঁমাজতে থকা সৰু খেৰী জুপুৰী ঘৰ এটাত থাকি এই লেখকে চৰকাৰী হাইস্কুলত পঢ়িছিলো । এই কেম্পতে ডাঙৰ ঘৰ এটাত হাজৰিকাদেউ তেখেতৰ ভ্ৰাতৃ ৺গোলাপ হাজৰিকা আৰু বৰ্তমান লক্ষীমপুৰৰ প্ৰাক্তন এম, এল, এ, মুক্তি যোদ্ধা শ্ৰীমহানন্দ বৰাই ৺কুমুদ বৰা অধিবক্তাৰ তৰণি কাম কৰি একেলগে আছিল । কেম্পত থকা সকলৰ ভিতৰত বয়োজ্যেষ্ঠ হাজৰিকাদেৱক বাসিন্দা সকলে ভক্তি কৰিছিল আৰু তেখেতৰ

সুপৰামৰ্শ আদি গ্ৰহণ কৰিছিল । আমালোকৰ প্ৰতি তেখেত অতিশয় স্নেহশীল লোক আছিল ।

১৯৩৮ চনত এই লেখকে উক্ত কেম্প এৰি ভেবাৰ ঘাটৰ শ্ৰদ্ধেয় ˇদীন চহৰীয়া হেডমাষ্টাৰ দাদাৰ সান্নিধ্যলৈ আহোঁ । ১৯৩৯ চনত হাজৰিকাদেৱ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা লবৰ কাৰণে কলিকতালৈ যায় । সেই দিন ধৰি তেখেতৰ লগত আৰু দেখা-সাক্ষাৎ হোৱা নাই । বিশেষ কাৰণত তেখেতৰ ঠিকনা লৈ চিঠি এখন প্ৰেৰণ কৰাত, ইং ২৫/১২/৯৪ তাৰিখে ফটোসহ তেখেতৰ লিখনি এটি পাই অত্যন্ত আনন্দিত আৰু সুখী হৈছোঁ । বিশেষ মন কৰিব লগা কথা, পণ্ডিত ˇদীনেশ্বৰ শৰ্ম্মাৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ কাৰণে উদযাপন কমিটিৰ অনুৰোধক্ৰমে এক হাজাৰ টকাৰ চেক এখন হাজৰিকা দেৱে প্ৰেৰণ কৰাত কমিটি তথা ৰাইজে অশেষ কৃতজ্ঞতা জ্ঞাপন কৰে আৰু এটি প্ৰস্তাৱ গ্ৰহণ কৰি হাজৰিকাদেৱলৈ প্ৰেৰণ কৰে ।

সদৌশেষত হাজৰিকাদেৱে পৰিয়ালৰ সহিত সুদীৰ্ঘকাল সুস্বাস্থ্যৰে জীৱন যাপন কৰক । তাকে উদাৰচিতে কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো । জয়হিন্দ ।

বিন্দুৰ পৰা সিন্ধুলৈ

নৰেন হাজৰিকা

জীৱনৰ আন এটি নাম সংগ্ৰাম ।

ই বৰ নিষ্ঠুৰ আৰু বৰ কঠোৰ । ঘাট-প্ৰতিঘাটৰ খলাবমাত পৰি আঘাট পোৱা যায় । এই আঘাটত যদি ভাঙি পৰে ; তেন্তে পিছলৈ যাব লাগিব – তেৱেঁই হয় দুৰ্ব্বল । কিন্তু আঘাটত ভাঙি নপৰি যদি তাক চেলেঞ্জ হিচাবে লোৱা হয় – তেন্তে সেই প্ৰতি আঘাটেই হ'ব উৎসাহী আৰু অধিক সাহসী ।

যাৰ জীৱন কেৱল আগলৈ চোৱাৰহে – সেইজন মানুহৰ জীৱন কেৱল কৰ্ম্মসূচীৰ ভিতৰতে থাকে । তেওঁৰ জীৱন পঞ্জীকাৰ নতুন পৰিকল্পনা আৰু আঁচনিৰ সমুজ্বলতাই বেছি প্ৰাণান্তকৰ সাধনাৰে পৰিবেষ্টিত হৈ সময়ৰ কাৰ্য্যৰ আগতহে লৰবি যায় ।

মোৰ শ্ৰদ্ধেয় খুড়া যোগেশ হাজৰিকা । প্ৰবন্ধৰ নায়ক । যি কেতিয়াও জীৱনৰ গতিপথত থমকি ৰোৱা নাই, পিছলৈ উভতি চোৱা নাই । অতীতক কোনোদিন ৰোমন্থন কৰা নাই । সময় নষ্ট কৰি অবাবত কটোৱা নাই । গতিশীল এক পৰিকল্পিত জীৱন ।

খুড়াই, পিছপৰা (মঙ্গলদৈৰ পকাবাডী) গাৱঁত জন্ম লাভ কৰি দুখকে সাৰথি কৰি জীৱন আৰম্ভ কৰিছিল । ভাবিলে আচৰিত লগা এই আওহতীয়া গাঁওৰ পৰা যেন সূৰ্য্যৰ ৰশ্মি বিচাৰি তেওঁ হাবাথুৰি খাইছিল । মনে-মনে ভাবিছিল হয়তো কেনেবাকৈ সূৰ্য্যৰ বশ্মি দেখা পাব পাৰিলেও, সেই ৰশ্মিৰ পোহৰতে আগলৈ আৰু আগলৈ গৈ থাকিব ।

ৰাষ্টা-ঘাটৰ অভাৱত খোজ দিব নোৱাৰা ঠাইখনত এই কল্পনা অবাস্তৱ আছিল যদিও তাকেই বাস্তৱত পৰিণত কৰাৰ স্পৃহাই তেওঁক জোৰ দি ধৰিছিল । কিবা এক অদম্য হেঁচাৰ তাড়নাত তেওঁ হৈ পৰিছিল ব্যাকুল । তেওঁ জানে এইয়া তেওঁৰ মাথো অলীক সপোনহে । তাক বাস্তৱত ৰূপায়িত কৰাটো অতি কষ্টকৰ ।

দিনৰ পিছত দিন গৈ থাকিল ।

গাঁৱলীয়া এক পৰিবেশৰ গতানুগতিক খোজত তেওঁ আগবাঢ়ি গৈ থাকিল কিবা এটাৰ আশাত । এসময়ত প্ৰাথমিক শিক্ষা শেষ কৰি তেওঁ মঙ্গলদৈ চহৰৰ হাইস্কুলত নাম লগাইছিল । এয়া তেওঁৰ জীৱনৰ নতুন সংযোজন । ঘৰুৱা কাম-কাজত মানুহজন নিপুণ তথা সদা ব্যস্ত আছিল । হালবোৱা, পুখুৰীৰ পৰা পানী-তোলা আদি প্ৰতিটো গৃহস্থালী কামেই তেওঁ কৰিব লগা হৈছিল । পৰিয়ালৰ মাক, বাইদেৱেকহঁতে ভূঁই ৰুবলৈ গ'লে, ঘৰত হাঁহ-পাৰ বন্ধা, পানী তোলা, বয়-বস্তু চপোৱা কোনোটো কামেই নকৰাকৈ নাছিল কণমানি খুড়াই ।

তেওঁৰ মন আগবাঢ়িছিল এখন নতুন পৃথিবীলৈ য'ত তেওঁ পাব যেন নতুন আশা, নতুন প্ৰেৰণা । সেই সময়ত তেওঁৰ সান্নিধ্যলৈ অহা শ্ৰীদেৱকান্ত বৰুৱাই (অকণ) Rtd. S.P. কৈছিল, হাজৰিকাৰ পঢ়া-শুনাৰ স্পৃহা আৰু ধাউতি দেখি অনুমান হৈছিল, এদিন জীৱনত বেচেৰাই কৃতকাৰ্য্য লাভ কৰিব পাৰিব । হেডপণ্ডিত ৰমনী বৰুৱাই, প্ৰতিজন ছাত্ৰক দেখা মাত্ৰকে বুজিব পাৰিছিল, কোন ছাত্ৰ কোন বিধৰ । হেডচাৰক দেখা মাত্ৰকে ভয়ত কম্পমান হৈছিল সমূহ ছাত্ৰ । হাজৰিকা খুড়া অলপ দুষ্ট প্ৰকৃতিৰ, তীখৰ আছিল যদিও হেডচাৰৰ ভয়তে দুষ্টালি কৰিব পৰা নাছিল । খুড়াদেৱে যেতিয়া এণ্ট্ৰেঞ্চ পৰীক্ষা দিয়ে তেতিয়া আমাৰ ঘৰতে থাকি পঢ়া-শুনা কৰিছিল । অভাৱগ্ৰস্ত পৰিয়ালৰ মানুহটোৱে আৰ–তাৰ পৰা সাজ-পোচাক খুজিলৈ হাজাৰ সমস্যাকো নেওচি মেট্ৰিক পৰীক্ষাত বহিছিল । মেট্ৰিক পাছো কৰিছিল । হাজৰিকা খুড়াই সুখ্যাতিৰে মেট্ৰিক পাছ কৰাত গাঁওবাসীয়ে অতিশয় আনন্দ পাইছিল । সেয়ে নহয় সমূহ গাঁৱৰ ৰাইজে নাম কীৰ্ত্তনেৰে, (নামধৰা বোলে) হাজৰিকাৰ সফলতাক অভিবাদন জনাই, ভগৱানৰ ওচৰত কুশল কামনাৰ অৰ্থে প্ৰাৰ্থনা জনাইছিল । অৰ্থ হৈছে, পিছপৰা আমাৰ এই অঞ্চলত হাজৰিকা খুড়াই আছিল প্ৰথম মেট্ৰিক পাছ কৰা ছাত্ৰ ।

খেলা-ধূলাতো হাজৰিকা খুড়া আছিল অতি পাকৈত আৰু আগৰণুৱা । নিজে খেলা-ধূলা কৰাৰ উপৰিও, লগৰীয়া, সমনীয়াবোৰক ধৰি-টানি আনি খেলা-ধূলাত লগাইছিল । হাজৰিকা খুড়াৰ খেলা-ধূলাৰ প্ৰতি থকা আগ্ৰহ আৰু প্ৰীতিক প্ৰসংশা কৰি মোৰ দেউতা প্ৰয়াত বগীৰাম হাজৰিকাই, পঞ্চমুখ হৈ কৈছিল, "যোগেশ্বৰৰ দৰে ল'ৰাবোৰেহে জীৱনত আগবাঢ়িব পাৰে । যি দুখ-শোককো হাঁহিৰে উৰুৱাই দিব পাৰে ।"

গাঁৱলীয়া পৰিবেশৰ চাৰিসীমাই তেওঁৰ দূৰন্ত প্ৰসাসী মনটোক বান্ধি ৰাখিব

পৰা নাছিল । ঘৰতে আবদ্ধ হৈ থাকিবলৈ তেওঁ ভালপোৱা নাছিল । পঢ়া-শুনাৰ প্ৰতি মনোযোগ টুটি আহিছিল । আটাইতকৈ ডাঙৰ কথা হাজৰিকা খুড়াৰ নিজৰ ভাষাৰে, "মোৰ আগৰ পৰাই পঢ়া-শুনাতকৈ কিবা এটা কৰাৰ হে মতলব । চাকৰি বা ব্যৱসায় । সকলোৱেই হাজৰিকা খুড়াৰ উচ্চ মনোভাৱৰ উমান পাইছিল ।

প্ৰতিটো কামতেই তীক্ষ্ণ-বুদ্ধি সম্পন্ন হাজৰিকা সৰুৰে পৰাই আছিল স্মাৰ্ট । নমুনা হিচাপে "ইব্ৰাহিম আলিয়ে কোৱা কিছু মন্তব্যৰ উদ্ধৃতি দিলো । স্কুলৰ স্কাউটত নাম ভৰ্ত্তি কৰিয়েই, খুড়াই, স্কাউট চাৰৰ মন আকৰ্ষণ কৰিছিল । এজন স্কাউটৰ কি কৰ্ত্তব্য খুড়াই সম্পূৰ্ণ আয়ত্ব কৰি সম্পূৰ্ণ স্কাউট হিচাপে পৰিগণিত হৈছিল । সকলোবোৰ আঁচনিতে খুড়া নিৰ্ব্বাচিত হোৱাৰ উপৰিও, পৈণত স্কাউট হিচাপে বগা চাহাবৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল । এজন দক্ষ-স্কাউট হিচাপে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ যোৱাৰ বাবে তেওঁ মনোনীত হৈছিল ।

ভাগ্যই খুড়াক যেনি তেনি টানিব ধৰিলে । নতুনৰ সন্ধানত অনুসন্ধিৎসু মনে বিচাৰিব ধৰিলে জীৱনৰ সুন্দৰ গতিপথ । হঠাতে এদিন গাঁও এৰি, প্ৰদেশ এৰি গুছি গৈছিল প্ৰবাসী অসমীয়া হিচাপে কলিকতা মহানগৰীলৈ । অতি সাধাৰণ ঘৰৰ ল'ৰা হিচাপে তাত তেওঁ অতি কষ্টৰে কেবাবছৰো কটাব লগাত পৰিছিল । চাকৰি-বাকৰি নেপাই আনকি হোটেলত কামো কৰিব লগা হৈছিল । সেই সময়ত হাজৰিকা খুড়াৰ লগত একেলগে থকা শ্ৰীহেম বৰুৱাই কয় ; "যোগেশ্বৰে তেখেত সকলৰ লগত একেলগে থাকি কলেজত পঢ়াৰ কথা ভবা নাছিল । চাৰিওফালে চাকৰি বিচাৰি হাবাথুৰি খাই ফুৰিছিল । চৰকাৰী বা বেচৰকাৰী যি কোনো কোম্পানী এটিত এটা চাকৰিৰ নিযুক্তি তেওঁ বৰকৈ অনুভৱ কৰিছিল । প্ৰসঙ্গত এটা কথা উল্লেখ কৰিব লগাত পৰিছো । অসমীয়াই অসমীয়াৰ হাতত‍ে কেনেকৈ বঞ্চিত হ'ব লগা হৈছিল – তাৰ উদাহৰণ হাজৰিকা খুড়া নিজেই । ৰেলৱে ব'ৰ্ডৰ অসমীয়া সদস্য এজনে, ৰে'ল ব'ৰ্ডত চাকৰী এটি দিয়াৰ আশা দি শেষত চাকৰীটো দিয়াব নোৱাৰিলে । খুড়াৰ মনটো তেনে কাৰ্যত ভাগি পৰিছিল । প্ৰবাসী অসমীয়া আটাইবোৰেই, সদস্যজনে তেনে কৰাত আচৰিত হৈছিল ।

সেই সময়তে খুড়াই তেতিয়াৰ মুখ্যমন্ত্ৰী (প্ৰধানমন্ত্ৰী) "গোপীনাথ বৰদলৈৰ সান্নিধ্য লাভ কৰে । বৰদলৈ ডাঙৰীয়াৰ অনুপ্ৰেৰণাতেই খুড়াই কলিকতাত অসম চৰকাৰৰ ভালেমান কাম-কাজত সোমাই পৰে । আনকি কংগ্ৰেছৰ ভালেমান কামৰ দায়িত্ব খুড়াৰ ওপৰতেই পৰে । সক্ৰিয় ৰাজনীতিৰ ব্যক্তি নোহোৱা স্বত্ত্বে ও অসম কংগ্ৰেছৰ প্ৰায়বোৰ কামেই সুচাৰুৰূপে সমাধান কৰি, কৰ্ম্মী পুৰুষৰ পৰিচয় দিব

পাৰিছিল । ঁমহেন্দ্ৰ মোহন চৌধুৰী, ঁবিমলা প্ৰসাদ চলিহা, ঁফকৰউদ্দিন আলি আহমদ, শ্ৰীশৰৎ চন্দ্ৰ সিংহ আদি নেতা সকলৰ লগত দিল্লীলৈ গৈ অসমৰ প্ৰায়বোৰ কাম কেন্দ্ৰীয় চৰকাৰৰ পৰা আদায় কৰি অনাত হাজৰিকাৰ ভূমিকা আছিল প্ৰসংশনীয় । যি কোনো কামেই নহওক কিয় তাক সমাধান নকৰালৈকে তেওঁ এৰি দিয়া নাছিল । কিন্তু পৰিতাপৰ বিষয় ইমানখিনি কৰাৰ পিছতো তেওঁ আজিলৈ কোনো আকাঙ্খিক্ষত পদবী এটিও নেপালে । অৱশ্যে এইটোও ঠিক কোনো পদবীৰ লোভ খুড়াৰ নাছিল । মাথোন স্বদেশ আৰু স্বজাতিৰ কল্যাণৰ হকে কাম কৰি যোৱাটোকেই তেওঁ জীৱনৰ পৰম বৈশিষ্ট বুলি ভাবি লৈছিল ।

তাৰ পিছত এদিন পুনৰ হাজৰিকা খুড়া ইংৰাজ কোম্পানী এটিত সোমাই পৰিছিল । য'ত তেওঁ দোপতদোপে ওপৰলৈ উঠি গৈ শেষত কোম্পানীটোৰ এজন শীৰ্ষ বিষয়া হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল । অতি কম শিক্ষাৰে, বিদেশী কোম্পানীৰ শীৰ্ষ বিষয়াৰ পদত কাৰ্য্য নিৰ্বাহ কৰা হাজৰিকা খুড়াই প্ৰথম অসমীয়া বুলি কলে ভুল কৰা নহ'ব নিশ্চয় ? দৈনন্দিন জীৱনৰ সকলো ক্ষেত্ৰতে এটা চাহাবী গোন্ধ থকা ভাৰতীয় এজন চাহাব হৈ তেখেতে অভাৰতীয় এগৰাকী নাৰীৰ লগত বিবাহ পাশত আবদ্ধ হয় । নামত অভাৰতীয় হলেও তেখেতৰ সহধৰ্ম্মিণী শ্ৰীমতী লিলি লেভি হাজৰিকাই সম্পূৰ্ণ ভাৰতীয় আচাৰ-ব্যৱহাৰেৰে সকলোকে মোহিত কৰিব পাৰিছে । এই সম্পৰ্কত ডঃ মহেন্দ্ৰ বৰাই, "উপলা নদীৰ দৰে" নামৰ গ্ৰন্থত অভাৰতীয় এই মহিলা গৰাকীৰ সম্পৰ্কে কৰা মন্তব্য অতি প্ৰণিধানযোগ্য । অন্য নহলেও অসমৰ পৰা যিবোৰ মানুহ গৈ তেখেতৰ ঘৰত আলহী হিচাপে উপস্থিত হৈছিল – সেই সকলৰ কোনোজনেই এই গৰাকী মহিলা অভাৰতীয় বুলি ভাবিবৰ থল নাই ।

মোৰ কথাৰে ঃ হাজৰিকা খুড়া কি আছিল তাৰ আজি আমি কোনো লেখ ল'ব নগলেও এটি কথা আমি স্পষ্টকৈ ক'ব পাৰো যে, তেখেত সাহিত্যিক নহয় – কিন্তু সাহিত্যৰ পূজাৰী । সমাজ সেৱক হিচাপে চৰকাৰী স্বীকৃত নহয় – কিন্তু এজন সমাজৰ প্ৰকৃত সেৱক । তেখেত ৰাজনীতিবিদ নহয় – কিন্তু সক্ৰিয় ৰাজনীতিৰ এজন নিষ্ঠাবান কৰ্ম্মী । বিনিময়ত কিন্তু কাহানিও একো বিচৰা নাই মানুহজনে । মানুহৰ মাজতেই সোমাই পৰি সদা সৰ্বদা আত্মসুখতে, মানৱসেৱা কৰি গৈছে । মাজে সময়ে তেখেতৰ দুই এটি লিখনিও পোৱা যায় । কলিকতা সাহিত্য চ'ৰাৰ লগত একাত্ম হৈ, (সভাপতি) ভাষা জননীৰ মঙ্গলাৰ্থে যি পাৰে কৰি আছে ঐকান্তিক প্ৰচেষ্টাৰে । ঁগোপীনাথ বৰদলৈ দেৱৰ জন্ম শতবাৰ্ষিকী কলিকতা আৰু

দিল্লীত অনুষ্ঠিত কৰি ভাৰতৰ বিভিন্ন প্ৰান্তলৈ বৰদলৈদেৱৰ চিন্তা-চৰ্চ্চা আৰু জীৱন দৰ্শনক প্ৰচাৰ কৰি, অসমীয়া সমাজৰ ৰীতি-নীতি আৰু জাতীয় সত্ত্বাৰ লগতে অসমীয়া ভাষা সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ হকে বিভিন্ন ভাষা-ভাষীৰ মাজত এইবোৰৰ পৰিচয় কৰাই দিছিল । ক্লান্তি অনুভৱ কৰা নাছিল কোনো দিনেই । দেশাত্মবোধৰ এইয়া এক পবিত্ৰ চানেকি ।

আজি যোগেশ হাজৰিকাদেৱৰ ওপৰত প্ৰকাশ কৰিবলৈ লোৱা, জীৱনীগ্ৰন্থৰ বাবে পৰম সন্তোষ পাইছো । তেখেতৰ দীৰ্ঘায়ু কামনাৰে তেখেতৰ ইপ্সিত, স্পৃহা আৰু আগলৈ মাথো আগলৈ কাম কৰি যোৱাৰ প্ৰেৰণাক স্বাগতম্ জনাইছো । বিন্দুৰ পৰা সিন্ধুলৈ গতি কৰাৰ অদম্য হেঁপাহৰ বাবে হাজৰিকা খুড়া আমাৰ তথা উত্তৰ পুৰুষৰ কাৰণে আলাউদ্দিনৰ বন্তি ৰূপে জ্বলি থাকিব । এটি বিন্দুৰ পৰা সিন্ধুলৈ অৱতীৰ্ণ হোৱা এই মানুহজন আজি কলিকতাৰ মাজমজিয়াত নিজৰ স্বকীয় বুদ্ধি-বৃত্তিৰে প্ৰতিষ্ঠিত হোৱাটো আমাৰ কাৰণে অতি গৌৰৱৰ কথা । ইণ্ডিয়ান ৰাইটাৰ্ছ এচোচিয়েচন হাজৰিকা দেৱক, জীৱনীগ্ৰন্থৰ জৰিয়তে অভিনন্দন জনাবলৈ লোৱা কাৰ্য্য সময়োচিত হৈছে বুলি আমি ভাবিছো । এনেবোৰ কাম অসমীয়া ভাষা-সাহিত্য আৰু জাতিৰ কাৰণে প্ৰেৰণাদায়ক । হয়তো হাজৰিকা দেৱে শেষ মুহূৰ্ত্তলৈ চিঞৰি-চিঞৰি ক'ব ঃ দহৰ বাবে, দেশৰ বাবে কিছু কৰিব পৰাৰ সমান আনন্দ আৰু একোতেই নাই । সেই আনন্দৰ জ্যোতি-কণিকা সিঁচৰিত হ'ব চৌদিশে । এই মহানুভৱ ব্যক্তিজনৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ মিশ্ৰণৰ কাৰ্য্যৱলীয়ে হওঁক আমাৰ ভৱিষ্যতৰ কৰ্ম্মপন্থা ।

সময়ে আঁচুৰিব নোৱাৰা মানুহজন

পৰাগ ফুকন

আমি আমাৰ ব্যক্তিত্বত নথকা কেতবোৰ গুণ, যিবোৰ থকাটো অথবা আয়ত্ব কৰাটো মনে মনে বিচাৰো, আন কোনো ব্যক্তিৰ মাজত দেখিলে সম্মোহিত হওঁ আৰু সেই ব্যক্তিজনৰ প্ৰতি আকৰ্ষিত হওঁ । ই মানৱৰ এক সহজাত প্ৰকৃতি । যদিহে সেই গুণবোৰ সূক্ষ্ম আৰু অত্যন্ত মানৱীয় হয় এই আকৰ্ষণৰ চোক আৰু তীব্ৰ হয় । শ্ৰীযুত যোগেশ হাজৰিকাৰ ব্যক্তিত্বৰ প্ৰতি মোৰ আকৰ্ষণৰ মূল কাৰণ হয়তো এয়ে । হাজৰিকাক এবাৰ লগ পালে আকৌ লগ পাবলৈ মন গৈ থকাটো এটা যেন আসক্তি, এক নিচা ।

যোগেশ হাজৰিকা – নতিউচ্চ অবয়ৱেৰে এক বৰ্ণাঢ্য ব্যক্তিত্ব । প্ৰায় চাৰি কুৰি বছৰীয়া পূৰ্ঠ বয়সৰ এক 'চফল ডেকা', A man is as old as he feels, আমি নিজকে যিমান বুঢ়া বুলি ভাৱো আচলতে আমি সিমান বুঢ়া । দেহাটো এটা সজাহে । সজাটো পুৰণি হলেই ভিতৰত থকা মন-বিহঙ্গমৰ যৌৱনাদীপ্ত মিঠা মাতৰ সোৱাদ কমি যাব লাগিব বুলি কোনো কথা নাই । 'The body is like a chained-up dog, the mind leads it around'. যোগেশ হাজৰিকা ইয়াৰ জলন্ত উদাহৰণ । ৰাতি পুৱাৰ পৰা মাজ নিশালৈকে যিসময়তে লগ নাপাওক কিয় মানুহজন সদায় 'চুটেড-বুটেড' এণ্ড 'ৰেডি ফৰ এনিথিং' । কলিকতা মহানগৰীৰ পাগল কৰি দিব পৰা ব্যস্ততা, উশাহ-নিশাহ বন্ধ হৈ যাব খোজা প্ৰদূষণ আৰু ট্ৰেফিক জেমৰ অতিশয্যাৰ মাজেদি পাৰ হৈ আজিও তেওঁ সদায় তজবজীয়া । মানুহজনৰ লগত মোৰ দুই দশকৰ ওপৰৰ সান্নিধ্যত মই তেওঁৰ মুখত কেতিয়াও ক্লান্তি দেখা নাই । কেতিয়াবা দুপৰীয়াৰ সাজ একেলগে খোৱাৰ পিছত চকীতে বহি চকু জপাই থকা দেখিছো । নিদ্ৰা নহয়, তন্দ্ৰাহে । মাত্ৰ কেইমিনিটমান – তাৰ পিছত আকৌ ফিট্, গোটেই জগত জিনিবৰ বাবে হাজৰিকা সাজু ।

এছপ্লেনেডৰ চাৰিমহলীয়া থিয় কাঠৰ চিৰিৰ ঘৰটোলৈ মানুহজনে দিনটোত কিমানবাৰ উঠা-নমা কৰে কোনে হিচাপ ৰাখিছে ? আপুনি থিয় চিৰিবোৰৰ মাজে-মাজে উশাহ সলাই গৈ থাকোতে দেখিব হাজৰিকা কট্‌ক-কট্‌ক কৈ গৈ ওপৰ পালেগৈয়েই । টেলিফ'ন কৰক, এটা বা দুটা ৰিঙতে উত্তৰ পাব । লগ পাবলৈ

সময় দিয়ক, পাঁচ মিনিট আগতেই আহি হাজৰিকা হাজিৰ । তেহেলৈ সেয়া বিমান বন্দৰেই হওঁক বা ডিনাৰ পাটিয়েই হওঁক । সময়ত নেজত নহয় টিকনিত ধৰি ফুৰা মানুহ যোগেশ হাজৰিকা । সময় তেওঁৰ হাতৰ মুঠিত । এই মানুহজনৰ বয়স হৈছে বুলি কবনে ? যোগেশ হাজৰিকা কেতিয়াও বুঢ়া নহয় । তেওঁ বুঢ়া হ'ব নাজানে ।

খাইক প্লেছৰ সেই অকণমানি অফিচ এটাৰ পৰা কোনোবাই ইমান বহল পৰিসৰত বিচৰণ কৰিব পাৰে বুলি ভাবি আচৰিত লাগে । লগ নোপোৱা মানুহ নাই, চিনি নোপোৱা মানুহ নাই, ভাগ ল'ব নজনা কথা নাই । দৰাচলতে যোগেশ হাজৰিকা নিজেই এক অনুষ্ঠান, An institution in himself. হাজৰিকাক এবাৰ লগ পালে সাধাৰণতে কোনেও পাহৰিব নোৱাৰে । তেওঁ আপোনাক পাহৰাৰটো প্ৰশ্নই নুঠে । কাৰণ মানুহ লগ পোৱা, জনা আৰু সম্বন্ধ নিবিড় কৰাটো তেওঁৰ এক নম্বৰ প্ৰাথমিকতা । Top priority. It comes naturally to him. আমিও বহুমানুহ চিনাকি হওঁ, লগ পাওঁ আৰু বেচিভাগকে হয়তো পাহৰি পেলাওঁ । যোগেশ হাজৰিকাৰ ক্ষেত্ৰত পিছে সেয়া নহয় । নতুন কাৰোবাক লগ পাই জানি লোৱাৰ পিছত তেওঁৰ মস্তিস্কৰ কেইটামান 'চেল' অভ্যাগতজনৰ বাবে লগে লগে 'বুক' হৈ যায় । তেওঁৰ মগজুত সেইবোৰ অনুক্ৰম হিচাপে নিয়াৰিকৈ সজোৱা থাকে । কম্পিউটাৰৰ বুটাম টিপিলে মনিটৰত ওলাই অহাৰ লেখীয়াকৈ কোনোবা এজন নিৰ্দিষ্ট মানুহৰ ৰেফাৰেন্স অহাৰ লগে লগে মানুহজনৰ সম্পূৰ্ণ নাম, ঠিকনা, চাকৰি, পৰিয়াল, তেওঁৰ উচ্চ-পদস্থ সম্বন্ধীয়ালৈকে আদিৰ ছবি এখন হাজৰিকাৰ চকুৰ আগত যেন ফট্-ফটিয়াকৈ ভাঁহি উঠে। আটাইৰে সৈতে তেওঁৰ ব্যৱহাৰ একেই । একেই আন্তৰিকতা, কোনো তাৰতম্য নাই । তেহেলৈ মানুহজন মন্ত্ৰীও হ'ব পাৰে বা সাধাৰণ পিয়ন এজনো হ'ব পাৰে । তেওঁৰ বাবে যেন, 'সবাৰ ওপৰে মানুষ সত্য, তাহাৰ ওপৰে নাই ।'

যোগেশ হাজৰিকাৰ লগত মই যোৱা এনেকুৱা কোনো কাৰ্য্যালয় পোৱা নাই য'ত তেওঁৰ কোনোবা নহয় কোনোবা চিনাকি বা কিবা ৰেফাৰেন্স ওলোৱা নাই । সেয়া উৰাজাহাজৰ টিকেটৰ কাউণ্টাৰেই হওক বা বৃটিছ কনচুলেটৰ পৰা বিদেশ ভ্ৰমণৰ বাবে 'ভিচা' লোৱা কাউণ্টাৰেই হওক । কেনেবাকৈ চিনাকি নাথাকিলে কি হ'ব ? লগ পোৱা বিষয়াজনৰ মনৰ ভিতৰলৈ সোমাবলৈ হাজৰিকাই কিবা এটা সুৰুঙা উলিয়াবই । বুধি পালে সন্ধি আৰু সন্ধি পালে হেজাৰ উপায় ।

হাজৰিকাৰ টেলিফ'নৰ নম্বৰ টুকি ৰখা বহীখনত যিমানবোৰ নম্বৰ লিখা আছে আন কাৰোবাৰ হাতত ইমানবোৰ নম্বৰ, টোকা আছে বুলি মই নেজানো ।

সেই টোকা বহীখন কিজানি Guiness Book of World Record-ত ঠাই পোৱাৰ উপযোগী । নম্বৰবোৰ যে এনেয়ে টুকি থৈছে সেয়া নহয় । এবাৰলৈ হলেও সেই টেলিফ'ন নম্বৰত তেওঁৰ সংযোগ ঘটিছেই । টেলিফ'নৰ সৈতে যেন যোগেশ হাজৰিকাৰ এক অভিন্ন সম্পৰ্ক ! সুন্দৰ আৰু নিয়াৰিকৈ চিঠি লিখাটো হাজৰিকাৰ আন এক পেচা । আপুনি চিঠি এখন দিয়ক উত্তৰ পাবই । ছপা আখৰৰ বিয়াৰ চিঠিৰো ৰেচপন্স পাব । পুৰণি টাইপ ৰাইটাৰটোৰ আখৰবোৰ খয় যাব পাৰে যন্ত্ৰটো পিছে আজিও চিক্-চিকাই আছে । সেইটোত মানুহজনে দুই আঙুলিৰে টুক্-টুককৈ টাইপ কৰি চিঠি লিখিয়েই আছে । এটি খামযে অন্ততঃ দুবাৰ ব্যৱহাৰ কৰিব পাৰি সেয়া মই হাজৰিকাৰ পৰা শিকা । চিঠি এখন পালে তেওঁ খামটো সাবধানে খুলি ততালিকে সম্পূৰ্ণকৈ ওভোটাই পেলায় । তেওঁৰ বহুদিনীয়া পুৰণি লগুৱা নিৰ্মলে ওভোটা ফালে আঠা লগাই এক নতুন খামৰ সৃষ্টি কৰে । এয়া হেনো তেওঁ পণ্ডিত জৱাহৰলাল নেহেৰুৰ লিখনিৰ পৰা ইন্স্পিৰেশ্বন পোৱা । এই কাম এক কৃপণালি যেন লাগিব পাৰে । কিন্তু আমি সকলোৱে যদি হাজৰিকাৰ দৰে এটা খাম অন্ততঃ দুবাৰ ব্যৱহাৰ কৰো কিমান বনজ-সম্পদ ৰাহি হ'ব ভাৰি চাওকচোন ?

যোগেশ হাজৰিকা যথাৰ্থতেই কলিকতাত অসমৰ অবৈতনিক, অনা চৰকাৰী মুখ্য জন সম্পৰ্ক ৰক্ষী বিষয়া । Chief Public Relation Man of Assam. মঙ্গলদৈৰ কোনো এক অখ্যাত গাঁৱৰ পৰা কেইবাদশকৰ আগেয়ে গৈ কলিকতা মহানগৰীৰ কোলাহল আৰু ব্যস্ত মিচিলৰ মাজত নিজ স্বকীয়তা বজাই দপ্‌দপাই থাকিব পৰাটো কম কথা নহয় । অফুৰন্ত কৰ্ম্মশক্তি, অদ্বিতীয় জনসম্পৰ্ক আৰু অদম্য অধ্যৱসায়ৰ দ্বাৰাহে যে'ই সম্ভৱ তাত কাৰো দ্বিমত থাকিব নোৱাৰে । তাৰউপৰি যোগেশ হাজৰিকাৰ আছে এক অনমিত 'চাৰভাইভেল ইনচ্‌টিংক্ট' । কলিকতা মহানগৰীৰ মানৱ সাগৰত তেওঁ যেন এক 'নোৱা' (Noah), সকলোবোৰ ডুবিলেও হাজৰিকা ওপঙি ৰ'ব । তেওঁৰ নাওঁ নুবুৰে ।

সময়ে ন'ত কৰিব নোৱাৰা এই মানুহজনৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো ।

কৰ্ম্মযোগী

ডাঃ কমি বৰুৱা

দৰং জিলাৰ সদৰ মঙ্গলদৈ নগৰৰ পশ্চিমে নাতিদূৰত ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ উত্তৰে অৱস্থিত ৰঙ্গামাটি মৌজাৰ পকাবাঙি গাঁওখনেই শ্ৰীযোগেশ হাজৰিকাৰ জন্মস্থান । সেই অঞ্চলত বিশিষ্ট সমাজকৰ্মী ^অঙ্গৰায় হাজৰিকা আছিল তেখেতৰ পিতৃ, মাতৃ ^মাদু হাজৰিকা । তেখেত সকলৰ চাৰিজন পুত্ৰ আৰু তিনিজনী জীয়াৰী সন্তানৰ হাজৰিকা ৪ৰ্থ সন্তান । অসমৰ সবাৰে পৰিচিত ব্যক্তি কলিকতা নিবাসী ^ দেহিৰাম হাজৰিকা আছিল তেখেত সকলৰ বৰপুত্ৰ । ৰেলৰে গাৰ্ড হিচাপে বৃটিছৰ দিনত বিশেষ দক্ষতা আৰু সুখ্যাতি লাভ কৰা এইজন ব্যক্তি আছিল সৰ্বজন প্ৰিয় ।

যোগেশ হাজৰিকাই স্থানীয় ছেঙেলীয়াপাৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাইমাৰী শিক্ষা লাভ কৰি মঙ্গলদৈ চৰকাৰী হাইস্কুলত পঢ়িছিল । ১৯৩৯ চনত মঙ্গলদৈ হাইস্কুলৰ পৰা সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ জৰ্জ টেলিগ্ৰাফী ট্ৰেইনিং স্কুলত শিক্ষা সাং কৰি চাকৰি জীৱন আৰম্ভ কৰে । ছাত্ৰ অৱস্থাৰে পৰা হাজৰিকা আছিল সকলোকে সকলো প্ৰকাৰে সন্তুষ্ট কৰিব পৰা গুণৰ অধিকাৰী । ত্ৰিশৰ দশকত হাইস্কুলীয়া ছাত্ৰ অৱস্থাত তেখেত স্কাউট আছিল । সেয়েহে তেখেতে সেই সময়ত গাঁওৰ মানুহৰ দুখ-দুৰ্দশা, বেমাৰ আজাৰৰ প্ৰতি ইমানেই সহানুভূতিশীল, সমব্যথী আছিল যে, এতিয়াও বয়োজেষ্ঠ সকলে তেখেতৰ গুণ বখানিয়েই থাকে । ১৯৩৬ চনত মঙ্গলদৈত অনুষ্ঠিত Silver Jubili উৎসৱ উপলক্ষে পতা ফেন্সি ফুটবল খেলত "ভূটীয়া"ৰ ভাও লৈ বল খেলোৱা হাজৰিকাক প্ৰথম দেখা মনত পৰে । তেতিয়া সম্ভৱ তেখেত ৭ম শ্ৰেণীৰ ছাত্ৰ আছিল । ১৯৩৮ চনৰ ডিচেম্বৰ মাহত মঙ্গলদৈ টাউনত তেখেতৰ লগত আমাৰ প্ৰথম পৰিচয় । বোধহয় সেই বছৰতে দিল্লীত অনুষ্ঠিত হৈছিল সদৌ ভাৰত "স্কাউট জাম্বুৰী" । অসমৰ পৰা প্ৰতিনিধিত্ব কৰা স্কাউট সকলৰ এজন হাজৰিকাও আছিল । লগত আছিল তেখেতৰ সহপাঠী ডাঃ অৱলাৰঞ্জন ৰায়, ^ তৰণীকান্ত ডেকা আৰু ^ শিৱ প্ৰসাদ শৰ্ম্মা এম, এল, এ । অসমীয়া সমাজৰ বিবাহ উপলক্ষে প্ৰচলিত "ঢেপাচুলীয়াৰ" ভাও প্ৰদৰ্শন কৰা হাজৰিকাৰ ফটো তেতিয়াৰ অসমীয়া

আলোচনী "আৱাহনত" দেখিবলৈ পাইছিলো । সেই সময়ত কলিকতালৈ পঢ়িব যোৱা ছাত্র হিচাপে হাজৰিকাৰ মনোবল তথা উচ্চমানসিকতা ; চিন্তা কৰিব লগা কথা কিয়নো সেই সময়ত উচ্চ শিক্ষাৰ ক্ষেত্রত গুৱাহাটী আমাৰ মনত কলিকতা সদৃশ আছিল । কলিকতা আমাৰ মনত লণ্ডন । এইজন সুশ্ৰী, স্বাস্থ্যৱান, তজ্‌বজীয়া, মিষ্টভাষী হাজৰিকাৰ প্ৰতি আমাৰ ভক্তি, ভালপোৱা অফুৰন্ত । আমাৰ বাবে আৰু বৰ্তমানৰ নতুন চামৰ বাবে হাজৰিকা প্ৰেৰণাৰ উৎস নিশ্চয় ।

স্বনামধন্য বিজ্ঞ শিক্ষাবিদ স্বৰ্গীয় হেডমাষ্টৰ ৺ৰমনী কান্ত বৰুৱাৰ ছাত্র আছিল হাজৰিকা । তেখেতৰ ঘৰখনৰ লগত গঢ়ি উঠা আত্মীয়তা আমি নিজ চকুৰে দেখিছিলো । জীৱনৰ ঘাট-প্ৰতিঘাট অতিক্ৰম কৰি কলিকতাত চাকৰি কৰি থকা অৱস্থাত আমি ১৯৪৮ চনত কলিকতালৈ গৈছিলো । তেখেত তেতিয়া আশুতোষ মুখাৰ্জী ৰড'ৰ ভাড়া ঘৰত বৰ্তমান গুৱাহাটীৰ ৰিহাবাৰী নিবাসী শ্ৰীহেমচন্দ্ৰ বৰুৱাৰ সৈতে মেচ কৰি আছিল । কলিকতাত দেখিছিলো সম্পূৰ্ণ ইউৰোপীয় সাজপাৰ পৰিহিত হাজৰিকাক । দেখিছিলো বিশিষ্ট বেঙ্গলী ভদ্ৰলোক সকলৰ পৰিয়ালৰ লগত নিবিড় সম্পৰ্ক । মানুহজনৰ নিয়মানুবৰ্ত্তিতা, কৰ্ত্তব্য পৰায়ণতা, দায়িত্ব বোধ (সামাজিক), সৎ চিন্তাশক্তি, উচ্চ মানসিকতা, ভদ্ৰতা ইমানেই অতুলনীয় যে, ৺গোপীনাথ বৰদলৈৰ পৰা আৰম্ভ কৰি ৺মহেন্দ্ৰ মোহন চৌধুৰীলৈ অসমৰ বিশিষ্ট ব্যক্তি সকলৰ সান্নিধ্য লাভ কৰিছিল । অসমৰ পৰা দিল্লীলৈ যাওঁতে তেখেত সকলে হাজৰিকালৈ অনাতাঁৰ বাৰ্তা পঠাই কলিকতাত মিলিত হৈছিল ।

আজি কেবাবছৰ ধৰি তেখেতক লগ পোৱা নাই । কিন্তু তেখেতৰ দুটা প্ৰতিচ্ছবি মন দাপোণত বিৰাজমান । বৰুৱা কাটৰ কুৰ্ত্তা আৰু দাবোল, লেংটি মৰা সেনগুপ্তৰ ধুতি পৰিহিত ছাত্র যোগেশ আৰু সম্পূৰ্ণ ইউৰোপীয় সাজপাৰ পৰিহিত যোগেশ হাজৰিকা ।

ইণ্ডিয়ান ৰাইটাৰ্ছ এচোচিয়েচন এই মহান ব্যক্তিজনৰ জীৱনপঞ্জী প্ৰকাশ কৰিবলৈ লোৱাত পৰম সুখ পাইছো । হাজৰিকাদেৱৰ আহি থকা দিনবোৰ সুমধুৰ হওক । জিন্দাবাদ ।

অতীতে মনত ৰিঙিয়ায়

শ্ৰী অতুল চন্দ্ৰ বৰুৱা

অসম বা অসমীয়াৰ হকে লাগ বুলিলে প্ৰাণ দিব পৰা এসময়ত লোক এজন আছিল – নাম দেহিৰাম হাজৰিকা । তেওঁ ঢুকাল । ঢুকাবৰ আজি প্ৰায় ডেৰ কুৰি বছৰমান হ'ল । তেওঁ সংসাৰ পাতিছিল, কিন্তু মনত কিবা বিৰাগ ভাব ওপজাত সংসাৰী হৈও বৈৰাগী হ'ল । সংসাৰ এৰিলে যে এৰিলেই । তেওঁৰ জীৱনৰ উপজীব্য আছিল চাকৰি ঃ ৰেলওৱেৰ চাকৰি । তেওঁ আছিল ৰেলৰ গাৰ্ড । চলন্ত জীৱন । ৰেলৰ দৰেই গতিশীল । বৈ নাথাকে । আজি অ'ত, কালি ত'ত । তাতেই বিপন্ন লোকক পালে নিজৰ জেপৰ ধন ভাঙিও তেওঁ সহায় কৰিছিল । প্ৰয়োজন হলে প্ৰাণ পৰ্য্যন্ত উছৰ্গা কৰিবলৈ আগবঢ়িছিল । অসমীয়া হলে কথাই নাই ।

নিজৰ কথা এটাকে কওঁ । ইংৰাজী ১৯৪৪ চনৰ কথা । তেতিয়া দ্বিতীয় মহাসমৰ চলি আছে । চলি থকাই নহয়, ই বিশ্বগ্ৰাসী, সৰ্ব্বনাশী ৰূপ ধাৰণ কৰিছে । চাৰিওফালে ৰণুৱা চিপাহী, চাৰিওফালে গাঁত, চাৰিওফালে ট্ৰেঞ্চ । ঘৰৰ মজিয়াতো । চাইৰেন বাজিলেই গাঁতত সোমাব লাগে ; ট্ৰেঞ্চত উবুৰি হব লাগে । ৰেলত মানুহৰ ভিৰত থিয় দিব নোৱাৰি । ৰণুৱাৰ গচকত পেটু বাহিৰ হব খোজে । তাৰ মাজেদিয়ে মই ৰেলেৰে গৈ কলিকতা পালোঁ এম, এ, পৰীক্ষা দিয়াৰ উদ্দেশ্যে । আশ্ৰয়ৰ স্থান বিচাৰি পালোঁ ইণ্ডিয়া হোটেলৰ চতুৰ্থ মহলাত । পিছে তাত ২/৩ দিন থকাৰ পিছতে খাদ্যই নুশুজাত মোৰ পেটৰ বিকাৰ হ'ল । পেট কামোৰে আৰু বিষায় । ডাক্তৰৰ সাহায্য নাই বুলিলেই হয় । চতুৰ্থ দিনা খিড়িকীৰ মুখত বহি নিসহায়ভাৱে তললৈ চাই আছোঁ ; এনেতে তলত এজন তলথৌমূৰা চুটি-চাপৰ মানুহ গপ্‌গপাই হোটেললৈ উঠি আহি থকা দেখিলোঁ । মই দেহিৰাম হাজৰিকাক ভালকৈ চিনিছিলো আৰু তেওঁৰ প্ৰকৃতিও জানিছিলো । তেওঁ মোৰ সম্বন্ধীয় ভিনিহি হয় ঃ মোৰ মাজু ভিনিহিৰ ভাগীৰ ভায়েক । দেখাত মানুহজনক তেওঁ যেন দেখিলোঁ । ভাবিলোঁ – ভগৱানে যেন তেওঁক এই বিপদৰ সময়ত মোৰ ওচৰত হাজিৰ কৰি দিয়েহি !

দয়াময়ৰ কি অপাৰ কৰুণা । অলপ সময়ৰ পিছতেই স্বয়ং সেই দেহিৰাম হাজৰিকাই মোৰ কোঠাত সোমাই আহি মোক মাতিলে – অতুল, তুমি কেতিয়া

আহিলা ? মই স্বৰ্গ ঢুকি পোৱাদি পালোঁ । কথা পাতিলোঁ । খন্তেকৰ ভিতৰতে তেওঁ পৰিস্থিতিৰ বুজ ললে আৰু নিজে গৈ তেওঁৰ বন্ধু হোটেলৰ মেনেজাৰক মাতি আহি মোৰ লগত চিনাকি কৰি দিলে । পিছ দিনাখন গধূলি বৰিশালৰপৰা ৰেলত অনা ধূনীয়া চাউলৰ বস্তা, মুৰ্গিৰ খাং আদি মেনেজাৰক চমজাই দি মোক 'স্পেচিয়েল ডায়েট' দিবলৈ বন্দৱস্ত কৰি দি গ'ল । মেনেজাৰৰ লগত তেওঁৰ হাবভাব, মিলা-মিছা, আত্মীয়তা দেখি মোৰ বৰ ভাল লাগিল আৰু মই মনত বল পালোঁ । মুঠতে সেই সহায় নোপোৱা হলে মোৰ সিবাৰ পৰীক্ষা দিয়াৰ মুদায়ে মৰিলহেঁতেন । এনেকুৱা অসহায় পৰিস্থিতিত সাহায্য দানৰ অসংখ্য কাহিনীৰ তেওঁ আছিল এজন দিগ্বিজয়ী বীৰ । এনে বীৰত্বত অভিভূত হৈ তেওঁৰ অঘৰী জীৱনৰ বিচিত্ৰ কাহিনী কিছুমান অযাচিতে লিখি উলিয়াইছিল প্ৰয়াত পণ্ডিত ডঃ প্ৰফুল্ল দত্ত গোস্বামীয়ে তেওঁৰ গোটাচেৰেক প্ৰবন্ধত – এজন বীৰ পৰিল – শিতানত । এই বিতোপন প্ৰবন্ধ কেইটাই পিছত পুস্তিকাৰূপ ধাৰণ কৰিছে ।

এনেকুৱা উৎসৰ্গিত জীৱন এটাৰ মালিক দেহিৰাম হাজৰিকাৰেই আপোন ভাই যোগেশ হাজৰিকা । 'একে গছৰ পাণ, সি কি হব আন ?' যোগেশ হাজৰিকা মোৰ সম্বন্ধীয় মিতিৰেই নহয় শৈশৱ আৰু কিশোৰৰ নলেগলে লগা বন্ধুও । বুলিব লাগিলে একেখন পাততে ভাত খোৱা বন্ধু । যদিও আমাৰ দুয়োৰো জন্মস্থান আৰু ঘৰৰ দূৰত্ব কমেও পাঁচ-ছয় মাইল হ'ব – দুয়ো কিন্তু নিম্ন প্ৰাইমাৰী বৃত্তি পৰীক্ষা দিছিলো একে ঠাইত থাকি আৰু একেলগে । মঙ্গলদৈ চহৰত । তেওঁৰ ঘৰ পকাবাড়িপাৰাত আৰু মোৰ ডুবাহাটীত । পাকাবাড়িপাৰাৰ অন্য নাম কুইয়াপানী আৰু ডুবাহাটীৰ, ভুক্তাবাৰী ; মাৰৈ । মোৰ গাঁৱৰ পৰা মঙ্গলদৈ চহৰ দহ মাইল মান দূৰত আৰু তেওঁৰ ঘৰৰ পৰা, প্ৰায় তিনি মাইল দূৰত ।

নিম্ন প্ৰাইমাৰী স্কুলৰ বৃত্তি পৰীক্ষা তেতিয়া ডিচেম্বৰ মাহৰ ঠেঁটুৱৈ লগা জাৰৰ দিনত হৈছিল । পৰীক্ষা দিবলৈ গৈ মই আছিলো সীতানাথ বৰুৱা বুলি মোৰ সম্বন্ধীয় ককাইদেউ এজনৰ বহাত – চহৰৰ মাজ-মজিয়াতে । ককাইদেৱে মঙ্গলদৈ মহকুমাধিপতিৰ অফিচত কেৰাণী কাম কৰিছিল । যোগেশ আছিল তেওঁৰ কোনোবা কুটুম্বৰ আশ্ৰয়ত – মোৰ ওচৰত । দুয়ো একেলগে পৰীক্ষা দিবলৈ ৰাতিপুৱা ন'মান বজাতেই ওলাই যাওঁ আৰু দুপৰীয়া জিৰণিৰ সময়ত নিজ নিজ বহালৈ এবাৰ আহোঁ ।

এটা দেওবাৰৰ কথা মন পৰিছে । সেই দিনা আমাৰ দুয়োৰো পৰীক্ষা নাই । দেওবৰীয়া বন্ধ । প্ৰত্যেক দেওবাৰে মঙ্গলদৈ টাউনৰ সোঁমাজতে হাট এখন বহে । সেই দিনাও বহিছে । আমি দুয়ো ঘৰত ৰাতিপুৱা চাহ-জলপান খাই উঠি

অলপ কিবা পঢ়াশুনা কৰিলোঁ । ৯/১০ মান বজাত ৰাতিপুৱাৰ ৰঙা ৰ'দ গাত পেলাই সন্মুখৰ আলিবাটলৈ ওলাইছোঁ । আলিয়েদি সেই সময়ত হাটলৈ যোৱা মানুহৰ লানি নিছিগা যোঁত । প্ৰায় সকলোৰে হাতত বা কান্ধত পণ্য বাহানিৰ বোজা বা ভাৰ । মালভোগ, আঠীয়া, জাহাজী আদি নানা বিধৰ পকা ফলবে পৰা হাঁহ, পাৰ, কুকুৰা, কুকুৰাকণী, হাঁহ-কণী লৈকে নোহোৱা বস্তু নাই ।

সেই সময়ত বজাৰত অপৰ্য্যপ্ত কমলা টেঙা ওলাইছিল । কমলা টেঙাক মঙ্গলদৈৰ মানুহে সোণতৰা টেঙা বোলে । মঙ্গলদৈ সোণতৰা টেঙাৰ বাগিচাৰ কাৰণে বিখ্যাত । পোহাৰীবোৰে খৰাহি, পাচি আদিত অইন দুই এপদ বস্তুৰ লগতে ওপচি পৰাকৈ পকা হালধীয়া কমলা টেঙা এপাচি লৈ বজাৰলৈ যায় । দেখিলেই লোভ লাগে । সিদিনাও গৈছে । টেঙাবোৰ আমাৰ দুয়োৰো চকুত পৰিল । তেতিয়া কিয় জানো আমাৰ দুয়োৰো মনত এটা কুবুদ্ধি খেলালে । দুয়ো কথন-মথন কৰি ঠিক কৰিলোঁ – ইমান মানুহৰ মাজত গৈ থকা কোনো এজনী পোহাৰীৰ পাচিৰ পৰা কোনে এটা কমলা টেঙা পোহাৰী বায়ে গম নোপোৱাকৈ আগে আনিব পাৰে চাওঁ দে ।

যেই কথা সেই কাম । প্ৰতিযোগিতাত মই প্ৰথম হলোঁ । পিছে দুৰ্ভাগ্যৰ কথা এই যে টেঙাটো লৈ লৰ মাৰোতে হাতৰ পৰা সি পিচলি মাটিত পৰিল । মানুহে দেখিলে আৰু পোহাৰীক চিঞৰি কলে । পোহৰীয়ে দুৰ্বচন বুলি অকথ্য মাতেৰে শপনি দিলে । টোটোৱে বৌটো হোৱাত এখন হুৱাদুৱা লাগি পৰিল । য'ৰে টেঙা ত'তে এৰি আমি দুয়ো পলাই গৈ নিজ নিজ থকা ঠাইত লুকাই থাকিলোঁ । আমাক হাতে-লোতে কোনেও ধৰিব নোৱাৰিলে যদিও দেখিলে আৰু চিন ৰাখিলে । আমি লাজতে মৰি যোৱা যেন পালোঁ ।

দুৰ্ভাগ্যৰ কথা, আনে দেখে দেখক মোৰ সম্বন্ধীয় দদাইদেউ চাইকেল ব্যৱসায়ী ঘনশ্যাম বৰুৱা ওৰফে ঘটবৰ দদাইদেৱেও দেখিলে । তেওঁ ওলাই গৈ তৎক্ষণাৎ দুঅনা পইচা দি পোহাৰীক সন্তুষ্ট কৰি পঠালে । গধূলি আমি দুয়ো লাজ লাজকৈ ওলাই আলি বাটত ফুৰিবলৈ যোৱাত তেওঁ আমাক মাতি নি কৈছিল – তহঁতে তেনে কৰিছিলি কিয় ? কমলা খাবৰ মন গৈছিল যদি মোক নকলি কিয় ? কিমান কমলা লাগে মই দিলোঁহয় নহয় । আমি দুয়ো মুখেৰে বা-বা একো নকৰি লাজত মৰি যোৱা যেন পাইছিলো । ঘটনাটোৰ কথা আজিও মনত পৰে । যোগেশৰ মনত আছে নে নাই নাজানো ।

মই বৃত্তি পালোঁ আৰু ঘৰৰ পৰা ৪/৫ মাইল দূৰত থকা পাথৰিঘাট (পথৰুঘাট) মাইনৰত পঢ়িলোঁ । যোগেশে বৃত্তি নাপালে যদিও শ্ৰেণীত তেৰোঁ

সদায় বুদ্ধিমান ছাত্ৰ বুলিয়ে পৰিগণিত হৈছিল । তেওঁ মঙ্গলদৈ হাইস্কুলতে ঘৰৰ পৰা অহা-যোৱা কৰি পঢ়িবলৈ ললে । মই তাৰে চাৰি বছৰৰ পিছত মাইনৰত বৃত্তি ধৰি মঙ্গলদৈ হাইস্কুলত নাম লগাই স্কুলৰ ৭ম শ্ৰেণীত পুনৰ যোগেশৰ লগ ললোঁ । দুয়ো তেতিয়া ভালেমান দিনলৈ তেওঁৰ জন্মস্থান পকাবাঙি গাঁৱৰ পৰায়ে মঙ্গলদৈ হাইস্কুললৈ অহা-যোৱা কৰি পঢ়িছিলো । এইদৰে মেট্ৰিকলৈকে আমি দুয়ো সহপাঠী আছিলো ।

যোগেশৰ ঘৰত মতা নাম ভালে কেইটা আছিল । তাৰে ভিতৰত বৰুৱা, যোগেশ্বৰ আৰু যোগেশ প্ৰধান । শেহত গৈ থৈ যোগেশেই প্ৰাধান্য লভিলে । হাইস্কুলতো পঢ়া দিনত যোগেশে পাৰক নোৱাৰক সকলো কামতে আগৰণুৱা হৈ ওলাইছিল । মেট্ৰিকত বৃত্তি ধৰি মই কটন কলেজলৈ গলো ঃ ইতিমধ্যে যোগেশ গ'ল কলিকতালৈ । কি কামত গ'ল, ক'ত থাকিবলৈ ললেগৈ মই একো গম ধৰিবই নোৱাৰিলো । এইদৰে আমি দুয়োকো দুয়ো মাজৰ এইডোখৰ কালত অৰ্থাৎ মই বি. এ. পৰীক্ষা নিদিয়ালৈকে – লগ পোৱাই নাছিলো যেন লাগিছে । এই সময় ছোৱাত তেওঁ আছিল মোৰ এজন বিশ্বস্ত বন্ধু ।

বি. এ. পৰীক্ষা দি উঠি মোৰ কিবা এটা চখ লাগিল – কলিকতা চাবলৈ । সিমানলৈকে কলিকতা নেদেখাই থকাটো মোৰ পক্ষে এটা লাজৰ কথা হোৱাৰ দৰে লাগিল । মই মনতে পাঙিলো – কলিকতালৈ নিশ্চয় অতি শীঘ্ৰে এবাৰ যামেই যাম । পিছে যাম কাৰ লগত, কেনেকৈ আৰু থাকিম গৈ ক'ত ? বহুত বিচাৰ-খোচাৰ কৰি পুৰণি বন্ধু যোগেশৰ কলিকতাৰ ঠিকনাটো সংগ্ৰহ কৰি লৈ দিলো পঠিয়াই ডাক-পখিলা পোষ্টকাৰ্ড এটা । মোৰ পখিলী-কাঁড় অব্যৰ্থ প্ৰমাণিত হ'ল । মই ৮/১০ দিনৰ ভিতৰতে যোগেশৰ পত্ৰোত্তৰ পালোঁ । তেওঁ লিখি পঠিয়ালে – তই অমুক তাৰিখে গুৱাহাটীৰপৰা ৰেলেৰে আহি ইমান তাৰিখে শিয়ালদহ ওলাবিহি । মই তাতে তোক লগ ধৰিম আৰু বাকী ব্যৱস্থা কৰিম । চিন্তা নকৰিবি । – এই খিনিতে ঢৌতে খৰ মাৰি কৈ থওঁ, মোৰ তয়াতোঁকাকৈ কথা পতা বন্ধুৰ ভিতৰত আজিৰ দিনত যোগেশেই মাত্ৰ আছে বুলিলেও ভুল কোৱা নহ'ব ।

মই সেই মতে কাম কৰিলোঁ । তেওঁ মোক নিৰ্দ্ধাৰিত দিনত টেক্সি এখনত তুলি নি তেওঁৰ কলিকতাৰ থকা ঠাইত উলিয়ালে । ক'ত পাহৰিলোঁ । চহৰৰ মাজ মজিয়াৰ ঠাই । সোঁৱে-বাওঁৱে আগে-পাছে বগা মিলিটাৰী অধ্যুষিত এটা ধুনীয়া কোঠালি । তাত তেওঁক যেতিয়া তাত থকা চাহাববোৰৰ লগত মোৰ চিনাকি দি ফৰ্ফৰ কৰে আখে-ফুটা ইংৰাজীত কথা পতা দেখিছিলোঁ আৰু শুনিছিলো তেতিয়া

মোৰ তেওঁৰ আগৰ যোগেশ নহয় আৰু সম্পূৰ্ণ দোচোৰা মানুহ যেনেহে লাগিছিল । মনতে ভাব হৈছিল – এওঁৰ চাল-চলন, ভাব-ভঙ্গী, কথা-বতৰাৰ ইমান পৰিৱৰ্তন হ'ল, অথচ মনটো এতিয়াও দেখোন আগৰ দৰেই দৰদী আৰু ফুলৰ দৰে কোমল হৈ আছে ! ঈশ্বৰে তেওঁক তেনেকৈয়ে ৰাখে যেন । মনত তেনেকৈ ভাবি বৰ ভাল লাগিছিল ।

সেই যোগেশ্বৰ যোগেশ হৈ আজি সৰু-বৰ সকলো লোকৰ লগত ইমানকৈ মিলি যাব পাৰিছে ! তেওঁ এসময়ত মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ, হেড্ মাষ্টৰ ৰমনীকান্ত বৰুৱা আদি গণ্যমান্য লোকসকলৰ যেনে প্ৰিয়পাত্ৰ আৰু বিশ্বস্ত আছিল সেইদৰে তেওঁলোকৰ চকীদাৰ, চন্তৰীসকলৰ লগতো সমানে আকৰ্ষণীয় আৰু শ্ৰদ্ধেয় আছিল । মনত আছে প্ৰয়াত মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীকো এদিন তেওঁৰ বিছনাতে গেঞ্জি এটা পৰিধান কৰিয়ে আৰামকৈ বিশ্ৰাম লোৱা দেখি কেনেকৈ আশ্চৰ্য্য হৈছিলো ! অতীতৰ হৰেণ কলিতা, দেহিৰাম হাজৰিকা আৰু বৰ্তমান যোগেশ হাজৰিকা কলিকতা-নিবাসী অসমীয়া লোকসকলৰ মাজত অগ্ৰগণ্য অসমীয়া ভদ্ৰলোক হৈ কালৰ বুকুত জিলিকি থাকিব বুলি মোৰ দৃঢ় ধাৰণা । দেশ-দেশান্তৰত সৰু-বৰ সকলো লোকৰ দ্বাৰা কৰ্ম্ম-নিপুণ সৰবৰহী যোগেশ হাজৰিকা সম্যক্ভাৱে সম্বৰ্দ্ধিত হওক, তাকে কামনা কৰিলোঁ । জয়তু শ্ৰী যোগেশ হাজৰিকা ।

কলিকতাত অসমৰ হাই কমিচনাৰ

প্ৰণৱ কুমাৰ হাজৰিকা

প্ৰথমেই এটি সৰু ঘটনা উল্লেখ কৰি লওঁ । ১৯৮০ চনৰ জুন মাহৰ কলিকতা মহানগৰীত বন্ধু এজনৰ সৈতে উপস্থিত হৈ আৱিষ্কাৰ কৰিলো যে যিটো কামৰ বাবে গৈছিলো, সেই কাম অন্ততঃ ১০ দিনৰ পাছতহে হ'ব । ফলস্বৰূপে বাধ্যত পৰি ১০ দিন বঢ়াই আমি তাত থাকিবলৈ বাধ্য হলো । এই বাৰ দিনৰ অৱস্থানৰ বাবে সস্তা দৰৰ হোটেলৰ আৱশ্যক হ'ল । যিহেতু কলিকতা মহানগৰী সম্পৰ্কে মোৰ মোটা-মুটি ধাৰণা এটা আছিল, চিনাকি অঞ্চল বিলাকত অনুসন্ধান কৰি হোটেলৰ সুবিধা কৰিব নোৱাৰি প্ৰায় হতাশ হোৱাৰ দৰে অৱস্থা । হঠাৎ মনলৈ আহিল আমি চাকৰি কৰা উদ্যোগ অসম পেট্ৰোকেমিকেলচ্ লিঃ-ৰ এজন ৰেচিডেন্ট ৰিপ্ৰেজেন্টেটিভ্ শ্ৰীযোগেশ হাজৰিকা নামৰ ব্যক্তিজনক এবাৰ লগ পালে কিবা উপায় ওলাব পাৰে । অফিচৰ ঠিকনা জনা আছিল বাবে বিশেষ অসুবিধা নোহোৱাকৈ তেখেতক সাক্ষাৎ কৰি পৰিচয় দিলো । যথেষ্ট আন্তৰিকতা সহ আমাৰ পৰিচয় পৰ্বৰ পাছত তেখেতে কথা বতৰা পাতিলে । ইতিমধ্যে আমি সন্মুখীন হোৱা অসুবিধাৰ কথা তেখেতক জনালো । লগে লগে তেখেতে অসম হাউচ আৰু মেঘালয় হাউচলৈ ফোন কৰিবলৈ উদ্যত হ'ল যদিও আমি বিশেষ উৎসাহিত হব নোৱাৰিলো যিহেতু উক্ত দুই স্থানৰ পৰা আমি বিমুখ হৈ আহিছো অৱশ্যে ইয়াৰ আগতে শ্ৰীযুত হাজৰিকাই আমাক আশ্বস্ত কৰি ক'লে যে 'যদি ক'তো আপোনালোক থকাৰ বন্দৱস্ত নহয় তেন্তে মোৰ এই অফিচতে আপোনালোক ৰাতি থকাৰ বন্দৱস্ত কৰা হব । দিনৰ ভাগত গা-পা ধোৱাকে আদি কৰি যাবতীয় কাম মোৰ ঘৰত কৰিব পাৰিব' । হঠাতে হাজৰিকাদেৱে টেলিফোন লগাই থৈ আমাক জনালে যে 'অসম হাউচ'ত আপোনালোকৰ থকাৰ বন্দৱস্ত হৈ গৈছে এতিয়া আৰু চিন্তা কৰিবৰ প্ৰয়োজন নাই । বৰ্তমান আপোনালোক থকা হোটেলৰ পৰা মোৰ গাড়ীৰে বস্তু-বাহানি আনিব পৰা হব । ইয়াৰ পাছৰ দিন সমূহৰ বিৱৰণ দিয়াৰ প্ৰয়োজন নাই নিশ্চয় । মুঠতে সেই সময়ছোৱাত আমি তেখেতৰ পৰা পোৱা বদান্যতা, সহানুভূতি পৰামৰ্শ কোনোকালেই পাহৰিব নোৱাৰা বিধৰ ।

মোৰ বিশ্বাস কলিকতাত এনেদৰে বহুতো মানুহে তেখেতৰ পৰা বিভিন্ন সময়ত সহায়, উপদেশ লাভ কৰি লাভবান হৈছে । ড° মহেন্দ্ৰ বৰাই সঠিকভাবেই তেখেতক Un official High Comminioner of Assam বুলি উল্লেখ কৰি গৈছে । তেখেতৰ লগত মোৰ আজি প্ৰায় ১৭ বছৰ ধৰি সম্পৰ্ক ৰক্ষা হৈ আছে । কলিকতাত তেখেতৰ লগত হোৱা সাক্ষাৎসমূহ মোৰ বাবে বিভিন্ন তথ্য পাতি জনাৰ মুহূৰ্ত্ত যিহেতু বিগত ৬টা দশকৰ বহুতো ঘটনাৰ তেখেত সাক্ষী ।

চল্লিশৰ দশকৰ স্বাধীনতা আন্দোলনৰ সময়ত কলিকতা মহানগৰীত থাকি শ্ৰীহাজৰিকাই বিভিন্ন সংকটপূৰ্ণ মুহূৰ্ত্তত আগত স্বাধীনতা সংগ্ৰামীলৈ কেনে সহায় সহযোগ তেখেতে আগবঢ়াইছিল সেই কথা ইতিহাস ৰচোঁতাই পাহৰি গৈছে । হাজৰিকাদেৱে আমাক সেই সম্পৰ্কে কথা প্ৰসঙ্গত জনাইছে । আশাকৰোঁ তেখেতে যুগুতাই থকা আত্মকথনত এনেবোৰ মূল্যবান তথ্যই ঠাই পাব । ব্যক্তিগতভাৱে এই গ্ৰন্থ সম্পৰ্কে মই তেখেতৰ লগত মাজে-মাজে কথা হৈ ৺গোপীনাথ বৰদলৈ, ৺যাদব প্ৰসাদ চলিহা, ৺বিষ্ণু প্ৰসাদ ৰাভা, ৺দেৱকান্ত বৰুৱা আদি ব্যক্তি সকলৰ লগত হোৱা সান্নিধ্যৰ বিৱৰণ দিবলৈ পৰামৰ্শ দিছিলো । মোৰ বিশ্বাস হাজৰিকাদেৱৰ আত্মজীৱনী প্ৰকাশ হৈ ওলালে অসমৰ ৰাইজে নানা তথ্যপূৰ্ণ ঘটনা আদি জানিব পাৰিব যি সমূহৰ ঐতিহাসিক মূল্য আছে ।

হাজৰিকাদেৱ অসমৰ যুৱ সমাজৰ প্ৰেৰণাৰ প্ৰতীক । বয়সৰ লেখেৰে সত্তৰৰ উৰ্দ্ধৰ এই ডেকা ব্যক্তিজনে অধ্যৱসায়ৰ জোৰত কলিকতা মহানগৰীত কৈশোৰ অৱস্থাত সংগ্ৰাম কৰি আত্মপ্ৰতিষ্ঠাৰে এক সম্মানজনক স্থান লাভ কৰিছে – ই এক কৰ্ম্মযোগীৰ আদৰ্শ । এ. এচ. এল. ক্লাবৰ দৰে ঐতিহ্যপূৰ্ণ এক অনুষ্ঠানৰ দীৰ্ঘ দিন ধৰি সম্পাদকৰ দায়িত্ব বহন কৰি বৰ্তমানে কলিকতা সাহিত্য চ'ৰাৰ সভাপতি ৰূপে সাহিত্য সংস্কৃতি তথা সমাজ সেৱা আগবঢ়াই নিজকে ধন্য কৰিছে । শ্ৰীযোগেশ হাজৰিকা সঁচাকৈ জাতি-ধৰ্ম্ম নিৰ্বিশেষে সকলোৰে বাবে এক জীৱন্ত প্ৰেৰণা ।

শ্ৰীযোগেশ হাজৰিকা – এটি অৱলোকন

প্ৰশান্ত কুমাৰ বৰুৱা

১৯৮৪ চনৰ জুন মাহ । মই সেই বছৰতে অসমৰ ডিফু চহৰৰ পৰা বদলি হৈ কলিকতাৰ অসম ভৱনত সম্পৰ্কৰক্ষী বিষয়া হিচাপে যোগদান কৰোঁ । পাতলীয়া জনসংখ্যাৰ নিৰিবিলি চহৰ ডিফুৰ পৰা আহি বিশাল কলিকতা মহানগৰীৰ জনঅৰণ্যত যেন নিজকে হেৰুৱাই পেলাইছিলো আৰু নিঃসঙ্গ অনুভৱ কৰিছিলোঁ । কলিকতাৰ অসমীয়া সমাজখনৰ লগত চিনাকি তেতিয়াও নৌ হয় এথোন । তেনে সময়তে এদিন সন্ধিয়া অসম ভৱনত আহি ওলালহি এজন পশ্চিমীয়া সাজ-পাৰেৰে পৰিচ্ছন্ন চুটি-চাপৰ আদ্‌বয়সীয়া ভদ্ৰলোক । মানুহজনৰ সুপ্ৰতিভ আচৰণ আৰু নিভাঁজ অসমীয়া মাত-কথাই মোক মোহিত কৰিলে । প্ৰথম পৰিচয়েই যুগমীয়া বন্ধুত্বলৈ পৰিণত হ'ল । সেইজনেই আছিল শ্ৰীযোগেশ হাজৰিকা ।

শ্ৰীহাজৰিকা কলিকতাৰ অসমীয়া সমাজখনৰ মধ্যমণি স্বৰূপ তেতিয়াও আছিল আৰু এতিয়াও হৈ আছে । অসম ভৱনৰ এনে এটা অনুষ্ঠান নাছিল, যিটোত শ্ৰীহাজৰিকা নাছিল । কোনো অনুষ্ঠানৰ বিষয়-ববীয়া নোহোৱাকৈয়ো সকলো অনুষ্ঠানতে তেখেতৰ যোগদান আছিল অপৰিহাৰ্য্য আৰু সৰ্ব্বাত্মক । তেওঁ এনে এজন মানুহ যাৰ কোনো শত্ৰু নাই । সকলোৰে লগত সমানে মিলা-মিছা কৰে । বৃদ্ধজনৰ লগত যিমান অন্তৰঙ্গ, অকণমানি শিশুটিৰ লগতো সিমানেই অন্তৰঙ্গ । মানুহজনক এবাৰ লগ পালে কোনেও পাহৰিব নোৱাৰে । প্ৰাক্ স্বাধীন কালৰে পৰা স্বাধীনোত্তৰ কাললৈকে অবিভক্ত অসমৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰা এনে এজন ব্যক্তি নাই যাৰ লগত হাজৰিকা ডাঙৰীয়াৰ ঘনিষ্ঠতা নাই । নিজৰ ব্যৱসায় ব্যস্ততাৰ ফাঁকে-ফাঁকে সুৰুঙা উলিয়াই অসম ভৱনলৈ অহা বিশিষ্ট ব্যক্তিসকলৰ খবৰ ল'বলৈ নেপাহৰা ব্যক্তিজনেই হৈছে শ্ৰীযোগেশ হাজৰিকা ।

অসমৰ দৰং জিলাৰ কোনোবা এখন অখ্যাৎ গাঁৱৰ পৰা সৰুতেই ওলাই আহিছিল শ্ৰীহাজৰিকা দৃঢ়কুত বিশ্ববীক্ষাৰ স্বপ্ন লৈ । ভাৰতবৰ্ষৰ বিভিন্ন চহৰত ঘূৰি আনকি বিদেশৰ বিভিন্ন দেশত ফুৰি তেওঁৰ মনৰ পৰিধি বিশাল হ'ল । ভাবিলে আচৰিত লাগে এই কণমানি মানুহজনৰ ক্ষুদ্ৰ দেহাটোত কেনেকৈ ইমান বিশাল অন্তৰ এখন লুকাই আছে । কিন্তু বিশ্ববীক্ষা কৰা হাজৰিকাই নীল গগনত উৰি ফুৰা

চবাইৰ দৰেই নিজৰ জন্মস্থানৰ মোহ এৰিব নোৱাৰে । সুযোগ পালেই দৌৰি আহিছে মাতৃভূমিৰ, নিজৰ জন্মস্থানৰ প্ৰতি সঁহাৰি জনাবলৈ বাৰে-বাৰে । কালক্ৰমত শ্ৰীহাজৰিকাৰ এই বিশাল মানৱীয়তাৰ সুযোগ্য অংশীদাৰ হ'লহি তেওঁৰ আদৰৰ পত্নী । জাতিত ইহুদী হলেও তেওঁ অসমীয়া আৰু ভাৰতীয় আৰু ভাৰতীয় অথচ একেসময়তে তেওঁ এগৰাকী আন্তৰ্জাতিকতাবাদী মানৱী । হাজৰিকা দম্পতিৰ এই আন্তৰ্জাতিকতাবাদৰ সাক্ষী হ'ল তেওঁৰ দুই সুন্দৰী কন্যা যিসকলে এতিয়া প্ৰৱাসত বিবাহিত জীৱন যাপন কৰিছে ।

শ্ৰীযোগেশ হাজৰিকা মোৰ বন্ধু অথচ জ্যেষ্ঠজন । মোৰ পৰিয়ালৰ বাবে তেওঁ হ'ল এক নিকটাত্মীয় । মোৰ পৰিবাৰৰ বাবে তেওঁ জ্যেষ্ঠভ্ৰাতৃ স্বৰূপ আৰু মোৰ সন্তানৰ বাবে অগ্ৰজ পিতৃস্বৰূপ । গুৱাহাটীলৈ আহিলে মোৰ ঘৰলৈ আহিবলৈ যিদৰে নাপাহৰে, ঠিক সেইদৰেই মোৰ সন্তানৰ বাবে কলিকতাৰ প্ৰখ্যাত 'নাহুম'ৰ কেক আনিবলৈ নাপাহৰে । তেওঁৰ সৰ্ব্বব্যাপী ব্যক্তিত্বই মোক উৎসাহিত কৰে আৰু জীৱনক ভাল পাবলৈ শিকায় । হাজৰিকা ডাঙৰীয়াৰ বয়স কিমান মই নাজানোঁ । কেতিয়াও সোধাও নাই ; কিন্তু তেওঁ যে অশীতিপৰ আৰু বয়স যে তেওঁৰ বাবে অলঙ্কাৰ স্বৰূপ সেই কথা জানোঁ । তেওঁক প্ৰথম লগ পোৱাৰ পৰা সুদীৰ্ঘ তেৰ বছৰ পাৰ হ'ল । সেই তেৰ বছৰত পৃথিৱীত আৰু এই দেশতো অনেক উত্থান পতন হ'ল, ৰাজনৈতিক আৰু সামাজিক পৰিৱৰ্তন হ'ল । মোৰ ব্যক্তিগত জীৱনতো বহুখিনি শাৰীৰিক আৰু মানসিক পৰিৱৰ্তন হ'ল । কিন্তু হাজৰিকা ডাঙৰীয়া একেই থাকিল, তেওঁৰ কোনো পৰিৱৰ্তন নহ'ল । তেৰ বছৰৰ আগৰ যোগেশ হাজৰিকা আৰু বৰ্তমানৰ যোগেশ হাজৰিকা একেজনেই । সময়ে যেন তেওঁৰ ওপৰত আঁচোৰ পেলাবলৈ অসমৰ্থ হ'ল ।

হাজৰিকা ডাঙৰীয়া এজন কৰ্ম্মযোগী পুৰুষ । তেওঁৰ কৰ্ম্মস্পৃহা দেখি স্তব্ধ হওঁ । প্ৰতিটো মুহূৰ্ত্ত, প্ৰতিটো ক্ষণ যেন তেওঁৰ বাবে অপৰিহাৰ্য্য । আশ্চৰ্য্যৰ সীমা পাৰ হয় যেতিয়া দীৰ্ঘভ্ৰমণৰ অন্ততো নেদেখোঁ এই অশীতিপৰ যুৱকৰ দেহ মনত ক্লান্তিৰ ন্যূনতম বেশ, যেতিয়া নেদেখোঁ প্ৰৱাসৰ প্ৰতিটো ক্ষণ কৰ্ম্মেৰে ওপচাই পেলোৱাৰ অন্ততো তেওঁৰ অন্তৰত সামান্যতমো বিৰক্তিৰ ছাপ আৰু যেতিয়া দেখোঁ কৰ্ম্মব্যস্ত দিনটোৰ অন্তত সানন্দে নিমন্ত্ৰণ ৰক্ষা কৰা আৰু নিমন্ত্ৰণকাৰীৰ ঘৰত মাজৰাতিলৈকে বিৰামবিহীনভাৱে জীৱনৰ অভিজ্ঞতাৰ সঁফুৰা মেলা ।

সেইজনেই হ'ল শ্ৰীযোগেশ হাজৰিকা, যাৰ জীৱনস্পৃহাৰ তুলনা নাই । ভগৱানে তেওঁক দীৰ্ঘায়ু কৰক এয়েই কামনা ।

সুহৃদয়

মীনাক্ষী চলিহা বসু

যোগেশ হাজৰিকাক কেতিয়ানো প্ৰথম লগ পাইছিলো আজি মোৰ মনত নপৰে, কিন্তু যেতিয়া অলপ ডাঙৰ হলো তেতিয়া দেখো তেখেত আমাৰ ঘৰৰে মানুহ, আমাৰ ককাইদেৰেৰ নিচিনা । মা, দেউতাৰো বৰ ওচৰৰ মানুহ, সকলো কামতে নিৰ্ভৰ কৰিব পৰা সোঁহাত স্বৰূপ । আমাৰ দেউতা প্ৰয়াত যাদৱ প্ৰসাদ চলিহাই আন সকলোবোৰ চাহ খেতিয়কৰ দৰে প্ৰতি বছৰ জাৰ কালি এবাৰকৈ কলিকতালৈ আহে । সেই সময়ত চাহ বাগিচা চলাবলৈ ধন ঋণ দিয়া বেঙ্কবোৰ কলিকতাতহে আছিল । সেয়ে বছৰটোৰ অৰ্থ সংস্থান কৰিবলৈ কলিকতালৈ আহিব লগা হৈছিল । ১৯৪০ চনত দেউতাই, মা আৰু নুমলীয়া ল'ৰা ছোৱালীহালক লৈ আহিছিল – কলিকতাত মাৰ চিকিৎসা আৰু বেঙ্কৰ লগত ব্যৱসায়িক ব্যৱস্থা কৰিবলৈ । নুমলীয়া জী মই (আইজনী), মীনাক্ষী আৰু মোৰ ভাইটি ৰণু, (ৰঞ্জিত) । মোৰ আছিল ছ বছৰ আৰু ৰুণুৰ চাৰে তিনি । মাৰ চিকিৎসাৰ কাৰণে সেই বছৰ অলপ দীঘলীয়াকৈ থাকিব লগা হোৱাত দেউতাই দক্ষিণ কলিকতাৰ বালিগঞ্জ এলেকাৰ হিন্দুস্থান পাৰ্কত ঘৰ এটা ভাড়া ললে । ঘৰটো ৪৮ নং হিন্দুস্থান পাৰ্কত । সেই ঘৰটোৰ মালিকজন এদিন পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী হ'ব বুলি কোনে ভাবিছিল বাৰু ? ঘৰটো এতিয়াৰ মুখ্যমন্ত্ৰী জ্যোতি বসুৰ । ধুনীয়া দুমহলীয়া ঘৰটো । দোতালাত অকণমানি বাৰান্দা এখন এতিয়াও আছে, যদিও আন বহুত সম্প্ৰসাৰণ আৰু পৰিৱৰ্তন হৈছে । সেই ৪৮ নং হিন্দুস্থান পাৰ্কৰ ঘৰটোলৈ বহুত মানুহ আহে, যায় । কিন্তু যিজন মানুহ অলপ দিনৰ ভিতৰতে ঘৰৰ মানুহ হৈ পৰিছিল আৰু আমি যোগেশ্বৰ দাদা বুলি মাতিবলৈ লৈছিলো, সেই মানুহজন হ'ল যোগেশ্বৰ হাজৰিকা । এতিয়াৰ যোগেশ হাজৰিকা ।

যোগেশ্বৰ দাদাৰ কথা আৰু অলপমান কওঁ । সৰু ফুটীয়া, প্ৰাণচঞ্চল, সদা ব্যস্ত মানুহজন বৰ মৰমিয়াল । দেউতালৈ ভয় লাগিছিল, দৰকাৰ নহলে ওচৰ নেচাপিছিলো, কিন্তু খেল-ধেমালিৰ লগ আছিল যোগেশ্বৰ দাদা । ভাইটি ৰণুকে মোকে ফুৰাবলৈ নিয়া । বেলুন কিনি দিয়া – আটাইবোৰ যোগেশ্বৰ দাদাই

কৰিছিল । তাৰ উপৰি ৰণুৰে মোৰে কাজিয়া ভঙাত যোগেশ্বৰ দাদাৰ এটা নিত্য নৈমিত্তিক কাম আছিল । এবাৰ কিবা কথাত ৰণুৱে মোক মাৰিলে । মোৰ ওপৰত তেওঁৰ বীৰত্বৰ পৰীক্ষা প্ৰায়ে চলিছিল । মই খুব কান্দিছো । উচুপি-উচুপি কান্দিছো । যোগেশ্বৰ দাদাই বহুত চেষ্টা কৰিও মোৰ কান্দোন বন্ধ কৰিব পৰা নাই । শেষত দেউতাৰ দৰবাৰত আপীল কৰা হ'ল । দেউতাই আমাক দুয়োকে মাতিলে । ৰণুক এপিনে থিয় কৰালে । এপিনে মোক । দেউতাই মোক সুধিলে "ৰণুৱে তোক মাৰিলে নেকি ?" "অঁ" মোৰ উত্তৰ । "তই তাক মাৰ, নেকান্দিবি, কান্দিলে কোনেও পাত্তা নিদিয়ে । ওলোটাই মাৰিব লাগে ।" ৰণুৱে তেতিয়া এবাৰ সোঁ পিনে, এবাৰ বাওঁ পিনে ঘূৰি কয়" ক'ত মাৰিবা, এই পিনে মাৰিবা, নে এই পিনে, মাৰা !" মই অৱশ্যে তেওঁক মাৰিব পৰা নাছিলো । কিন্তু মোৰ কান্দোন বন্ধ হৈ গৈছিল । সেইখন দৰবাৰৰ উদ্যোক্তা আছিল যোগেশ্বৰ দাদা । তেনেকে কেবাবাৰো যোগেশ্বৰ দাদাই মোক ৰণুৰ আক্ৰমণৰ পৰা বচাইছে । সেয়েহে যোগেশ্বৰ দাদাৰ কথা মনত পৰিলে মোৰ ত্ৰাণকৰ্তা যেন লাগে । সাধু কথা কোৱাত যোগেশ্বৰ দাদা এক নম্বৰ । সাধু কৈ কৈ আমাৰ হেঁপাহ পলুৱাব নোৱাৰে । আৰু ক'ব লাগে । আৰু লাগে । সাজি সাজি কব লাগে । এইবোৰ মৰমৰ জুলুম নিৰ্বিবাদে যোগেশ্বৰ দাদাই মানি লৈছিল ।

তেখেতৰ নিশ্চয় এখন বাহিৰৰ জগৎ আছিল, এখন বেলেগ কৰ্মক্ষেত্ৰ আছিল । কিন্তু তাৰ খবৰ লোৱাৰ বয়সতো আমাৰ হোৱা নাছিল । আমি তেখেতৰ লগত দাদাৰ দৰে ৰং ফূৰ্তি পাইছিলো । যোগেশ্বৰ দাদাই কিনো কাম কৰে তাৰ খবৰ আমাৰ ওচৰ নাপাইছিল । কিন্তু দেউতাই যে তেখেতৰ ওপৰত খুব নিৰ্ভৰ কৰে, সেই বয়সতে কথাটো আমি বুজি পাইছিলো আৰু মায়েতো যোগেশ্বৰ দাদা নহলে চলিবই নোৱাৰিছিল । হেজাৰ কৰ্তব্যৰ মাজতো হাঁহি ধেমালি কৰি থকা মানুহজনক সকলো কথাতে, সকলো কামতে আমাৰ প্ৰয়োজন আছিল ।

ডাঙৰ হোৱাৰ লগে লগে তেখেতৰ জীৱনৰ বিষয়ে আমি জানিব পাৰিলো । প্ৰথম জীৱনটো গৈছে খুব সংগ্ৰামৰ মাজেদি । মঙ্গলদৈৰ পকাবাঙি পাৰা গাঁওত ওপজা যোগেশ্বৰ দাদা বৰ দুখীয়া ঘৰৰ ল'ৰা । ১৪ বছৰ বয়সতে মেট্ৰিক পাচ কৰিছিল । ককায়েক দেহিৰাম হাজৰিকা তাহানি ৰেলৰ গাৰ্ড আছিল । কলিকতাৰ শিয়ালদা ষ্টেশনত তেখেতৰ কৰ্মস্থান । ভাগ্যান্বেষণ কৰিবলৈ যোগেশ্বৰ দাদাই গাঁওৰ সকলোৰে, আনকি দেউতাকৰো বাধা আওকান কৰি কলিকতা পালেহি

ককায়েকৰ সহায় পাব বুলি আশা কৰি- । অকল যোগেশ্বৰ দাদাৰ মাকে পুতেকক তেখেতৰ সম্বল ১০ টকা ৰূপ দি সহায় কৰিছিল । তেতিয়াৰ দিনত ১০ টকা এটা লেখত লব পৰা অঙ্ক । সেই ১০ টকা সম্বল কৰি যোগেশ্বৰ দাদা শিয়ালদহ পালেহি । কিন্তু ককায়েকে একো সহায় নকৰিলে । তেতিয়াৰে পৰা তেখেতৰ জীৱন যুদ্ধ আৰম্ভ হ'ল । ন জন ল'ৰাই মিলি বৌ বজাৰ ষ্ট্ৰীটত কোঠা এটা ললে । ভাড়া ১৩ টকা মাহে । একো একোজনৰ ভাগত পৰিল এটকা আঠ অনাকে । এবাৰ চাৰি মাহৰ ভাড়া দিব নোৱাৰাৰ কাৰণে মেচৰ পৰা খেদা খাই শিয়ালদহ ষ্টেচনৰ ওচৰত থকা চেইন্ট জেমচ্ পাৰ্কত চাৰি ৰাতি কটাব লগা হৈছিল । অৱশেষত বন্ধু এজনে চাৰি মাহৰ ভাড়া ৬ টকা দিলতহে আকৌ মেচত থাকিব পৰা হ'ল । তেতিয়াৰ পৰা অসমৰ পৰা অহা মানুহক কলিকতা ফুৰুৱা, অৰ্থাৎ টুৰিষ্ট গাইডৰ কামটো নিজে নিজেই উলিয়াই ললে । আজিৰ ভাষাত চেলফ্ এমপ্লয়ড ইয়ুথ । অসম মেইলখন অহা সময়ত শিয়ালদহ ষ্টেচনতে গ্ৰাহক জোগাৰ কৰি লয় । তেনেকে চলি যোৱা বিধৰ আয় হৈছিল । কেতিয়াবা ভাল আয় হলে টকা ৰৈ যায় । তাৰে টকা গোটাই জৰ্জ টেলিগ্ৰাফ ট্ৰেইনিং ইনষ্টিটিউটৰ পৰা গাৰ্ডশ্বিপ আৰু ষ্টেচন মাষ্টৰৰ কোৰ্চ পাচ কৰিলে । ইতিমধ্যে 'অসম লজ'ত থাকিবলৈ ললে । অসম লজত থকাটো একৰকম বিনামূলীয়া । খোৱাটোও । নিজাকৈ কোঠা এটা বা বিছনা এখনৰ সপোন তেতিয়াও দেখিব পৰা অৱস্থা হোৱা নাছিল । য'ত ঠাই খালি থাকে তাতে শুইছিল । অসম লজৰ লাগতিয়াল কামবোৰ উপযাচি কৰি দিছিল, যেনে, ৰাতিপুৱা ৰান্ধনীৰ লগত গৈ লজৰ বজাৰ কৰি আনিছিল । অসম লজত থাকিবলৈ শিয়ালদহ ষ্টেশনৰ পৰা গ্ৰাহক গোটাই আনিছিল । বিনিময়ত ৰাতি শোৱা ঠাই এডোখৰ আৰু দুবেলা দুমুঠি খোৱাৰ সংস্থান পাইছিল ।

সেই সময়তে যোগেশ্বৰ দাদা এ. এচ. এল. ক্লাৱৰ সম্পাদক হৈছিল । শুনিছো আমাৰ দেউতাৰ লগত এই সময়তে, এইটো সূত্ৰতে তেখেতৰ পৰিচয় হয় আৰু আমাৰ হিন্দুস্থান পাৰ্কৰ ঘৰলৈ তেখেত আহিবলৈ লয় । সেইটো আছিল ১৯৪০ চন ।

১৯৪১ চনৰ অক্টোবৰ মাহত দেউতাই নিলামত ৰ'লিং মিল এটা কিনে টালিগঞ্জৰ চণ্ডীতলা লেনত । নিলামত ডাকৰ মুহূৰ্তৰ পৰা সকলোখিনি তদাৰকিৰ দায়িত্ব এই যোগেশ্বৰ দাদাৰ ওপৰত দেউতাই জাপি দিয়ে আৰু তেখেতেও দায়িত্ব পালনৰ পৰীক্ষাত বঢ়িয়াকৈ উত্তীৰ্ণ হয় । সেয়েহে যেতিয়া ৰ'লিং মিলৰ নিলামত

দেউতাৰ ডাকটো ৰ'ল আৰু মেকেঞ্জি চাহাবে দেউতাক সুধিলে "কোনে মিলৰ দায়িত্ব ল'ব ?" দেউতাই যোগেশ্বৰ দাদাৰ পিনে টোৱাই ক'লে – "এই ল'ৰা জনে ।" তাৰ আগৰ মুহূৰ্তলৈকে যোগেশ্বৰ দাদাই নেজানিছিল যে তেখেতে ইমান ডাঙৰ দায়িত্ব ল'ব লগা হ'ব । সেই দিনাখনেই তেখেতৰ প্ৰকৃত কৰ্মজীৱনৰ পাতনি আৰম্ভ হ'ল ।

নিলামত যোৱা আউল লগা মিলটো চলোৱা বৰ সহজ কথা নাছিল । বহুত সংগ্ৰাম কৰিব লগা হৈছিল । অৰ্থ সঙ্কট ঘাই সমস্যা আছিল । কামটোও নতুন – দেউতাৰ কাৰণে আৰু যোগেশ্বৰ দাদাৰ কাৰণেও । গতিকে জোতা চিলোৱাৰ পৰা চণ্ডীপাঠ, সকলো ৰকম কামেই কৰিব লগা হৈছিল ।

মানুহক ভালপোৱাৰ, মমত্ববোধৰ ক্ষমতা যে যোগেশ্বৰ দাদাৰ আছে আৰু তেখেতৰ চৰিত্ৰৰ স্বচ্ছতা কিমানখিনি, এটা ঘটনাৰ জৰিয়তে সেইটোও আমি জানিব পাৰিলো । মহেশ দাস বোলা ডেকা এজনে এবাৰ কলিকতালৈ এম. এচ. চি. পঢ়িবলৈ আহি বৰ অৰ্থ সঙ্কটত পৰিছিল । প্ৰতিভাবান, উজ্জ্বল, বুদ্ধিমান এই ডেকাজন কলিকতা বিশ্ববিদ্যালয়ৰ স্বৰ্ণপদকধাৰী, অৰ্থ সঙ্কটত পৰি পঢ়া শেষ কৰিব নোৱাৰা অৱস্থাত পৰিছে । মহেশ দাসে যোগেশ্বৰ দাদাক কিবাএটা ব্যৱস্থা কৰি দিবলৈ অনুৰোধ কৰাত তেখেতে দেউতাক কথাটো ক'লে । দেউতাই মহেশক তেতিয়াই মিলত কাম দিলে । দৰমহা ৬০ টকা । তেতিয়াৰ দিনত টকাৰ অঙ্কটো বৰ কম নাছিল । মায়ে মহেশৰ কথা শুনি আমাৰ ঘৰলৈ আনিবলৈ ক'লে আৰু লগে লগে ভাল ব্যৱস্থা এটা কৰি দিলে । ঠিক হ'ল যে মহেশ দাদাই মোক আমাৰ ঘৰতে গৃহ শিক্ষক হিচাপে পঢ়াব আৰু আমাৰ ঘৰতে থাকিব । মহেশ দাদাৰ থকা খোৱা ফ্ৰী আৰু ৫০ টকা হাত খৰচ । বৰ ভাল ব্যৱস্থা হ'ল । যোগেশ্বৰ দাদাৰ সহযোগিতাত মহেশ দাস নামৰ ছাত্ৰজনে এম. এচ. চি তো ভালদৰে পাচ কৰিলেই, পাচত কাষ্টমচৰ কালেক্টৰ হৈছিলগৈ । ১৯৭৩ চনত বিমান দুৰ্ঘটনাত তেখেতৰ অকাল মৃত্যু নোহোৱা হলে আৰু বহুত উন্নতি কৰিব পাৰিলেহেঁতেন ।

কেবা বছৰো মিলত থাকি মিলটো ঠন ধৰাত যোগেশ্বৰ দাদাই আকৌ ভাগ্যান্বেষণলৈ ওলালে । ক'লৈ গ'ল । কেতিয়া গ'ল সেইবোৰ আমি গম নেপাওঁ, কিন্তু বহুতদিন তেখেতৰ লগত দেখা হোৱা নাছিল । বিহুৰে-সবাহে লগ পাওঁ মাজে-মাজে, কিন্তু সদায় লগ পোৱাটো নহৈছিল ।

১৯৫১ চনত মই যেতিয়া আশুতোষ কলেজত আই. এ. পঢ়ো, তেতিয়া মোৰ প্ৰাণৰ বন্ধু আছিল ভানু সিংহ । তাইৰ দেউতাক ব্ৰজবাসী সিংহ সেই সময়ত কলিকতাৰ বিখ্যাত মণিপুৰী নৃত্য গুৰু । ভানুৰ লগত তাহাঁতৰ ঘৰলৈ যোৱাৰ পৰা মোৰ নাচৰ ছিন্নসূত্ৰ আকৌ জোৰা লাগিছিল । মই মাষ্টাৰমশাই ব্ৰজবাসী সিংহৰ ওচৰত নাচ শিকিবলৈ আৰম্ভ কৰিলো । ভানুৰ মাকে মোক সদায় সোধে "হাজাৰি ক'ত ?" তুমি অসমীয়া ছোৱালী, হাজৰিকাক চিনি নোপোৱা ? আমাৰ লগত খুব ভাল আছিল আমি টালিগঞ্জত থাকোতে । পম খেদি খেদি পালো হাজাৰি মানে হাজৰিকা । যোগেশ্বৰ হাজৰিকা । বহুদিনৰ মূৰত আকৌ যোগেশ্বৰ দাদাৰ প্ৰসঙ্গ উঠিল বেলেগ পৰিবেশত ।

ইতিমধ্যে যোগেশ্বৰ দাদাৰ বিয়া হৈছে । লিলি বৌ অতি মৰমিয়াল মিঠা স্বভাৱৰ মানুহ । ছোৱালী দুজনীৰ বিয়া হৈছে । নিজৰ প্ৰতিষ্ঠা, প্ৰগতি হৈছে - সকলো গম পাওঁ দূৰৰ পৰা ।

সম্প্ৰতি কলিকতা সাহিত্য চ'ৰাৰ পৰা নৃত্য শিল্পী, হিচাপে মোক সম্বৰ্দ্ধনা দিয়া কথাত আকৌ যোগাযোগ হয় । ইমান বছৰ পাৰ হৈ যোৱা সত্ত্বেও কিন্তু সকৰ সেই সম্পৰ্কটো এতিয়াও শুকাই যোৱা নাই । আজি ইমান বছৰৰ মূৰত ইমান বয়সতো সেই কথাটো অনুভৱ কৰোঁ ।

যোগেশ ককাইদেউ ঃ ব্যক্তিত্বৰ এভুমুকি

নকুল দাস

কলিকতাবাসী অসমীয়া সমাজে ইণ্ডিয়ান বাইটাৰ্চ এচোচিয়েচনৰ উদ্যোগত আমাৰ আদৰৰ সৰ্ব্বজনপ্ৰিয় যোগেশ কাকাইদেউক অভিনন্দন জনাব বুলি জানিব পাৰি নথৈ আনন্দ পাইছোঁ । সুযোগ্য ব্যক্তি এগৰাকীক যথাযোগ্যভাৱে এই সন্মান জনোৱাৰ আয়োজন কৰাৰ বাবে উদ্যোক্তা সকলৈ আমাৰ গভীৰ কৃতজ্ঞতা আৰু অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ । এই সুযোগতে মোৰ গভীৰ শ্ৰদ্ধা আৰু ভক্তিৰ পাত্ৰ, যোগেশ ককাইদেউৰ লগত মোৰ ল'ৰালি কালৰ পৰা আজিলৈকে প্ৰায় তিনিকুৰি বছৰ জোৰা চিনাকিৰ দুই এটি কথাৰ মধুৰ স্মৃতিচাৰণ কৰিব খুজিছোঁ ।

ককাইদেউ শ্ৰীযোগেশ্বৰ হাজৰিকা মোৰ অতি আপোন । ককাইদেউৰ অকৃত্ৰিম মৰম-চেনেহৰ কথা জীৱনত পাহৰিব নোৱাৰোঁ । কলিকতাৰ কথা ভাবিলেই ককাইদেউলৈ মনত পৰে আৰু মনত পৰে কলিকতা "৭ নম্বৰ এছপ্লেনেড ইষ্টলৈ" । মহানগৰীৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মনোমোহা চৌৰঙ্গীৰ কেন্দ্ৰ স্থলত কেইবা মহলাৰ ভৱনটিৰ একেবাৰে ওপৰত ককাইদেউৰ আটোমটোকাৰিকৈ ৰখা কটেজটি – যাৰ পৰা সন্ধিয়া কলিকতা মহানগৰীৰ ৰূপজ্যোতি চাই মোহিত হোৱাৰ কথা আজিও মনত পৰে তেতিয়া ককাইদেউ সেই কটেজটিত অকলশৰীয়া, – এতিয়া অৱশ্যে লিলি নবৌ আহি তাক আৰু সুসজ্জিত কৰি তুলিছে । উল্লেখ কৰিলে নিশ্চয় অপ্ৰাসঙ্গিক নহ'ব যে লিলি নবৌ ককাইদেউৰ দৰেই অতি স্নেহময়ী আৰু অতিথি পৰায়ণা । ককাইদেউ আৰু লিলি নবৌৰ আচাৰ-ব্যৱহাৰ আৰু আতৌ-পুতৌৰ সাদৃশ্য দেখিলে অসমীয়া ফকৰা এষাৰিলৈ মনত পৰে, – "বোলে যক্ষ চাই পদ্মিনী-কৃষ্ণ চাই ৰুক্মিণী" । সঁচাকৈয়ে যেন সোণত সুৱগা ।

ককাইদেউৰ বিষয়ে চমুতে সামৰাতো মোৰ পক্ষে যেন কষ্টসাধ্য । মই সৰুতে এল. পি স্কুলত পঢ়াৰ পৰাই মঙ্গলদৈ টাউনত চফল ডেকা হিচাপে যোগেশ ককাইদেউক দেখা মনত পৰে । অকণমান মঙ্গলদৈ টাউনখন । হাইস্কুল খনেই উচ্চশিক্ষাৰ একমাত্ৰ কেন্দ্ৰস্থল । হাইস্কুলীয়া ছাত্ৰ হিচাপে ককাইদেউ সকলো ক্ষেত্ৰত আগৰণুৱা আছিল কাৰণেই বোধকৰোঁ ককাইদেউ জাকত জিলিকা আছিল । আজিও ককাইদেউৰ সেই চতফতীয়া স্বভাৱটো দেখিলে মোৰ ল'ৰালি

কালৰ দিনবোৰলৈ মনত পৰে । ককাইদেউ মোৰ মনত পৰামতে খুব ভাল স্কাউট আছিল । সকলোৰে আগত এক নম্বৰত আছিল যোগেশ ককাইদেউ ।

তাৰ পিছত কেতিয়া মেট্ৰিক পাছ কৰিলে আৰু মেট্ৰিক পাছ কৰি কলৈ গ'ল একো নাজানিলোঁ । নেদেখিলে মনত নপৰা বোলা কথাষাৰ এই ক্ষেত্ৰত বাৰুকৈয়ে খাটে । পিছত ডাঙৰ হওঁতে শুনিছিলো যে ককাইদেউ কলিকতাত থাকে আৰু অসমীয়া মানুহৰ কাৰণে তেওঁ কলিকতাত কৰিব নোৱাৰা কাম একোৱেই নাই । আমাৰ মঙ্গলদৈৰ হলেতো কথাই নাই !

১৯৫০ চনৰ বোধকৰোঁ মাৰ্চ মাহত শ্বিলঙত লগ পাওঁ ককাইদেউক । তেতিয়া এই লেখক একমাত্ৰ অসমীয়া দৈনিক কাকত নতুন অসমীয়াৰ বাতৰি যোগনিয়াৰ আৰু প্ৰতিনিধি । বিধান সভাৰ অধিবেশন বহি থকাৰ সময়তে তেতিয়াৰ মন্ত্ৰী স্বৰ্গীয় মহেন্দ্ৰ মোহন চৌধুৰীদেৱৰ ঘৰত চাহখোৱা টেবুলত একেলগে আৰু কেবাজনৰো.লগত । চৌধুৰীদেৱে মোলৈ আঙুলিয়াই যোগেশ ককাইদেউক সুধিলে । "এওঁক চিনি পাইছেনে ? এওঁ আপোনালোকৰ মঙ্গলদৈৰ" । ককাইদেউ চাহৰ কাপ মুখত দিয়া অৱস্থাৰ পৰা চাঁত কৰে উঠি আহি মই বহি থকা চকীখনৰ পিছফালে মোক প্ৰায় সাৱটি ধৰি মৰমেৰে কেবাষাৰো কথা সুধিলে আৰু কলে "চাহ খোৱাৰ পিছত কথা পাতিমদেই" । ককাইদেউৰ মনত আছেনে নাই নাজানো । মোৰ হলে খুব ভালদৰে মনত আছে ।.....তাৰ পিছত ককাইদেউক আমাৰ ঘৰৰ আৰু পৰিয়ালৰ পৰিচয় দিয়াত ককাইদেৱে মোক ল'বই নে থৰই" উত্ৰাৱল হৈ পৰিল আৰু ক'লে তুমি কলিকতালৈ এবাৰ আহা আৰু আহিলে মোৰ তাত থাকিবা । কাৰ্ড এখন দিলে ঠিকনাটো থকা – ৭ নং এছপ্লেনেড ইষ্ট" । তেতিয়াৰে পৰা এই এছপ্লেনেড ইষ্ট মোৰ মনত আজিলৈকে চিৰ সেউজীয়া হৈ আছে আৰু চিৰদিনৰ কাৰণে চকু নুমুদালৈকে থাকিব ।

তাৰ পিছত ! ককাইদেউ নিজৰ কাম-কাজ সংক্ৰান্তত শ্বিলঙলৈ আহিলেই মোক বিচাৰি উলিয়াই খবৰ লয় – আতৌ-পুতৌ কৰে । মই কলিকতালৈ প্ৰথমবাৰ যাওঁতে "আইডিয়েল হ'মত (মনত পৰামতে মিৰ্জাপুৰ ষ্ট্ৰীট) উঠো । তেতিয়া অসমৰ পৰা যোৱা বহুলোক সেইখন হোটেলতে থাকে । হোটেলৰ মালিক গোপাল বাবুৰ লগত কথা বতৰা হওঁতে তেওঁ অসমৰ পৰা গৈ তাত থকা বহুতো মানুহৰ নাম ক'লে আৰু প্ৰায় সকলোৰে গুণ গালে । কথাত কথা ওলাই যোগেশ ককাইদেউৰ কথা ক'লত আৰু আমি একেঠাইৰেই বুলি কোৱাত তেওঁ আৰু ভাল পালে । তাৰ পৰা এদিন ককাইদেউ থকা ঠাই ওলালোগৈ ঃ ককাইদেৱে দেখি আচৰিত হৈ ক'ত উঠিছা বুলি সুধিলে । আৰু মই হোটেলৰ কথা কোৱাত – 'মই

ইয়াত থাকোতে তুমি কিয় হোটেলত থাকিবা এতিয়াই আহাগৈ' । ককাইদেউৰ আদেশ পেলাব নোৱাৰি মই সেই দিনাই ককাইদেউৰ তালৈ আহিলো ।

তেতিয়া কলিকতাৰ ৮ নং ৰাছেল ষ্ট্ৰীটত "অসম হাউছ" নাছিল । ককাইদেউৰ মুখে শুনিছিলো । অসমৰ পৰা সেই সময়ত কলিকতালৈ যোৱা অথবা কলিকতা হৈ দিল্লীলৈ যোৱা অসমৰ নেতা সকলৰ প্ৰায় সকলেই ককাইদেউৰ সেই ঘৰত আশ্ৰয় আৰু বিশ্ৰাম লৈছিল । তাৰ বাবে তেওঁৰ ঘৰত আছিল আহল-বহল কোঠা আৰু বিছনা পত্ৰ । কলিকতাত লগত লৈ ফুৰোতে অথবা ঘৰত থকা আজৰি সময়ত ককাইদেৱে মঙ্গলদৈৰ পুৰণি মানুহৰ পুৰণি স্মৃতি বিজৰিত বহুতো কথা সোধে আৰু শুনি বৰ আনন্দ পায় । ককাইদেউ মঙ্গলদৈৰ স্কুলত পঢ়া সময়ত মঙ্গলদৈখন আছিল অতি সৰু চহৰ । চহৰবাসী পৰিয়াল সমূহৰ মাজত ঘনিষ্ঠ আপোন সম্বন্ধ ! মই ককাইদেউক কওঁ আপুনি এইবাৰ অসমলৈ গলে মঙ্গলদৈলৈ যেনে তেনে যাবই লাগিব । ককাইদেৱে টপৰাই কয় "নিশ্চয় যাম তুমিও ওলাবা"....এইদৰেই তেওঁ মোক অতি মৰমেৰে নিজৰ ভাতৃ স্বৰূপে আঁকোৱালি ল'লে – যি মৰম মোৰ কাৰণে বহুমূলীয়া ।

তাৰ পিছত আমাৰ সম্বন্ধ দিনে দিনে গাঢ় হৈ উঠিল । সেই মধুৰ দিনবোৰ এটি এটিকৈ অতীতৰ বুকুত সবি পৰিল....। কিন্তু এতিয়াওঁ লগ পালে ককাইদেউৰ লগত কটোৱা আগৰ দিনবোৰলৈ মনত পৰে । এটি ঘটনা এই প্ৰসঙ্গতে উল্লেখ নকৰি নোৱাৰিলোঁ ।

১৯৫৮ চনৰ জানুৱাৰী মাহ । গুৱাহাটীত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশন । লিখক তেতিয়া নতুন দিল্লীত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সদৰ কাৰ্য্যালয়ত জন সম্পৰ্কৰক্ষী আৰু প্ৰচাৰ বিভাগৰ কৰ্ম্মী । স্বৰ্গীয় মহেন্দ্ৰ মোহন চৌধুৰী তেতিয়া নিখিল কংগ্ৰেছ মহাসভাৰ অন্যতম প্ৰধান সম্পাদক । গুৱাহাটীত কংগ্ৰেছ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ কামত সহায়ৰ বাবে বিশেষকৈ স্মৃতিগ্ৰন্থ প্ৰকাশত সহায় কৰিবৰ বাবে মোক ছমাহৰ কাৰণে গুৱাহাটীলৈ আনিলে । স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাদেৱ তেতিয়া অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি । ইতিমধ্যে স্বৰ্গীয় বিষ্ণুৰাম মেধি ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ পদৰ পৰা অব্যাহতি লোৱাত স্বৰ্গীয় চলিহাদেৱে মুখ্যমন্ত্ৰীৰ দায়িত্ব ললে আৰু স্বৰ্গীয় চৌধুৰীক প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু লগতে কংগ্ৰেছ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰো সভাপতি মনোনীত কৰা হলত স্বৰ্গীয় চৌধুৰীয়ে বহু কামৰ দায়িত্ব বহন কৰিব লগীয়া হ'ল । অভ্যৰ্থনা সমিতিৰ কাম ইতিপূৰ্বে কিছু শিথিল হৈ পৰাত প্ৰস্তুতিত বৰ খৰধৰ কৰিবলগীয়া হ'ল । প্ৰসিদ্ধ সংবাদসেৱী শ্ৰী সতীশ কাকতীৰ সম্পাদনাত প্ৰকাশ

হবলগীয়া কংগ্ৰেছ অধিবেশনৰ স্মৃতিগ্ৰন্থ প্ৰকাশৰ কামত ৰাতিক দিন কৰি অহৰহ খাটিবলগীয়া হৈছিল। লগতে অভ্যৰ্থনা সমিতিৰ গুৰু দায়িত্ব বহন কৰা আসাম ত্ৰিবিউন কাকতৰ স্বত্বাধিকাৰী স্বৰ্গীয় ৰাধাগোবিন্দ বৰুৱাৰ সহায়ক হিচাপেও প্ৰতিনিধি বাহৰৰ কিছু দায়িত্ব এই লিখকৰ ওপৰত পৰিছিল ।

এনেতে এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হ'ল । অধিবেশনত যোগদান কৰা বিশিষ্ট নেতৃবৃন্দৰ উপৰি প্ৰতিনিধি সকল, বিষয়ববীয়া সকল আৰু স্বেচ্ছাসেৱী সকলে পৰিধান কৰিবলগীয়া বিভিন্ন প্ৰকাৰৰ "বেজ"ৰ ব্যৱস্থা কৰাৰ দায়িত্ব লৈছিল একালৰ বিশিষ্ট শিল্পী স্বৰ্গীয় মহেন্দ্ৰ নাথ ডেকা ফুকনে । অধিবেশন আৰম্ভ হবলৈ মাত্ৰ সাত নে আঠ দিন বাকী, খবৰ লৈ অভ্যৰ্থনা সমিতিৰ কৰ্ণধাৰ সকলে জানিব পাৰিলে যে বেজৰ ব্যৱস্থা একোৱেই হোৱা নাই । স্বৰ্গীয় ডেকা ফুকনৰ আচাৰ ব্যৱহাৰ এনে আছিল যে তেখেতক একো সুধিবই নোৱাৰি । বেজ আদিৰ বিশেষ দায়িত্বত থকা স্বৰ্গীয় ৰাধা গোবিন্দ বৰুৱাকে প্ৰমুখ্য কৰি সকলো বিমোৰত পৰি হতবাক হ'ল । শ্ৰীসতীশ কাকতীদেৱে পৰিস্থিতি, অভ্যৰ্থনা সমিতিৰ সভাপতি স্বৰ্গীয় চৌধুৰীক জনোৱাত বৰুৱা, কাকতী আৰু চৌধুৰীয়ে বিমোৰত পৰি থিৰ কৰিলে যে – অধিবেশনৰ বাবে বেজৰেই যোগাৰ নোহোৱাটো অসমৰ মান সন্মানৰ কথা । গুণি-গাঁথি থিৰ কৰিলে অধিবেশনলৈ, মাত্ৰ আৰু সাতোটা দিন থকাৰ সময়ত অকল কলিকতাত বাহিৰে আন ক'তো বিভিন্ন ধৰণৰ, বিভিন্ন প্ৰকাৰৰ প্ৰায় ২৪ হাজাৰ বেজ তৈয়াৰ কৰাটো অসম্ভৱ । তেওঁলোকে থিৰ কৰিলে তৎক্ষণাত মোক এই কামৰ বাবে কলিকতালৈ পঠাবলৈ আৰু কলিকতালৈ ফোন কৰি যোগেশ ককাইদেউক পৰিস্থিতিৰ গুৰুত্বৰ বিষয়ে জনালে । লগতে স্বৰ্গীয় চৌধুৰীয়ে তেতিয়াৰ পশ্চিমবঙ্গ প্ৰদেশ কংগ্ৰেছৰ প্ৰধান সম্পাদক শ্ৰীবিজয় সিংহ নাহাৰক আৰু সভাপতি অতুল্য ঘোষক ফোন কৰি জনালে যে যিকোনো প্ৰকাৰে বেজখিনিৰ ব্যৱস্থা কৰি আমাৰ মানৰক্ষা কৰিব লাগে ।

আগবেলা ৯ মান বজাত মই "আসাম ত্ৰিবিউন প্ৰেছ'ত স্মৃতি গ্ৰন্থৰ কামত ব্যস্ত । খবৰ আহিল যেনে আছো তেনেই কংগ্ৰেছ অফিচলৈ " চৌধুৰীয়ে মাতি পঠাইছে । যেনে কথা তেনে কাম । লৰালৰিকৈ প্ৰদেশ কংগ্ৰেছ অফিচলৈ আহি দেখো স্বৰ্গীয় চৌধুৰী, স্বৰ্গীয় বৰুৱা আৰু শ্ৰীসতীশ কাকতী বিমৰিষ হৈ বহি আছে । মই গৈ পোৱাৰ লগে লগে কলে যে তুমি এতিয়াই কলিকতালৈ যাব লাগে – কেইদিনমান থকাকৈ ওলাই আহা । মই তেতিয়া কংগ্ৰেছ অফিছতে থাকোঁ । মই তেখেত সকলৰ কাৰ্যৰ পৰা ওলাই অহাৰ লগতে শ্ৰীকাকতী ওলাই আহি কথাটো কলে । আৰু কলে যে তুমি যোৱা যোগেশ হাজৰিকাক গৈ পায়েই লগ

ধৰিবা । চৌধুৰী আৰু বৰুৱাই তেওঁক সকলো কৈছে । তেওঁৰ লগত থাকি যি কোনো প্ৰকাৰে কামটো কৰি আহাগৈ । নহলে আমাৰ সন্মান নাথাকে । স্বৰ্গীয় বৰুৱাই মোৰ হাতত কিছু টকাও দিলে । মই লগে লগে বিমানেৰে গৈ দমদমৰ পৰা পোনে পোনে টেক্সিৰে ককাইদেউৰ ৭ নং এছপ্লেনেড ইষ্ট পালোগৈ । ককাইদেউ মোৰ অপেক্ষাতে আছিল । স্বৰ্গীয় মহেন্দ্ৰ চৌধুৰীয়ে দিয়া চিঠিখন দিলো । ককাইদেৱে পঢ়ি চাই অবাক । সময় ইমান কম ঃ কেনেকৈ কি কৰা যায় ? তেওঁৰ চিন্তা । চৌধুৰীৰ চিঠিখন মোক দেখুৱালে । মাত্ৰ তিনিটা বাক্য । "প্ৰিয় হাজৰিকা ! নকুলক পঠালোঁ । কামটো কিন্তু আপুনিয়েই কৰিব লাগিব । তেওঁক সহায়ৰ বাবেহে আৰু বেজখিনি অনিবলৈহে পঠাইছো ।

ককাইদেৱে দাঁতেৰে তলৰ ওঁঠটোত কামুৰি ধৰি অলপ চিন্তান্বিত হৈ ক'লে, "চাহ একাপ্ৰ খাই লোৱা ঃ আৰু সময় নাই" । মই কলো চাহ নেখালেও হ'ব, কাৰণ এটা মিনিটেই এটা দিন যেন পৰিস্থিতি । মোক আপোনাক লগত লৈ বিজয় সিং নাহাৰৰ ওচৰলৈ যাবলৈ কৈছে ।" ককাইদেৱে বিজয় সিং নাহাৰৰ ঘৰলৈ ফোন কৰি তেওঁৰ লগত কথা হ'ল আৰু লগে লগে তেওঁৰ ঘৰলৈ মাতিলে । আমি দুয়ো টেক্সি এখন লৈ নাহাৰ ডাঙৰীয়াৰ ঘৰ ওলালোগৈ । নাহাৰ ডাঙৰীয়াৰ লগত ভাগ্যে মোৰ আগৰ চিনাকি আছিল । সেই যে টেক্সিত উঠিলো – তেতিয়াৰে পৰা পাঁচোটা দিন এক ঘণ্টাও বিৰতি নোহোৱাকৈ যোগেশ ককাইদেউৰ লগত কলিকতাৰ বজাৰে-বজাৰে, তামৰ বেজ কৰিব পৰা, বিশিষ্ট অতিথিৰ কাৰণে ডাঙৰ ডাঙৰ নানা তৰহৰ বেজ কৰিব পৰা, কাৰিকৰৰ দোকানে-দোকানে, ঘৰে-ঘৰে ৰাতিয়ে দিনে বাট ক্ৰুৰি বাই আগতীয়াকৈ টকা-পইচা দি বেজ তৈয়াৰ কৰাৰ অগ্ৰগতি নিৰীক্ষণ কৰি ঘুৰি ফুৰোতে পেটৰ ভোক নোহোৱা হ'ল । ইফালে শ্ৰীনাহাৰে তেওঁৰ ঘৰৰ ডেৰ কুৰি (ত্ৰিশ গৰাকী) মহিলা আৰু ছোৱালী গোটাই দিনে নিশাই অন্যান্য প্ৰায় ১০ হাজাৰ বেজ তৈয়াৰ কৰোৱাত লাগি গ'ল । মই শ্ৰীনাহাৰৰ অনুমতি লৈ তেওঁলোকক যেতিয়াই লাগে চাহ-জলপানৰ যোগান ধৰিলো । মোৰ চিন্তা-ভাৱনা আৰু ব্যস্ততা দেখি শ্ৰীনাহাৰো আচৰিত হৈছিল – কৈছিল "গোটেইখিনি বেজ তৈয়াৰ কৰি আপোনাকে পঠাই দিম । মই চৌধুৰীজীক (মহেন্দ্ৰ চৌধুৰী ডাঙৰীয়াক) আশ্বাস দিছোঁ । যোগেশ ককাইদেউক দায়িত্ব দি মোক সহায়ক হিচাপে দি বৰুৱা-কাকতী আৰু চৌধুৰী একপ্ৰকাৰে নিশ্চিন্ত হৈছিল যদিও সময়মতে আহি পাওঁনে নাপাওঁ – মানৰক্ষা হয়নে নহয় তাৰ প্ৰতি চিন্তামুক্ত হোৱা নাছিল ।

ভগৱানৰ কৃপাত খৰধৰকৈ হলেও কামফেৰি হ'ল । একমাত্ৰ যোগেশ ককাইদেউৰ তৎপৰতাত আৰু কলিকতা মহানগৰীত তেওঁৰ থকা চিনাজনা আৰু

প্ৰভাৱশীল ব্যক্তি সকলৰ সহযোগত । এই চাৰিটা দিনত ককাইদেউৰ ব্যস্ততা আৰু কৰ্মতৎপৰতা দেখি মই তবধ মানিছিলো । কংগ্ৰেছ অধিবেশনৰ প্ৰতিনিধি শিবিৰ মুকলি কৰাৰ আগদিনা আবেলি আঠোটা ডাঙৰ-ডাঙৰ টিনৰ বাকছত বেজবোৰ ভৰাই লৈ বিমানেৰে আহি আবেলি গুৱাহাটীৰ বৰঝাৰ বিমান কোঠ পাওঁহি । সেই কেইদিন ভাগৰ কি বস্তু পাহৰি গৈছিলো ।.... বেজখিনি আনিবৰ কাৰণে দুখন জীপ আৰু কাৰ এখন ৰৈ আছিল । লগত কোন আছিল পাহৰিছো । বেজখিনিৰ বাকছকেইটা ষ্টকত ৰাখি স্বৰ্গীয় বৰুৱা আৰু স্বৰ্গীয় চৌধুৰীক দেখা দিয়াত উদগ্ৰিব হৈ থকা অৱস্থাতো সন্তোষ্টিৰ মনোভাৱ প্ৰকাশ কৰিলে । ইতিমধ্যে শিবিৰত প্ৰতিনিধি আহি উপস্থিত হৈছিলেই । মই সকলোকে ক'লো – যোগেশ ককাইদেৱে কিমান কষ্ট কৰি এই কামটো কৰিলে ।

সঁচাকৈয়ে এক মহা সঙ্কটত যোগেশ ককাইদেৱে এইদৰে কংগ্ৰেছ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ, অসম প্ৰদেশ কংগ্ৰেছ তথা অসমৰ মান ৰক্ষাৰ এক অতুলনীয় অৰিহণা যোগালে ! সেই সময়ত কলিকতাত যোগেশ ককাইদেউ নোহোৱা হ'লে এই কাম হ'লহেঁতেন নে ? তাক ভাবি মই এতিয়াও কেতিয়াবা কেতিয়াবা আচৰিত হওঁ ।

যোগেশ ককাইদেৱে মোক কলিকতালৈ গলে লগ পালে মাজে মাজে সোধে – নকুল মনত আছেনে ? কংগ্ৰেছ অধিবেশনৰ বেজৰ কথা । মই কওঁ ককাইদেউ আপুনি নথকা হলে যে কংগ্ৰেছ অধিবেশনত কি পৰিস্থিতি হ'ল-হেঁতেন ! তাক ভাবিলে এতিয়াও আচৰিত আচৰিত লাগে ।

যোগেশ ককাইদেউৰ জনপ্ৰিয়তা, কৰ্মতৎপৰতা, অমায়িকতা, সহৃদয়তা আৰু স্নেহশীলতা আমাৰ কাৰণে আদৰ্শনীয় । আজিও আগৰ সেই স্কুলীয়া ছাত্ৰজীৱনৰ চটফতীয়া আচৰণ-প্ৰকৃতি ককাইদেউৰ এটি বিৰল প্ৰতিভা বুলি মই বিশ্বাস কৰোঁ ।

আজি কলিকতাৰ অসমীয়া সমাজৰ লগতে এইখিনি কথা সুঁৱৰি যোগেশ ককাইদেউলৈ মোৰ শ্ৰদ্ধা আৰু ভক্তি জনাইছো আৰু দেশমাতৃৰ সেৱাত তেওঁৰ সুদীৰ্ঘ জীৱন কামনা কৰিছোঁ ।

ড° মহেন্দ্ৰ বৰাৰ, 'উপলা নদীৰ দৰে' গ্ৰন্থত ঃ শ্ৰীযুত যোগেশ হাজৰিকাৰ, ব্যক্তিসত্ত্বাৰ আলোকপাত

কলিকতাত থকা সেই সময়ছোৱাৰ প্ৰথম বছৰটো মই নিজকে বহু কামতেই ব্যস্ত ৰাখিছিলো । এদিন আমাৰ হোষ্টেলতে এজন বৰ ৰঙিয়াল মনৰ ফৰকাল অন্তৰৰ মানুহক লগ পাই গলো । মানহজনক কলিকতা-প্ৰবাসী আটাইবোৰ অসমীয়াই অসমৰ বেচৰকাৰী হাই কমিছনাৰ আখ্যা দিছিল । সকলোৰে বিপদৰ বন্ধু এই মানুহজনৰ নাম যোগেশ্বৰ হাজৰিকা । কিন্তু, আচলতে তেখেতক আচল নামেৰে যিমান মানুহে চিনি পাইছিল তেখেতৰ সংক্ষিপ্ত নাম "যোহাজ" টোৰে । নাম সংক্ষিপ্ত কৰাৰ এইটো মাৰ্কিন পদ্ধতি । বৃটিছ পদ্ধতিটো হ'ল abbreviation-ৰ প্ৰত্যেকটা শব্দৰ আদি আখৰটো দি মাজতে একোটোকে 'ফুলষ্টপ' দি চমুকৈ লিখাৰ পদ্ধতি । মাৰ্কিন পদ্ধটিতো হ'ল acronym-ৰ প্ৰত্যেকটো শব্দৰ একো অংশ লৈ চমুকৈ এটা শব্দৰ দৰে সাজি উচ্চাৰণ কৰাৰ পদ্ধতি । সেই কাৰণেই, মানুহজন জোহাজ (JOHAZ) । দুদিনমানৰ ভিতৰত তেখেত মোৰ কাৰণে ৰূপান্তৰিত হৈ পৰিছিল জোহাজ মামালৈ । আৰু, সিজনে মোক মাতিবলৈ ল'লে 'ভাগিন' বুলি ;কিন্তু সম্বোধনটো বৈয়েই গ'ল 'আপুনি' হৈ । এবাৰ মই আৰু মহেশ ভূঞা পূজাৰ বন্ধতো ঘৰলৈ অহা নাছিলোঁ । এদিন হঠাৎ আমাৰ দুয়োকে বাটতে লগ পাই সুধিলে, "ভাগিন, ঘৰলৈ যোৱা নাই ? কিয় যোৱা নাই ? মই উত্তৰ দিলো " যোৱা নাই । কাৰণ, পইচা নাই ।" জোহাজ মামাই ক'লে, "কাইলৈ এয়াৰ অফিচলৈ গৈ মেনেজিং ডিৰেক্টৰ ৰায়ক লগ ধৰিবগৈ । চিধা দুই মহলালৈ উঠি যাব । মোৰ কথা ক'ব । আপোনালোক দুয়োকে দুখন বিনামুলীয়া ৰিটাৰ্ন টিকেট দি দিব ।" পাছদিনা পি-৩৪, মিছন ৰো" এক্সটেন্সনৰ এয়াৰ অফিচলৈ গ'লো । দুয়োৰে খুব হাঁহি উঠিছিল, আমাৰ বুৰ্বকামিৰ পৰিচয় দিবলৈ গৈছো বুলি । আচৰিত কথা, মেনেজিং ডিৰেক্টৰক লগ ধৰি কোৱাৰ লগে লগে আমাৰ তলব

মহলাৰ কাউণ্টাৰৰ পৰা টিকেট দুটা সংগ্ৰহ কৰি ল'বলৈ ক'লে । আহিবৰ দিনা প্লেনত নুঠালৈকে ভূঞা আৰু মই বিশ্বাসেই কৰিব পৰা নাছিলো, টিকেট দুটা সঁচাকৈ কামত আহিবনে নাহে । সেইবাৰ অহা যোৱা কৰা সেই অকাশ-যাত্ৰা দুটাই মোৰ জীৱনৰ একমাত্ৰ বিনামূলীয়া আকাশী জাহাজ ভ্ৰমণ ।

আজি প্ৰায় ৪০ বছৰতকৈয়ো বেচি কাল এই মানুহজন কলিকতাতে আছে । এতিয়া এচপ্লেনেড ইষ্টৰ পাঁচ মহলীয়া ঘৰ এটাৰ আটাইতকৈ ওপৰৰ মহলাটোত আছে, পৰম সুখেৰে । আচল ঘৰ মঙ্গলদৈত । যি কি নহওক, সেই সময়ত এই মানুহজনৰ উদ্যোগত এবাৰ 'বোটানিকেল গাৰ্ডেনত অসমীয়া পৰিয়ালবোৰৰ সৈতে অসমীয়া ছাত্ৰ-ছাত্ৰী গোটেইবোৰেই ১৯৫২ চনৰ এপ্ৰিল মাহত বিহু উৎসৱটো পালন কৰিছিল । তাৰ পাছতে, যোগেশ্বৰ হাজৰিকাৰ উদ্যোগতে তাহানিৰ এ, এছ, এল, ক্লাবটো আকৌ জীয়াই তোলা হৈছিল । মোৰ যিমান দূৰ মনত পৰে, উমেশ বৰুৱাদেৱেই কথাষাৰ উলিয়াইছিল বোলে, নামটো সলাব লাগে । 'কাৰণ এ, এছ, এল, ক্লাব' ছাত্ৰ-ছাত্ৰীৰহে অনুষ্ঠান । কথাষাৰ লৈ বহুত গুণা-গথা চলিল । তাৰ মাজতে মই মাত লগালো "কোনো প্ৰয়োজন নাই নেকি নামটো সলনি কৰাৰ ! আমি যদি 'এ, এছ, এল, ক্লাব' শব্দটোৰ অৰ্থ 'আছামীজ ষ্টুডেণ্টছ্ লিটাৰেৰী ক্লাব' বুলি নেভাঙি 'আছামীজ চচিয় লিটাৰেৰী ক্লাব' বুলি ভঙাৰ ব্যৱস্থা এটা কৰো, তেনেহলেই দেখোন সমস্যাটোৰ এটা সুন্দৰ সমাধান হৈ যায় ।" কথাষাৰ সকলোৰে মনঃপুত হ'ল । লগে-লগে মোৰ ওপৰত দায়িত্ব এটা পৰিলহি – ক্লাবৰ এখন সংবিধান ৰচনা কৰি দিব লাগে । কৰি দিলো । তাৰ পাছতে, আমাৰ সাধাৰণতে যিটো হয়, সেইটোৱেই হ'ল । মানে নিৰ্বাচন-পৰ্বৰ ব্যৱস্থা কৰা হ'ল । মোৰ যিমান দূৰ মনত পৰে । উমেশ বৰুৱাক পতা হ'ল সভাপতি আৰু যোগেশ্বৰ হাজৰিকাক প্ৰধান সম্পাদক । মানিক খাউণ্ড আৰু মোক পাতিলে সহকাৰী সম্পাদক । সেইটো বছৰ এ. এছ. এল. ক্লাব ভালকৈয়েই বাচি আছিল । তাৰ পাছত আকৌ মৰিল ।

সেইদিনা আবেলি মোৰ তাহানিখনৰ কলিকতীয়া মামা যোগেশ্বৰ হাজৰিকাৰ পৰামৰ্শ এটা লোৱাৰ কথা ভাবিছিলো । কাৰণ এইবোৰ কথাত তেখেত সন্ধিৰ বাঁহ বুদ্ধিৰে কটাত উস্তাদ ! চিত্ৰা সেনে অৱশ্যে পৰামৰ্শ দিছিল, "প্ৰবাসাজ্ঞা নোহোৱাকৈয়ে গুচি যাওকগৈ । বহুতেই যায় । আধা বাটৰ পৰা কোনো ঘূৰি অহা

দেখা নাই । হিথ্‌ৰো পালেগৈ আপোনাৰ খুলশালিয়ে দিয়া চিঠিখনৰ ওপৰতে নিৰ্ভৰ কৰি তেওঁলোকে আপোনালোকক প্ৰৱেশ অনুমতি পত্ৰ দিবলৈ অকণো দ্বিধা নকৰে ।" মই অনিমেশলৈ এখন cable কৰি পঠিয়ালো যোৱা সোমোৱা খাতাং হোৱাই নাই ; ভিচাৰ জঞ্জাল মৰা নাই । আবেলি গীতাই 'অসম ভৱন'ৰ পৰিচালক জনক সুধিলে, যোগেশ্বৰ হাজৰিকাই কোনটো সময়ত তাত ভুমুকি মাৰেহি ? তেওঁ উত্তৰ দিলে, "তেখেতকতো আজি লগ পোৱা মস্কিল হ'ব । তেখেততো এতিয়া ইয়াতেই আছে – মুখ্যমন্ত্ৰীক লৈ ব্যস্ত হৈ" । মুখ্যমন্ত্ৰী ! ক'ৰ অসমৰ নে পশ্চিম বংগৰ ? উত্তৰ পালে, অসমৰ গৰাকীয়েই । দিল্লীলৈ যোৱাৰ বাটত 'অসম ভৱন'তে মুখ্যমন্ত্ৰী গোলাপ বৰবৰাই আবেলিটোৰ বাবে জিৰণি লৈছেহি । গীতাই প্ৰায় চপলিয়াই আহি খবৰটো দিলেহি । মই কলো, তাঁকে বিচাৰোতে দেখোন খালৈয়েই পালো । মুখ্যমন্ত্ৰী বৰবৰা মোৰ পূৰ্বৰ চিনাকি । গতিকে, তেখেতক লগ ধৰাত অসুবিধা নহ'ল । মোৰ সমস্যাটোৰ কথা কলো । তেখেতে ক'লে, "মই বাৰু ডেপুটি হাই কমিছনাৰলৈ এখন চিঠি লিখি দিওঁ । আপোনাৰ অসুবিধা হ'ব নালাগে ।" তেখেতৰ একান্ত সচিব আৰ. এন. চৌধুৰীয়ে মোৰ সমুখতে এখন ধুনীয়া অনুবোধ পত্ৰ মকাবিলা কৰি দিলে । সেইখনতে বৰবৰাই চহী এটা কৰি এটা লেফাফাত সুমুৱাই মোৰ হাতত দিলে । বৰবৰাৰ শলাগ লোৱাৰ ভাষা মোৰ নাই । আৰু এটা কথা কোন বুৰ্বকে বাৰু লিখি থৈ গৈছিল 'পথে নাৰী বিৱৰ্জিতা' কথাষাৰ ?

গধূলি মই তাহানিকলীয়া মামা যোগেশ্বৰ হাজৰিকাৰ ঘৰলৈ গলো । এচপ্লেনেড ইষ্টৰ পাঁচ মহলীয়া ঘৰ এটাৰ চাদৰ ওপৰত বগীতামৰ মুধচ লগোৱা ঘৰটো । অকোৱা-পকোৱা লোহাৰ ৰেলিং দিয়া খট্‌খটিটো বগাই ঘৰৰ ভিতৰ সোমালোগৈ । হাজৰিকাই তেতিয়া জিৰণি লৈছিল । পোনতে মই তেখেতৰ পৰিবাৰৰ লগত চিনাকি হলো । মামাৰ উপযুক্ত মামী । তাৰ পাছত, সকলো কথা ভাঙি-পাতি কলো ; চিঠিখনো দেখুৱালো । আচল কথাষাৰ কলো, "চীফ মিনিষ্টাৰে দিয়া চিঠিখনে যদি কাম নিদিয়ে, তেন্তে আপুনি মোক সহায় কৰি দিব লাগিব । আপোনাৰ নিজস্ব উপায়েৰে ।" তেখেতে উত্তৰ দিলে, "আপুনি চিন্তাই নকৰিব । সেইখন এখন ডকুমেণ্ট । সেইখন অগ্ৰাহ্য কৰাৰ প্ৰশ্নই নুঠে ।" মই কলো, "তথাপি যদি – ।" হাজৰিকাই মোৰ মুখৰ কথা কাঢ়ি নি ক'লে "যদি

অগ্রাহ্য কৰে, তেনেহলে কথা গহীন হ'ব । মই কৈছোৱেই, এইখন চিঠি নহয় – ডকুমেণ্ট ।"

সেইখন সঁচাসচিকৈয়ে "ডকুমেণ্ট" আছিল । পাছদিনা সেই 'ডকুমেণ্ট' খন লৈ বৃটিছ 'ডেপুটি কন্সুলেটৰ' অফিচলৈ গলো । ৰিচেপচনিষ্ট, জন (John) ক কলো । ডেপুটি হাই কমিছনাৰক মই চিঠি এখন দিবলৈ আহিছো । চিঠিখন তেওঁ মোৰ হাতৰ পৰা লৈ খট্‌খটিৰ কাষতে ওপৰৰ পৰা জৰী লগাই ওলোমাই থোৱা পাচি এটাত থৈ জৰীডাল জেকাৰি দিলে । লগে লগে সেই পাচিটো ওপৰলৈ তুলি নিলে । কুৰি মিনিটমানৰ পাছতে গ্রীণলে নামৰ ইমিগ্রেচন অফিচাৰটো ওপৰলৈ উঠি যোৱা দেখিলো । অলপ পাছতে নামি অহাও দেখিলো । তাৰ চাগৈ ভীষণ খং উঠিছিল, 'ডকুমেণ্টৰ খুন্দাটো খাই ।' অক্সফোর্ড ডিকচনাৰীত আছে শব্দটোৰ এটা সচৰাচৰ অচল অর্থ admonition, warning-মানে ককর্থনা, ভৎর্সনা অথবা গঞ্জনা ।

অৱশেষত, আমি দুয়ো দুখন ভিচা পালো ।

আমাৰ মন ফৰকাল হৈ পৰিল ।

ককা শ্ৰীযুত যোগেশ্বৰ হাজৰিকা

প্ৰণিতা হাজৰিকা

শ্ৰদ্ধেয় ককা যোগেশ হাজৰিকাৰ জীৱন, ব্যক্তিত্ব আৰু প্ৰতিভাৰ ওপৰত ৰেখাপাত কৰি ইণ্ডিয়ান বাইটাৰ্চ এচোচিয়েচনে এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱা কাৰ্য্য সঁচাকৈ প্ৰসংশনীয় । গুণীজনক সন্মান দিয়াটো অতি মহৎ কাম । হাজৰিকা ককা এনে এজন ব্যক্তি যিজনৰ জীৱন-আদৰ্শৰ পৰা উত্তৰ পুৰুষে জানিব আৰু শিকিবলগা বহুতো সমল আছে ।

মই দেউতাক আমাৰ ককা সকলৰ বিষয়ে শুধিছিলো । দেউতাই এপিনৰ পৰা আটাইকেইগৰাকী ককা আৰু তেওঁলোকৰ মানে পৰিয়ালবৰ্গ সকলোৰে কথা এপিনৰ পৰা মোক কৈ গৈছিল আৰু সকলোৰে ভিতৰত শ্ৰীযুত যোগেশ ককাৰ ব্যক্তিত্ব আৰু প্ৰতিভাই মোক আকৃষ্ট কৰিছিল । কাৰণ তেওঁ ইমান কম বয়সতে গাঁওৰ পৰা কলিকতাৰ দৰে মহানগৰীলৈ ওলাই আহিছিল আশাৰ সপোন বাস্তৱত পৰিণত কৰিবলৈ । যত্ন কৰিলে ৰত্ন পায় । সঁচাকৈ ককাই অশেষ কষ্ট আৰু যত্নৰ জৰিয়তে তেওঁৰ বুকুত থকা আশাৰ সপোন বাস্তৱত পৰিণত কৰি দেখুৱালে ।

আমি তেতিয়া চান্দমাৰীত আছিলো । বয়সত অৱশ্যে মই সৰু আছিলো । ককা প্ৰায়ে কলিকতাৰ পৰা গুৱাহাটীলৈ গৈছিল । মই ইয়াতে এটা কথা উল্লেখ কৰিব খোজো ককা গুৱাহাটীলৈ গ'লে কেতিয়াও কোনো আত্মীয় স্বজন বা বন্ধুৰ ঘৰত নাথাকিছিল আৰু এতিয়াও নাথাকে । কিয়নো তেওঁ Hotel-ত থাকে । আৰু সেই একেখন যিখন Hotel-ৰ নাম সৰুৰে পৰা এতিয়ালৈ শুনি আছো তেওঁৰ প্ৰিয় Hotel Nova.

১৯৯৫ চনত আমি যেতিয়া দক্ষিণ ভাৰত ভ্ৰমণ কৰিবলৈ যাওঁ তেতিয়া ঘূৰাৰ পথত আমি কলিকতাত ককাৰ ঘৰত কেইবাতি মানৰ বাবে আছিলোহি আৰু তেতিয়াই মই আইতামাক (শ্ৰীমতী লিলি হাজৰিকা) লগ পাওঁ । যদিও আইতামা আমাৰ ঘৰলৈ আগতেই গৈছিল মই বয়সত সৰু থকাৰ বাবে তেওঁৰ বিষয়ে কোনো স্মৃতিয়েই মোৰ মনত নৰৈছিল । কিয় জানো কলিকতাত থকা সেই কেইটা দিন মোৰ বাবে আছিল অতি প্ৰেৰণাদায়ক আৰু পাহৰিব নোৱাৰা মধুৰ এক

স্মৃতি । আইতামাই মানুহক যে কিমান মৰম, স্নেহ কৰে মই দেখি অভিভূত হৈ পৰিছিলো । পূজ্য ককাই সেই কেইদিনতে তেখেতৰ পাৰ হৈ যোৱা দিনবোৰৰ জীৱন কাহিনী মহাভাৰতৰ ৰামায়ণৰ মনোমুগ্ধকৰ কাহিনীবোৰৰ দৰে এফালৰ পৰা সকলোবোৰ মোক শুনাই গৈছিল । তেখেতৰ লিখা মেলাবোৰো মোক পঢ়িব দিছিল । সেইবোৰ বুজি শুনি মোৰ মানুহজনৰ দেশাত্মবোধ, সাহিত্য-প্ৰীতি আৰু কৰুণাভৰা অন্তৰখনৰ বিষয়ে বিৰাট উপলব্ধি হৈছিল । আচৰিত হৈছিলো এজন মানুহৰ গাত যে ইমানবোৰ গুণ থাকিব পাৰে । ককাৰ জীৱন কাহিনীৰ পৰা জানিব লগা, শিকিব লগা বহুতো সমল আছে । গুণৰ পূজা সৰ্বত্ৰ ।

অনুপ্ৰেৰণাৰ উৎস, বিনয়ৰ চানেকি ককাৰ প্ৰতিভা বহুমুখী । সীমাহীন ব্যক্তিত্বৰে ভৰা এটি স্নিগ্ধ জীৱন । বহুধা-বিভক্ত তেখেতৰ ব্যক্তিত্ব । বহুমুখী প্ৰতিভাক লৈয়েই মানুহজনৰ জন্ম । "Love is life and enjoy it." ককাৰ জীৱন দৰ্শন যুগ-যুগলৈ ধ্ৰুৱতৰাৰ দৰে জিলিকি থাকক । তেখেতৰ আহি থকা দিনবোৰ সুন্দৰ আৰু মধুময় হওঁক । এইয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা ।

স্নেহ আৰু মমতাৰে ভৰা মানুহজন

বাণী বৰুৱা

বিবাহ সূত্রে অসমৰ বোৱাৰী, কলিকতাৰ অসমীয়া সমাজৰ বিভিন্ন সামাজিক অনুষ্ঠানত সেয়ে অংশ লোৱা আৰু গুণীজনৰ লগত চা-চিনাকি হোৱা সুযোগ পাইছোঁ ।

১৯৮০ চনৰ বহাগ বিহুৰ সঙ্গীত সন্ধীয়াত অসম ভৱনত গীত গাইছিলো মোৰ স্বামী প্ৰণৱ বৰুৱাৰে সৈতে, অনুষ্ঠানৰ শেষত চাহ জলপান খোৱাৰ সময়ত এজন বয়সীয়া ভদ্ৰলোক আহি নিজেই পৰিচয় দিলে আৰু গীত ভাল হোৱা বুলি ধন্যবাদ জনালে । মনটো বৰ ভাল লাগি গ'ল । মনতে ভাবিলো নিশ্চয় এই সমাজখনেও মোক এনেকৈয়ে আদৰিব ।

কলিকতাৰ তথ্য আৰু জনসংযোগ বিভাগৰ মঞ্চত ওৱেষ্ট বেঙ্গল আৰ্টিষ্ট ফেডাৰেছনৰ দ্বাৰা আয়োজিত চিত্ৰশালা প্ৰদৰ্শনীত কলিকতা মহানগৰীৰ মেয়ৰ শ্ৰীপ্ৰশান্ত চট্টোপাধ্যায়ৰ ভাষণত উত্তৰত কলিকতা সাহিত্য চ'ৰাৰ সভাপতি হিচাপে অসম আৰু বঙ্গৰ সম্প্ৰীতিৰ সেতু কটকটীয়া কৰিবৰ বাবে দুই ৰাজ্যৰ চিত্ৰশিল্পীৰ যৌথ প্ৰদৰ্শনীৰ আবেদন । এইজনেই অসমৰ সাংস্কৃতিক প্ৰেমী শ্ৰীযোগেশ হাজৰিকা ।

শ্ৰীযুত হাজৰিকা ককাইদেউৰ ঘৰখন সকলোৰে বাবেই উন্মুক্ত অতিথিশালা । কলিকতা মহানগৰীৰ কেন্দ্ৰবিন্দু ধৰ্ম্মতলাৰ চতুৰ্থ মহলাত ভাৰতবৰ্ষ তথা বিদেশৰ বহুতো গুণীজনৰ আহ-যাহ এইখন ঘৰত চলিয়েই আছে । নিজৰ সুবিধা অসুবিধাৰ কথা নেভাবি নৰ-নাৰায়ণ সেৱাতেই ব্ৰতী আনৰ বিপদ আপদৰ সময়তো অগ্ৰণী ভূমিকা ।

মোৰ সম্বন্ধীয় ককাইদেউৰ বেকাৰত্ব সহিব নোৱাৰি এদিন গৈছিলো হাজৰিকা ককাইদেউৰ পৰা কিবা উপদেশৰ বাবে কিন্তু—মোৰ সেই আশা পূৰ্ণ হৈছিল, যেতিয়া টেলিফোন যোগে কৰোবাৰে সৈতে আলোচনা কৰিয়েই হাঁহি মাৰি কৈছিলে "বাণী—চিন্তা কৰিব নেলাগে—সব ঠিক হৈ যাব" । আনন্দত উভতিছিলো ঘৰলৈ—ঠিক দুদিন পিছতেই খবৰ দিলে কাম ঠিক হ'ল গৈ যোগদান কৰিব লাগে ।

আনৰ দুখক সমভাৱে লোৱা সমাজ সেৱক হিচাপে অকৃত্ৰিম সেৱা কৰাই যাৰ উদ্দেশ্য তেখেত চিৰপূজ্য, তেখেতক ভগৱানে দীৰ্ঘায়ু কৰক । এয়ে কামনা ।।

যোগেশ হাজৰিকা খুড়াৰ প্ৰতি

বিমল ভবালী

ঊনৈশ এসত্তৰৰ পঁচিশ ফেব্ৰুৱাৰীত
আহিলো এক ভাগ্যহীনা,
শিয়ালদহ পাই সকলোবোৰ বস্তু
নহয়যে মোৰ এটিও চিনা ।
ডাঙৰ ডাঙৰ ঘৰ বৃহৎ অট্টালিকা দেখি
পেপুৰা লাগিলো মই,
টঙ্গা ভাৰা কৰি বয়-বস্তুবোৰ লৈ
অসম ভৱন ওলালোগৈ ।
অসম ভৱন যে জাকত জিলিকা
সুন্দৰ ঠাইত আছে,
অসমীয়া চাকৰিয়াল বুলিবৰ নাই
অসম ভৱনত পাছে ।
দ্বিতীয় দিনা মই অসম ভৱনত
হাজৰিকা খুড়াক পাই,
অসমীয়া এজনে অসমীয়াক দেখি
আনন্দত ঠাই নাই ।
খুড়াই সুধিলে ঘৰ ক'ত তোমাৰ
ভাল কৰিলা আহি,
ভয় নকৰিবা আনন্দত থাকিবা
অসমীয়াক কৰিলা ৰাহি ।
অসমীয়া মানুহ আহিব নোখোজে
কিয় যে ভয় খায়,
কলিকতাৰ নিচিনা সুন্দৰ চহৰ
পৃথিৱীত পাবলৈ নাই ।

সাত নং এছপ্লেনেডত থাকো মই তাতে
ওপৰ তলাত ঘৰ,
যেতিয়াই তুমি সময় পোৱা
মাৰিবা তালৈ ল'ৰ ।
হাজৰিকা খুড়া চুটি চাপৰ মানুহ
দেখিবলৈ ধুনীয়া অতি,
হাজৰিকা খুড়ীও তেনেই মৰমীয়াল
মৰম আকলুৱা বেছি ।
মানুহ গলেই আদৰ-সাদৰ কৰে
নাৰাখে ভিন ভাৱ,
যুগৰ পাছত যুগ যুগ ধৰি
অসমীয়াৰ ৰাখিছে চাৱ ।
কলিকতা চহৰত অসমীয়া মানুহ
পাবলৈ অতিকে টান,
যেতিয়া নাছিল পূৰ্ব্ব পাকিস্থান
আছিল হিন্দুস্থান ।
সেই দিনৰে পৰা হাজৰিকা খুড়া
আজিও কলিকতাত আছে,
মঙ্গলদৈৰ পৰা কলিকতালৈ আহি
অসমীয়াৰ সন্মান যাচে ।
পৰিয়াল বুলিবলৈ ছোৱালী দুজনী
ঘৈণীয়েক মৰমৰ,
দুয়োজনী ছোৱালীক সময়ত বিয়া দি
হেঙাৰ গুচাই জীৱনৰ ।
বহুতো পুৰণি খ্যাতি সম্পন্ন
ব্যক্তিৰ লগত ভাই,
অতিকে চিনাকি নিজৰ ভাই যেন
ব্যৱহাৰ পাবলৈ নাই ।
হাজৰিকা খুড়া সন্মানত চহকী
চহকী অসমীয়া জন,
সকলোৰে পৰা কলিকতাত থাকি
আনন্দত ৰাখিছে মন ।

অসম বাংলাৰ সেতু বান্ধি তেওঁ
বাখিলে জাতিৰ মান,
অসমীয়া হৈও এনেকৈ সদায়
পাৰিবনে কোনোবাই ।
এ, এছ, এল ক্লাৱ সাহিত্য চ'ৰা
আৰু যে কতনা কি,
যিজনে পাৰিছে সিজনেই কাঢ়িছে
কাঢ়িছে ইয়াৰ ঘী ।
হাজৰিকা খুড়া সাহিত্য চ'ৰাৰ
নতুন সভাপতি হ'ল,
দেশ-বিদেশৰ কটকীৰ লগত
চ'ৰাক আগুৱাই লৈ গ'ল ।
বহুতো অনুষ্ঠানৰ বিষয় ববীয়াহৈ
নিজক স্বীকৃতি দিলে,
অসমীয়া এজন কলিকতাত থাকি
কি কি নকৰিলে ।
লিখা পঢ়া তেওঁৰ কিমান যে নেজানো
ইংৰাজী সুৱলা কয়,
ইংৰাজীত যেতিয়া ভাষণ দিয়ে তেওঁ
সমবেত মুগ্ধ হয় ।
গাড়ী-ঘোঁৰা আৰু অফিচ দফতৰ আদি
কিমান যে কৰিলে তেওঁ,
অসমীয়া হৈ তেওঁ অনা-অসমীয়াৰ হাতত
কেতিয়াও নামানিলে সেওঁ ।
উচ্চ মনোবল প্ৰখৰ দৃষ্টি তেওঁৰ
হিংসাক নকৰে ভয়,
সেই মন্ত্ৰৰে দিক্ষিত হৈ তেওঁ
নিজক কৰিলে জয় ।
এদিন খুড়াই হঠাতে মোক কলে
কলিকতাত দুটা বাট,
এটি সৰগলৈ নৰকলৈ যোৱা আনটি
বহে নানা তৰহৰ হাট ।

সৰগৰ বাটটো তেনেই সৰু বোপা
অধিক পিচল তাত,
নৰকলৈ যোৱা বাটটোত দেখিবা
অমৰ প্ৰেমৰ হাট ।
কলিকতালৈ আহিছা ভালকৈ থাকিবা
নিজক গঢ়ি লোৱা,
কষ্ট কৰা সদায় দেখিবা এদিন
নিশ্চয় সাৰ্থক হবা ।
হাজৰিকা খুড়াৰ সান্নিধ্যত আজি মোৰ
সাতাইছ বছৰ হ'ল,
যুগৰ পৰিৱৰ্তন কল্লোলনী কলিকতাক
দেখিলেই যাওঁ ভোল ।
কিমান লিখিম লিখিয়েই থাকিম
জীৱনীৰ অন্ত নাই,
সদৌ শেষত খুড়াক ভগৱানে যেন
চৰণত দিয়ে ঠাই ।

সুন্দৰৰ সৰু-বৰ আলিয়েদি

ডিম্বেশ্বৰ শইকীয়া

সং গচ্ছধ্বং সং বদধ্বং সং বো মনাং সিজানতাম্ ।

সমানো মন্ত্রঃ সমিতি সমানী সমানং মনঃ সহচিত্তমেষাং ।।

সমানী ব আকৃতিঃ সমানা হৃদয়ানি বঃ ।

সমানমস্তু বো মনো যথা বঃ সুযহাসতি ।। (বেদ)

কেতিয়াবা একো একোজনৰ জীৱন, ব্যক্তিত্ব আৰু প্ৰতিভাই এটা জাতি বা জাতীয় অনুষ্ঠানৰ মূল চালিকা শক্তি হিচাপে এক আলোড়নৰ সৃষ্টি কৰে । নিজৰ শ্ৰম, প্ৰতিভা, অধ্যৱসায় আৰু দক্ষতাৰে নিজকে গঢ়ি তোলা যোগেশ হাজৰিকাৰ জীৱন-দৰ্শন আজি আমাৰ আলোচনাৰ বিষয় । সৰ্বগুণী এই মহানুভৱ মানুহজনৰ জীৱনপঞ্জী বিভিন্ন তথ্যবহুল সমলেৰে সমৃদ্ধ । সদা-সৰ্বদা মুখৰ মিঠা হাঁহিটোৰে আত্মসুখত নিমগ্ন হাজৰিকাক দেখিলেই পৃথিৱীৰ সবাতোকৈ সুখী যেন অনুভৱ হয় । মৌ-বৰষা কথাৰে মানুহৰ অন্তৰ জয় কৰিব পৰা আপোনভোলা হাজৰিকা য'তে দিয়ে ত'তেই সিজা বিধৰ ।

'এজন প্ৰতিভাশালী ব্যক্তিৰ মহৎ সৃষ্টিয়ে
তেওঁৰ জীৱন পৰিধি অতিক্ৰমি যায়
উত্তৰ পুৰুষে তাৰ সুফলবোৰ
ভোগ কৰিবলৈ পায় ।'

জীয়া মানুহৰ সঁচা কাহিনী অমৃত সমান । নৈ বৈ যায় কিন্তু পলস বৈ যায় ।

প্ৰতিভাই স্বাভাৱিক নিয়মৰ নিয়ম নেমানে । সতেজ আৰু ফৰকাল মনৰ মানুহ হাজৰিকাদেউৰ বচনভঙ্গীত এক ছন্দময় গতি আছে । চৰিত্ৰত আছে শিশুৰ সৰলতা । দৃষ্টিত আছে সৃষ্টিৰ স্বপ্ন । সুঠাম দেহকান্তিৰ হাজৰিকা সদায়েই যেন চফল ডেকা । ক্লান্তি নাই, ভাগৰ নাই, নাই অৱসাদ । মানৱপ্ৰেমৰ পবিত্ৰ ধাৰণাৰে দেশ আৰু দহৰ মঙ্গলাৰ্থে কাম কৰি গৈছে অবিৰতভাৱে । হাজৰিকা বোকাত ফুলা এপাহি পদুম । অল্পভাষী মানুহজনৰ বাক্যবচন, স্বাভাৱিক গম্ভীৰতাৰ অন্তৰালত

নিহিত হৈ থকা মধুৰতাখিনিক, তেখেতৰ সান্নিধ্যলৈ অহা সকলেহে অনুভৱ কৰিব পাৰে । কলিকতাত বহুতবে চাৰ, অনেকৰ দাদু কিম্বা ককা হাজৰিকাৰ জীৱনৰ পৰম বৈশিষ্ট্য হৈছে মানুহজনে প্ৰথম সাক্ষাততে মানুহক আপোনজন কৰি ল'ব পাৰে । কথাত বসে ভৰপুৰ হাজৰিকাৰ জ্ঞানৰ ভঁড়াল অতি চহকী । বিস্তীৰ্ণ জীৱন-প্ৰজ্ঞা । জীৱনৰ একা-বেকা যাত্ৰাপথত দুৰন্ত ঘটনা-প্ৰবাহে, জীৱনলৈ সফলতা অনাত মানুহজনক স্থিতি দিলে । শিমলু তুলাৰ দৰে উৰাই নিব নোৱাৰিলে । ধৈৰ্য, আত্মপ্ৰত্যয়, মনোবল আৰু দৃঢ়তাই সঞ্জীৱনী সুধাৰ দৰে হাজৰিকাক জীৱন পথৰ সন্ধান দিলে । `I will broak, but I will not bend' (শ্বেক্সপিয়ৰ)

"যেন জাজি গঙ্গাক নিৰোধ কৰে যদি ।
সাগৰত পৰয় তথাপি দেৱনদী ।। (কুন্তীৰ শ্ৰীকৃষ্ণস্তৱ)

প্ৰথমে এই অধমেই একক প্ৰচেষ্টাৰে হাজৰিকাদেউৰ জীৱনীগ্ৰন্থ এখনি লিখাৰ প্ৰস্তাৱ আগবঢ়াইছিলো । পিছলৈ বিভিন্ন লেখকৰ লিখনি থুপ খুৱাই গ্ৰন্থখনি প্ৰকাশ (সম্পাদনা) কৰাৰ সিদ্ধান্ত হ'ল যদিও অভাজনৰ প্ৰস্তাৱটিয়েই কাৰ্যকৰী হোৱাত ভাল লাগিল । সূত্ৰধাৰৰ দায়িত্ব কিন্তু অভাজনৰ ওপৰতে ৰ'ল ।

ভুৰুকাত হাতী ভৰোৱাৰ দৰে, বিপ্ৰ দামোদৰৰ "কানিৰ টুপলি" সম সীমিত জ্ঞান বুদ্ধিৰে, থোৰতে হাজৰিকা মানুহজনৰ দেশাত্মবোধ, সাহিত্য প্ৰীতি, জাতীয় চেতনা আৰু সৃষ্টিধৰ্মী কৰ্মকুশলতাৰ আধাৰত এক চমু আলচ ডাঙি ধৰাৰ প্ৰয়াস কৰিছো, মোৰ প্ৰবন্ধ "সুন্দৰৰ সৰু-বৰ আলিয়েদি"ত । এগৰাকী ব্যক্তিৰ জীৱন-কথা আলোচনা কৰাটো কঠিন কাম । তাকো মাত্ৰ এটা প্ৰবন্ধত । যি কি নহওক হাজৰিকাক দেখি-শুনি মানুহজনৰ প্ৰতি মোৰ যি উপলব্ধি হৈছে তাৰ আধাৰতে যুগুত কৰিছো মোৰ লেখাটো । গুণীজনক সন্মান জনোৱাটো জাতিৰ স্বাস্থ্যৰ লক্ষণ বুলি কোৱা হয় । এইখিনিতে শাস্ত্ৰত লিখা এটি কথা মনলৈ আহিছে–,

"সমস্ত তত্বক কোনে জানিবাক পাৰে ।
পখীসৱ উৰে যেন পাখা অনুসাৰে ।।"

মাতৃ যশোদাই শিশু কৃষ্ণৰ মুখত সমস্ত বিশ্ব ব্ৰহ্মাণ্ডক দেখা পাইছিল ।

"যশোদা সুন্দৰী দেখন্ত পাছে ।
সমস্ত জগত গৰ্ভত আছে ।।"

অৱশ্যে এইটো ভক্তিতত্ত্বৰ বস্তু । সাধু-সন্তৰ প্ৰতি শ্ৰদ্ধা জনোৱাটো এখন সুস্থ সমাজৰ সাংস্কৃতিক উৎকৰ্ষৰ পৰিচায়ক । যি যাৰ জীৱন-কথাৰ ওপৰত পট

আঁকে, লেখকজন সেইজনৰ প্ৰতি শ্ৰদ্ধাৱান নহলে, তেওঁৰ লেখা কথাত প্ৰাণ নেথাকে । শঙ্কৰদেৱক বুজিবলৈ মথুৰাদাস বা বদুলা আতাক লাগে । বুদ্ধদেৱক বুজিবলৈ যোৱাৰ লগে লগে ভাণ্টে আনন্দ অহবত্ৰ আৰু কাশ্যপ অহৰত্ৰৰ কথা মনলৈ আহে । মণিৰাম দেৱান, পিয়লি ফুকন, লাচিত বৰফুকন, সতী জয়মতীক বুজিবলৈ প্ৰকৃত দেশ সেৱকক লাগে । নিজতকৈ আনক প্ৰচাৰ কৰি আনন্দ লাগে । "প্ৰত্যেক বৃত্তিৰ মানুহেই আনৰ অভিজ্ঞতাৰ পৰা শিক্ষা লয় । কোনেও শূন্যৰ পৰা আৰম্ভ নকৰে ।"

"জীৱনৰ দুখৰ ৰাশিৰ
এটি দুটি কণা তুলি লই
বচোঁ মই অন্তৰৰ গান
শুনো তাকে বহি অকলই ।"

পোহৰৰ মৃত্যু নাই । মানুহ নিজেই নিজৰ আশ্ৰয় । নিজৰ পথৰ দীপশিখা মানুহ নিজেই হ'ব লাগিব । আদৰ্শৱান এটি জীৱন গঢ়ি তোলাৰ প্ৰৱল বাসনাৰে, ব্ৰিটিছৰ শাসন চলি থকা কালতেই, ঘৰ-গাঁও আৰু স্বদেশৰ মায়া-মোহৰ প্ৰতি পিঠি দি চৈধ্য বছৰীয়া তেতিয়াৰ হাজৰিকা ল'ৰাজন গুছি আহিছিল কলিকতালৈ । কথাতে কয় – যি মূলা বাঢ়িব দুপাততে চিন । নিজৰ দৃঢ়তা, উচ্চ-মানসিকতা আৰু সৎ প্ৰচেষ্টাৰ বলত একেবাৰে আচহুৱা, জনবহুল কলিকতাত বিভিন্ন ঘটনা প্ৰবাহক অতিক্ৰম কৰি লাহে-লাহে হাজৰিকা হৈ পাবিল সৰ্বচৰ্চিত, সৰ্ব্ব পৰিচিত এজন উল্লেখযোগ্য ব্যক্তি । বিধিৰ বিধান । কালৰ কি সদা পৰিৱৰ্তন গতি । ``The strongest man in the world is he, who stands most alone."

"যদি তোর ডাক শুনে কেউ না আসে
তবে একলা চলরে ।।"

উক্ত গীতৰ মৰ্মাৰ্থই যেন হাজৰিকাৰ জীৱনত ক্ৰীড়া কৰিলে । জীৱনক জয় কৰিবলৈ হলে, কাঁচৰ আশাত মাণিক বিকিব নেলাগে । মানুহৰ আনন্দ সাফল্যত নহয়, প্ৰচেষ্টাতহে । মানুহৰ জন্ম পৰাজিত হবৰ বাবে নহয় ।

"একোজন পুৰুষৰ একো আজোৰত
বহুযুগ আগবাঢ়ি যায়
একোজন পুৰুষৰ একোটা ঠেলাই
বহুকাল সংসাৰ তৰায় ।"

ভীমকৰ্মা হাজৰিকাৰ জীৱনধাৰাৰ প্ৰথম সাফল্যমণ্ডিত দিশটো হৈছে, ভাষা আৰু সাহিত্য প্ৰীতি । দ্বিতীয়তে, দেশাত্মবোধ আৰু মাতৃভাৱনা । কলিকতাত অলেখ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হাজৰিকাদেৱ, "কলিকতা সাহিত্য চ'ৰাৰ", সভাপতি । গুৱাহাটী । ভালেমানদিন এ. এছ. এল ক্লাবৰ সম্পাদকো আছিল । তেখেতে কেবাখনি গ্ৰন্থ, স্মৰণিকা আৰু আলোচনী সংকলন তথা সম্পাদনা কৰিছে । আজিৰি পৰত লেখা-মেলা কৰাটো মানুহজনৰ এক অভ্যাসত পৰিণত হৈ পৰিছে । ইংৰাজী ভাষাত হাজৰিকাৰ বিশেষ দখল আছে । মূলতঃ অসমীয়া ভাষা-সাহিত্য, কলা-কৃষ্টিক বিশ্ব সভাত বিলাই দিয়াৰ মহৎ উদ্দেশ্যেৰে মানুহজনে নিৰীহ-নিপালিকৈ কাম কৰি গৈছে । সঁচা অৰ্থত হাজৰিকা অসমীয়া ভাষা-সাহিত্যৰ এজন নিষ্ঠাবান পূজাৰী ।

"কামৰূপা মোৰ সুন্দৰী সুৰীয়া
অসমীয়া ভাষা জগত সভালৈ যাব
উজ্বল সুজ্বল ক'হিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব ।"

আচৰিত কথা, এই দেখিব ৰাজসভাতো হাজৰিকা, এই দেখিব প্ৰজাঘৰতো হাজৰিকা । প্ৰতিভাৰ বহ্নিমান স্ফুলিঙ্গ । শ্ৰীমন্ত তেওঁৰ ব্যক্তিত্ব । পাৰন্ধ তেওঁৰ সৃষ্টিৰ আভা । সেন্দুৰীয়া জীৱনৰ গতি । পলাশৰ ৰঙ হেন চিন্তা-ধাৰা । "A man is not born for himself, he is born for Society". "মানুহেই স্বৰ্গ ৰচে পৃথিৱীৰ ধূলিৰ কণাৰে" । "সবার ওপরে মানুষ সত্য", চণ্ডীদাসৰ এই অমৰ কথা হাজৰিকাদেউৰ জীৱনৰো মূলকথা । মানুহৰ হিতৰ বাবেই যেন তেওঁৰ জন্ম হৈছিল । দধিচি মুনিৰ আত্মবলিদানৰ কথা সকলোৱে জানে । হাজৰিকাৰ দৃষ্টিত সৰু-বৰ নাই । মানুহ মানুহেই । "giving hole hearted free service to the poor". "জীৱে প্ৰেম করে যেই জন, সেইজন সেবিছে ঈশ্বর", (স্বামী বিবেকানন্দ)

"ধন্য নৰ তনু ভাল"
"দেৱৰো বাঞ্চনী মনুষ্য তনু"
"ক'ত তপসাই নৰতনু পাই"
"দুৰ্লভ মনুষ্য জন্ম নকৰা বিফল" ।

শাস্ত্ৰৰ এই তত্ত্বকথাবোৰৰ অৰ্থই হৈছে, জীৱ শ্ৰেষ্ঠ মানৱ দেহা লাভ কৰি

মানুহৰ সৰ্বতোপ্ৰকাৰৰ কল্যাণৰ হকে সেৱা কৰি যাব পৰাটোৱেই সাৰ্থকতা, পুৰুষাৰ্থ আৰু শান্তি । য'তেই প্ৰেম ত'তেই সেৱাৰ পূৰ্ণতা । "হেন জানি প্ৰাণীক কৰিবা সতকাৰ", (প্ৰহ্লাদ চৰিত ঃ কীৰ্ত্তন) । কলিকতালৈ অহা অসমীয়া মানুহক সহায় কৰিবলৈ পালে হাজৰিকাই অতি আনন্দ অনুভৱ কৰে । কায়টো কলিকতাত থাকিলেও তেখেতৰ মন-প্ৰাণ-চিত্ত সদায় অসমত ।

অসমৰ বোকা-পানীত তেওঁৰ জন্ম । "Lotus is not born on a princes hair, it is born in water and mud". বন্ধ জলাশয়ে কেতিয়াও প্ৰাণত আৱেগৰ সৃষ্টি কৰিব নোৱাৰে, কিন্তু খৰস্ৰোতা নদী বা জলৰাশি দেখিলেই মনলৈ গতি আহিবই ।

সৎকাম জীৱন প্ৰবাহৰ মূলমন্ত্ৰ । কলিকতাত থাকি অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ হকে মানুহজনে কৰা নাই কি ? জগন্নাথ-পুৰীত শ্ৰীশ্ৰী শঙ্কৰদেৱৰ নামঘৰ প্ৰতিষ্ঠাৰ বাবে, প্ৰয়াত মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ লগত ৰথৰ সাৰথিৰ দৰে উড়িষ্যা চৰকাৰৰ পৰা মাটি লোৱা কাৰ্য্যত হাজৰিকাই যৎপৰনাস্তি চেষ্টা কৰিছিল । সেইয়ে দেশহিতৈষী হাজৰিকাৰ গুণ-গৰিমাক ড° ভূপেন হাজৰিকাই সদায় পঞ্চমুখে প্ৰসংশা কৰে । বঙালী ভাষাৰ শীৰ্ষ পৰ্য্যায়ৰ কবি, সাহিত্যিক, শিল্পী, স্থপতি প্ৰায়খিনিৰে লগত হাজৰিকাৰ যোগসূত্ৰ । ঠিক একেদৰেই উড়িষ্যা, তামিল আদি ভাষা-সাহিত্যৰ কৰ্ণধাৰ সকলৰ লগতো সম্বন্ধ । উদ্দেশ্য, সমূহৰ মাজত যাতে নিজৰ ভাষা সাহিত্যক বিলাই দিব পৰা হয় ।

"মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত,
মোৰ চিন্তাতেই দৃঢ় ৰহস্যৰ
সত্য হওঁক প্ৰতিভাত ।" (চন্দ্ৰকুমাৰ আগৰৱালা)

"মানুহৰ ইতিহাস সমাজে গঢ় দিয়া নাই । ব্যক্তি বিশেষেহে দিছে ।"

"উৰেষাব কীৰ্ত্তনক শুনিও লোকাই
শঙ্কৰে ৰচিলা ব্ৰহ্ম পুৰাণক চাই ।। ১ ।। (কীৰ্ত্তন)

জগতগুৰু শঙ্কৰদেৱৰ অভিজ্ঞতা বোটলাৰ আৰ্হিক সন্মুখত ৰাখি হাজৰিকা দেৱেও ভাষা-জননীৰ সেৱাত আত্মনিয়োগ কৰি আছে । কলিকতা মহানগৰীত

প্ৰতিবছৰে শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিথি, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভাৰ সোঁৱৰণী দিবস উদযাপন কৰাত হাজৰিকাই মুখ্য ভূমিকা পালন কৰি আহিছে । কলিকতা সাহিত্য চ'ৰাৰ দ্বাৰা বিভিন্ন গ্ৰন্থ প্ৰকাশ আৰু উন্মোচন কৰা কাৰ্য্যত তেওঁ সদায় আগভাগ লৈ আছে । কথাৰে নহয়, কামেৰেহে জীৱনৰ জোখ ।

এগৰাকী সু-সংগঠক, সমাজ সচেতক, অতি সৰবৰহী ব্যক্তি হাজৰিকাই স্বাধীনতা আন্দোলনৰ সময়ত, মঙ্গলদৈত থকা অৱস্থাত, অগ্ৰজ মুক্তি যুঁজাৰু সকলৰ লগত আলধৰাৰ ভূমিকাৰে যিহকে পাৰিছিল কৰি গৈছিল । আন্দোলন সম্পৰ্কীয় বা-বাতৰি অনা নিয়া কৰা, দুখীয়া-নিচলা, অসহায় সকলক ডাক্তৰখানাৰ পৰা-দৰৱ প্ৰাপ্তি আনি দিয়া, কাৰোবাক পাৰিলে ভাতে-পানীৰে সহায় কৰা কামবোৰ কৰি মানুহজনে আত্মসুখ লভিছিল । শান্তি পাইছিল । আকৌ চাওঁক ; নাচোন-বাগোন, (ভূটিয়া নৃত্য, কছাৰী নাচ) আদিত পাকৈত হাজৰিকাৰ বিহুৱলীয়া প্ৰাণটোৰ বাবেই, কলিকতাত তেওঁক বহুতে বিহু হাজৰিকা বুলিও মাতিছিল । এই আচৰিত মানুহটোৱে মাকৰ পেটতেই যেন শিকি আহিছিল, মানৱপ্ৰেমৰ মহামন্ত্ৰ, জননী জন্মভূমি স্বৰ্গাদপি গৰীয়সী, মাতৃ পূজাৰ এই আমোঘ বাক্য । প্ৰেমেৰে জগত জিনিছে হাজৰিকাই ।

হাজৰিকাৰ মুখত প্ৰায়েই শুনা যায় –, "পৰৰ উপকাৰ কৰিবা । উপকাৰ কৰিব নোৱাৰিলেও অপকাৰ কিন্তু নকৰিবা । আনৰ ঘৰ পাতি দিবলৈ চেষ্টা কৰিবা, কেতিয়াও পৰৰ-ঘৰ নেভাঙিবা ।" হিতোপদেশৰ লেখীয়া এই কথাবোৰৰ দ্বাৰাই তেওঁৰ নিকা অন্তৰখনৰ উমান পোৱা নেযায়নে ? নিজৰ সৎ কৰ্মৰ দ্বাৰা মানুহো দেৱতাৰ শাৰীত উঠিব পাৰে বুলি ভকত-বৈষ্ণৱৰ মুখত শুনা যায় ।

নিয়মানুবৰ্ত্তিতা, শৃঙ্খলাবদ্ধতা আদি কথাবোৰত তেওঁ সদায় সচেতন । আচৰিত কথা মানুহজনে গোটেই জীৱনটোত অভিজ্ঞতাকে বুটলিলে । বিশ্বৰ বিভিন্ন দেশ ভ্ৰমণ কৰি নিজকে জ্ঞান-গৰিমাৰে পুষ্ট কৰি তুলিলে। কেবাটাও ভাষা শিকিলে আৰু আয়ত্ব কৰিলে দেশ-বিদেশৰ আচাৰ-বিচাৰ, লোকাচাৰ, ৰীতি-নীতি, কলা-কৃষ্টি আৰু ব্যৱহাৰ ।

বৈচিত্ৰৰ মাজেদি ঐক্যৰ সাধনা হোৱাটোৱেই সংস্কৃতিৰ সাধনা । দেশখনক ভালপোৱা, মানুহক ভালপোৱা, দেশৰ আৰু দহৰ কল্যাণৰ হকে সেৱা আগবঢ়োৱা

ইত্যাদি ধ্যান-ধাৰণাৰে ওৰেটো জীৱন হাজৰিকাই কাম কৰি গৈছে । হাজৰিকাদেউৰ দেশপ্ৰেম, উত্তৰ পুৰুষৰ বাবে হ'ব উজ্জ্বল চানেকি ।

"মোৰ দেশ মানুহৰ দেশ
উত্তৰে উত্তুঙ্গগিৰি, দক্ষিণে সাগৰ
শত নদী বুকুৰে বাগৰে
পাৰে পাৰে সাজে ভাঙে ক'ত ইতিহাস ।
ব্ৰহ্মপুত্ৰ, গোদাবৰী, শিপ্ৰা আৰু গঙ্গা-যমুনাৰ
এই দেশ ৰাখিব লাগিব
এইখন আপোনাৰ দেশ ।
এইখন মানুহৰ দেশ ।" (সাগৰ দেখিছা)

আকৌ – ,

"লুইত যিখিনি গঙ্গা সিখিনি
পদ্মা বুকুৰে আই
সিন্ধু কাবেৰীৰ পাৰতো দেখিছো
একেজনী মোৰ আই ।" (নিৰ্মলপ্ৰভা বৰদলৈ)

অজাতশত্ৰু হাজৰিকাৰ জীৱনদৰ্শনৰ পৰা আমি শিকিবলগা বহুত আছে । 'নল মৰে গজালি উঠে', হাজৰিকাদেৱৰ জীৱন-আৰ্হিৰ ফলপ্ৰসূ দিশবোৰে নতুনক প্ৰেৰণা দিয়ক । খবমানত হাজৰিকাদেউৰ সৰ্বতোপ্ৰকাৰৰ কুশল কামনা কৰিছো । মানুহজনৰ আহি থকা দিনবোৰৰ আশাপদ জীৱন বাটত ফুল-চন্দন পৰক । চলিত বছৰৰ ২৫ জুলাই, শুক্ৰবাৰে হাজৰিকাদেউ, প্ৰণৱ বৰুৱা, ডন্ আৰু মই কলিকতাৰ বিপন ষ্ট্ৰীটত মাদাৰ টেৰেজাক সাক্ষাৎ কৰোতে মাদাৰৰ মুখেৰে নিগৰি ওলোৱা নিম্ন উল্লেখিত অমৃতবাণীৰ উদ্ধৃতিৰে প্ৰবন্ধৰ সামৰণি মাৰিলো ।

"The Fruit of SILENCE is Prayer.
The Fruit of PRAYER is Faith
The Fruit of FAITH is Love
The Fruit of LOVE is Service
The Fruit of SERVICE is Peace

মৰমিয়াল মানুহজন (হাজৰিকা ৰবদেউতা)

সুদীপ্তা বৰুৱা

প্ৰায় প্ৰতিমাহেই অসম ভৱনলৈ সাহিত্য চ'ৰাৰ দ্বাৰা আয়োজিত কবিতা সন্ধিয়া, আলোচনাচক্ৰ, সঙ্গীতানুষ্ঠানত মোৰ দেউতা শ্ৰীপ্ৰণৱ বৰুৱাৰ লগত গৈ যোগদান কৰি আহিছো, বিভিন্ন সময়ত । সেই-সেই অনুষ্ঠানবোৰত শ্ৰীঅন্নদা শংকৰ ৰায়, শ্ৰীনৰকান্ত বৰুৱা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° ভূপেন হাজৰিকা, শ্ৰীআশিষ স্যানাল, শ্ৰীকনক শৰ্ম্মা আৰু শ্ৰীযোগেশ্বৰ হাজৰিকা আদি বিশিষ্ট ব্যক্তি সমূহৰ সান্নিধ্যলৈ আহোঁ ।

সৰুৰে পৰাই কবিতা লেখাৰ চেষ্টা কৰিছিলো । আনে পঢ়ি কেনে পালে চিন্তা নকৰি নিজৰ মনৰ খোৰাক ভাবিয়েই মোৰ প্ৰথম কবিতাৰ পুথি "ছন্দেৰ দেশে" ছপা কৰি উলিয়ালো । ১৯৯৬ চনত কলিকতা সাহিত্য চ'ৰাই উদযাপন কৰা শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ দিনাই পুথিখনি উন্মোচন কৰাৰ ব্যৱস্থা হ'ল । উন্মোচক ভাৰতীয় লেখক সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত আশিষ স্যানাল ।

এই পুথিখনৰ প্ৰকাশৰ ব্যৱস্থা কৰাৰ মূল প্ৰেৰণা আছিল ৰবদেউতা, শ্ৰীহাজৰিকা । মই সদায় ৰবদেউতাৰ ওচৰত কৃতজ্ঞ । গোটেই জীৱন ৰবদেউতাৰ মহানুভৱতাৰ প্ৰতি মোৰ শ্ৰদ্ধা থাকিব । কেতিয়াবা লগ পালেই মোৰ দ্বিতীয় কবিতাৰ কিতাপ, "নয়ন" কিমান দূৰ প্ৰশ্ন কৰিবলৈ কেতিয়াও নেপাহৰে ।

হাজৰিকাদেউক যিদৰে পাইছো

করুণা কান্ত ডেকা

১৯৮৮ চনত মই চাকৰি সূত্রে অসমৰ পৰা কলিকতালৈ আহো । কলিকতালৈ অহাৰ পিছত লাহে লাহে চিনাকি হওঁ কলিকতাত থকা প্রবাসী অসমীয়াসকলৰ লগত । মাজে-মাজে অসম ভৱনত অনুষ্ঠিত অনুষ্ঠানবোৰত যোগদান কৰো । তাৰ পিছৰ বছৰতে মই এ. এছ. এল. ক্লাবৰ সহকাৰী সম্পাদক নির্বাচিত হওঁ । বিভিন্ন মানুহৰ লগত ঘনিষ্ঠতা বাঢ়ে । নতুন অৱস্থাতে আটাইবোৰ মানুহকে ভালদৰে চিনি পোৱা নাছিলো । মেলে-মেটিঙে নতুন-নতুন মানুহ দেখিলে ইজনক সুধি, সিজনক সুধি জানি লওঁ মানুহ জনৰ বিষয়ে – কি কাম কৰে, ক'ত থাকে ইত্যাদি । সময় বুজি চিনাকি হওঁ । এইদৰে পৰিচয় হয় বিভিন্ন জনৰ লগত ।

এদিন চিনাকি হয় ঘুটমুটীয়া চেহেৰাৰ চাফাৰি চুট পৰিহিত হাস্যবদনৰ এজন মানুহৰ লগত । সেইজনেই হ'ল যোগেশ হাজৰিকা । আমি মাতো হাজৰিকাদেউ বুলি ।

কলিকতাত বহুবছৰ ধৰি বাস কৰি থকা পুৰণি অসমীয়া মানুহবোৰৰ ভিতৰত যোগেশ হাজৰিকাও অন্যতম । ১৯৪০ চনতে অসমৰ মঙ্গলদৈ অঞ্চলৰ এখন গাৱঁৰ পৰা কলিকতালৈ আহে পঢ়িবৰ কাৰণে । তাৰ পিছত জীৱিকাৰ সন্ধানত কলিকতাতে থাকি যায় । জীৱন সঙ্গিনী কৰি লয় ইহুদী মহিলা এগৰাকীক । নাম শ্রীমতী লিলি লেভি ।

পিন্ধা-উৰাত হাজৰিকাদেউ অত্যন্ত পৰিপাতি । সদা প্রফুল্লিত হাজৰিকাদেউৰ সকলো মানুহৰ লগতে আছে মধুৰ সম্পর্ক । আমাৰ লগত দেখা হলেই ঘৰুৱা কুশল বাতৰি সোধে । বয়সত আমাতকৈ যথেষ্ট ডাঙৰ হলেও আমাক বন্ধু–বান্ধৱৰ দৰেই ব্যৱহাৰ কৰে । বয়স হলেও তেখেতৰ মনটো কিন্তু চফল ডেকাৰ দৰেই । কেতিয়াবা সময় পালে আমাৰ আগত নিজৰ জীৱনৰ পুৰণি কাহিনীবোৰ কয় ।

শুনি শুনি ভাল লাগে । তেখেতৰ মুখত কলিকতাৰ তাহানি দিনৰ কথাবোৰ শুনি কথা প্ৰসঙ্গত মই এদিন সেইবোৰ কথা লিপিবদ্ধ কৰি ৰাখিবলৈ কওঁ । তেখেতৰ পৰা এতিয়া জানিব পাৰিছো তেখেতে সেইবোৰ কথা এতিয়া লিখি আছে । হাজৰিকাদেউৰ নিজৰ জীৱনৰ কথা শুনিলে বুজা যায় মানুহৰ সঁচা জীৱন সংগ্ৰাম কাক বোলে । জীৱনত ঘাট-প্ৰতিঘাটেৰে আগবাঢ়ি নিজকে প্ৰতিষ্ঠা কৰা ব্যক্তি সকলৰ ভিতৰত যোগেশ হাজৰিকা অন্যতম ।

হাজৰিকাদেউ বৰ্তমান কলিকতা সাহিত্য চ'ৰাৰ সভাপতি । ইয়াৰ উপৰিও তেখেত কলিকতাৰ বিভিন্ন অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত আছে । সদৌশেষত হাজৰিকাদেউৰ দীৰ্ঘায়ু কামনা কৰিছোঁ ।

কলিকতা সাহিত্য চ'ৰাৰ সভাপতি যোগেশ হাজৰিকা

প্ৰণৱ বৰুৱা

অসম চৰকাৰৰ কৰ্ম্মচাৰী হিচাপে ১৯৭৭ চনতেই কলিকতা চহৰলৈ আহিছো । ব্যস্ত মহানগৰীত কামৰ শেষত সন্ধ্যা হলেই প্ৰবাসী অসমীয়া মানুহবোৰৰ ঘৰলৈ গৈ চা-চিনাকি হোৱাৰ সুযোগ কৰিছিলো । একে উদ্দেশ্যেৰে এদিন সন্ধিয়া ৭ নম্বৰ ধৰ্মতলাৰ পূৰ্বত থকা শ্ৰীযুত যোগেশ হাজৰিকাদেউৰ ঘৰলৈ গৈছিলো । পৰিচয় পৰ্ব'ৰ বাবে লগতে এই মহানগৰীৰ প্ৰবাসী অসমীয়া মানুহৰ সম্বন্ধে কিছু জনাৰ মানসেৰে ।

বহুতো কথাই পাতিছিলো । মোৰ বাবে আকৰ্ষণীয় দুটিমান কথা চমুকৈ উল্লেখ কৰিছো । পৰাধীন ভাৰতৰ সেই সময়ত এই চহৰৰ ভাগিৰথীৰ (গঙ্গা) পাৰত অসমৰ কামৰূপ জিলাৰ কাঁহ-পিতলৰ বাচন ব্যৱসায়ী সকলে বাণিজ্য কৰিবলৈ আহি ঘাটত নাওঁ বান্ধি বাহৰ পাতি থকাৰ ঘটনাবোৰ । বৰ্ত্তমান সেইবোৰৰ চিনচাপেই নাই ।

ঐতিহাসিক ভাৰত সভাঘৰত অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী ৺গোপীনাথ বৰদলৈ দেৱৰ মৃত্যুত শোকসভা পতা আৰু সেই সভাত পশ্চিমবঙ্গৰ চলচিত্ৰৰ জনক, অসমৰ গৌৰীপুৰৰ ৰাজকুমাৰ ৰোমাণ্টিক নায়ক ৺প্ৰমথেশ বৰুৱাৰ ইংৰাজীতে দিয়া চমু ভাষণ – "ক্ষমা বিচাৰো, ৰাইজ ! অসমৰ মানুহ হৈও নামনি অসমত বাংলা ভাষা প্ৰচলন থকাৰ বাবে মই অসমীয়াত ক'ব নোৱাৰিম ।" কাহিনীৰ বিশেষত্ব মনকৰিবলগীয়া ।

এনেধৰণৰ বহুতো ঐতিহাসিক ঘটনা প্ৰবাহৰ বিষয়ে তথ্য দিব পৰা মানুহৰ সংখ্যা নাই বুলিলেও হয় । এনেবোৰৰ বাবে কিন্তু হাজৰিকাদেৱ অন্যবদ্য সহায়ক ।

প্ৰবাসী অসমীয়া মানুহৰ অতি আদৰৰ ASL Club-ৰ সভাপতি শ্ৰীকুল গগৈ আৰু সম্পাদক হিচাপে ১৯৭৮-ৰ পৰা দায়িত্ব পাইছিলো মই । ভোগালী বিহুত পশ্চিমবঙ্গৰ প্ৰথিতযশা কবি, সাহিত্যিক, চিত্ৰ পৰিচালক ৺প্ৰেমেন্দ্ৰ মিত্ৰক সম্বৰ্দ্ধ

না জনাবৰ বাবে এক অনুষ্ঠানৰ ব্যৱস্থা কৰিছিলো । এনে কামত হাজৰিকা সৰ্বদা আগৰণুৱা আছিল ।

অসমীয়া ভাষা-সাহিত্য চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে কলিকতা মহানগৰীৰ বুকুত "কলিকতা সাহিত্য চ'ৰা" নামৰ এক পবিত্ৰ সাহিত্য সংগঠনৰ শুভাৰম্ভ হয় । ১০/১১/৯০ চনত । চ'ৰাৰ প্ৰতিস্থাপক সভাপতি অসম চৰকাৰৰ প্ৰাক্তন বাণিজ্যিক উপদেষ্টা শ্ৰীকনক শৰ্ম্মাই অনুষ্ঠানটি গঢ়াত আগভাগ লয় । প্ৰবাসী অসমীয়া কিম্বা স্থানীয় সাহিত্যানুৰাগী সকলে নিজা-নিজা বাসভৱনত মাহেকীয়া সভা আহ্বান কৰে । শৰ্ম্মা অসমলৈ বদলি হৈ যোৱাৰ বাবে পৰৱৰ্ত্তী বাণিজ্যিক উপদেষ্টা শ্ৰীহাচিনুৰ বহমান চ'ৰাৰ সভাপতি হয় । তেওঁ অৱসৰ হৈ যোৱাত কলিকতাত নিগাজীকৈ বসবাস কৰি থকা অসমৰ মঙ্গলদৈৰ শ্ৰীযোগেশ হাজৰিকাদেৱে সভাপতিৰ দাঁয়িত্ব বহন কৰে আৰু সংগঠনটিৰ কাম-কাজত সক্ৰিয়তা বাঢ়ে । কলিকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা সৰ্ব্ব ভাৰতীয় বুৰঞ্জী মহাসভাত অসমৰ শ্ৰীহেৰম্ব কান্ত বৰপূজাৰীয়ে সভাপতিত্ব কৰে আৰু তেওঁৰ তথ্যভিত্তিক ভাষণ ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা বুৰঞ্জীবিদ সকলে প্ৰসংশা কৰে । কলিকতা সাহিত্য চ'ৰাৰ সভাপতি হাজৰিকাই, বৰপূজাৰীক এটি সম্বৰ্দ্ধনা জনোৱাৰ ব্যৱস্থা কৰে আৰু অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে Prof. K. M. Lodha, Former V. C. Jodhpur University.

পশ্চিমবঙ্গ আৰ্টিষ্ট ফেডাৰেচনৰ বছেৰেকীয়া ছবিৰ প্ৰদৰ্শন এটি কলিকতা তথ্যকেন্দ্ৰত অনুষ্ঠিত হয় ১৯৬৬ চনত । সেই সভাত সভাপতিত্ব কৰে মেয়ৰ শ্ৰী প্ৰশান্ত চট্টোপাধ্যায় আৰু বিশিষ্ট অতিথি হিচাপে অংশ লৈ হাজৰিকাই সাৰগৰ্ভপূৰ্ণ ভাষণ দিয়ে লগতে পশ্চিমবঙ্গৰ অঙ্কন শিল্পী সকলক অসমলৈ গৈ ছবি প্ৰদৰ্শনৰ বাবে আহ্বান জনায় । এনে কৰিলে অসম আৰু বঙ্গৰ সেতুবন্ধনৰ যথেষ্ট উন্নতি হ'ব বুলি হাজৰিকাই দৃঢ় মত পোষণ কৰে । মেয়ৰ চট্টোপাধ্যায় মহাশয়ে কলিকতা মহানগৰীৰ সৌন্দৰ্যবৰ্দ্ধনত পাৰ্ক নিৰ্মাণ কৰাৰ দায়িত্ব Archetect শ্ৰীঅৰনেন্দু বেনাৰ্জীৰ ওপৰত ন্যস্ত কৰে আৰু সেই কাৰ্য সম্পূৰ্ণ হোৱাত উদ্বোধনৰ বাবে মেয়ৰৰ সভাপতিত্বত মুখ্য অতিথি হিচাপে হাজৰিকাদেউৱে পাৰ্কৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিশদ ব্যাখ্যা ডাঙি ধৰে । এই মহৎ কাৰ্য্য আৰু আবেদনৰ বাবে হাজৰিকা নিসন্দেহে অসমৰ গৌৰৱ ।

"কলিকতা গ্ৰন্থমেলা" পশ্চিমবঙ্গ তথা গোটেই পৃথিৱীৰ গৌৰৱৰ বস্তু । দেশবিদেশৰ গ্ৰন্থবোৰ মেলাত হাতৰ মুঠিতেই পোৱাৰ দৰে পোৱা যায় । পুস্তক

প্ৰেমীৰ মন-প্ৰাণ, জ্ঞান আহৰণৰ বাবে উত্ৰাৱল হৈ পৰে । দেশী–বিদেশী বিখ্যাত লিখকৰ লগত চিনাকি হোৱাৰ সুযোগ কোনেও হেৰুৱাব নোখোজে । তাত নানান বিষয়ৰ তথ্যপূৰ্ণ আলোচনা সভাও হয় । ১৯৯৭ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হোৱা গ্ৰন্থ মেলাৰ এনে এটি গুৰুত্বপূৰ্ণ সভাত বক্তা হিচাপে ভাষণ দান কৰি শ্ৰীযোগেশ হাজৰিকাই স্থানীয় মানুহৰ শ্ৰদ্ধাৰ পাত্ৰ হৈছিল । অনুবাদৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে হাজৰিকাৰ আবেদনে গুৰুত্ব পাইছিল ।

"কলিকতা সাহিত্য চ'ৰাৰ" এখন বৈঠকত অংশ লৈ জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই মন্তব্য কৰিছিল "কলিকতা সাহিত্য চ'ৰাৰ দৰে সৰু-সৰু অনুষ্ঠানবোৰে, বৃহৎ কাম কৰিব পাৰে কাৰণ তাত ৰাজনীতিয়ে প্ৰবেশ কৰাত বাধাপ্ৰাপ্ত হয় । "মই কাগজে পত্ৰে বহুতো পঢ়িছো – মিঃ হাজৰিকা আপুনি চলাই যাওঁক ।"

মাৰ্চ ১৯৯৭-ত কলিকতাৰ বৰ্ধমান ৰ'ডত Indo-Swedish Cultural Association আৰু Calcutta Sahity chora-ৰ যৌথ উদ্দ্যোগত Swiss Ambassador Foreign Secretary-ক সম্বৰ্দ্ধনা জনোৱা হৈছিল । পশ্চিম বঙ্গৰ শিক্ষামন্ত্ৰী ন্যায়ধীশ ইউচুফ চেৰিফ, ড° সুনীল ঠাকুৰৰ ভাষণ দুই দেশৰ মাজত বন্ধুত্বৰ এনাজৰী দৃঢ় কৰিবলৈ সংঘবদ্ধ হয় । শ্ৰীযোগেশ হাজৰিকা বিশেষ অতিথি হিচাপে অসমৰ নাগৰিক সকলৰ হৈ মৰম চেনেহেৰে, অভিনন্দন জনায় ফুলাম গামোচাৰে, লগতে অসমৰ পৰা প্ৰকাশিত মহাপুৰুষ শংকৰদেৱ, গোপীনাথ বৰদলৈ, অসমীয়া সাহিত্যৰ ইতিহাস নামৰ মূল্যবান গ্ৰন্থ কেইবাখনো উপহাৰ হিচাপে প্ৰদান কৰে ।

আমি দুয়ো মানে কলিকতা সাহিত্য চ'ৰাৰ সভাপতি যোগেশ হাজৰিকা আৰু সাধাৰণ সম্পাদক হিচাপে মই প্ৰণৱ বৰুৱাই অসমীয়া ভাষা-সাহিত্য অনা অসমীয়াৰ মাজত প্ৰচাৰৰ অৰ্থে কলিকতা তথা গাঁও-ভুঁইলৈ গৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুৰাভা, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ওপৰত আলোচনা সভাৰ ব্যৱস্থা কৰো আৰু বিভিন্ন প্ৰান্তৰৰ বাংলা ক্ষুদ্ৰ আলোচনীবোৰত তেওঁলোকৰ লিখনি অনুবাদ কৰি তাক প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হৈছে । সাহিত্য অকাডেমী, বাংলা অকাডেমী, ভাৰতীয় ভাষা পৰিষদ, জাতীয় গ্ৰন্থাগাৰ ইত্যাদিৰ লগত ওতঃপ্ৰোতঃভাৱে যোগাযোগ ৰক্ষা কৰা হৈছে । বয়সে ভাটি দিলেও যোগেশ হাজৰিকা কিন্তু সদায় অগ্ৰগামী ।

জুলাই মাহৰ ২৫ তাৰিখে মাদাৰ টেৰিজাক কলিকতা সাহিত্য চ'ৰাৰ তৰফৰ পৰা এখন ফুলাম গামোছা আৰু কিছু কিতাপ উপহাৰ দিবলৈ গৈছিলো আৰু আমাৰ সাহিত্য চ'ৰাৰ কামৰ অগ্ৰগতিৰ সম্বন্ধে আলোচনা কৰিছিলো । মাদাৰে প্ৰায় দুঘণ্টা সময় অতি আগ্ৰহেৰে যোগেশ হাজৰিকাৰ লগত কথা পাতি জনাইছিলে যে চ'ৰাৰ পৰৱৰ্ত্তী অনুষ্ঠান এখনিত যাতে তেওঁক নিমন্ত্ৰণ কৰা হয় আৰু তাত তেখেত উপস্থিত হ'ব । কিন্তু দুখৰ বিষয় মাদাৰে আমাক এৰি, যোৱা ৬/৯/৯৭ তাৰিখে মহাপ্ৰয়াণলৈ যাত্ৰা কৰিলে ।

১৯৯৭ চনৰ ২৫ আগষ্ট স্বাধীনতাৰ ৫০ বৰ্ষ পূৰ্ত্তি । সেয়ে অসম ভৱন কলিকতাত ইয়াক উৎসৱ মুখৰিতভাৱে পালন কৰিব লাগিব বুলি সিদ্ধান্ত এটা লোৱা হ'ল । কলিকতা সাহিত্য চ'ৰাৰ উপদেষ্টা শ্ৰীদিলীপ কুমাৰ বৰুৱাই সকলো থিক-থাক কৰি ১৫ আগষ্ট ৰাতিপুৱাতেই দেখো টাইট ফিট্ হৈ পতাকা উত্তোলন কৰা ঠাইৰ ওচৰত ঘুৰাঘুৰী কৰি আছে । প্ৰণৱ বৰুৱা–মানে মই আহি ওলাইছো–সঁচাই এতিয়াও ফিট । এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল শ্ৰীবেদব্ৰত বৰুৱা, ড° বিশ্ব নাৰায়ণ শাস্ত্ৰী, শ্ৰীসঞ্জীৱ কুমাৰ গোহাঞি বৰুৱা আৰু বহুতো গণামান্য ব্যক্তি সকলে । সন্ধিয়াৰ সাংস্কৃতিক সন্মিলন মুকলি কৰি হাজৰিকাই স্বাধীন দেশৰ নাগৰিক সকলৰ দায়িত্বৰ কথা সকিয়াই দিয়ে । উপভোগ্য সংগীত সন্ধিয়াত অসমৰ বিখ্যাত কণ্ঠশিল্পী শ্ৰীসদা গগৈৰ উপৰিও স্থানীয় শিল্পী শ্ৰীতপন আৰু ৰুমা ৰায়চৌধুৰী, শ্ৰীসুবীৰ দাস, শ্ৰীমতী শীলা চক্ৰবৰ্ত্তী আদিয়ে অংশ গ্ৰহণ কৰি শ্ৰোতা দৰ্শকক মনোৰঞ্জন কৰে । স্ব-ৰচিত কেইটিমান গীত মইয়ো গাইছিলো ।

কলিকতা সাহিত্য চ'ৰাৰ প্ৰতিস্থাপক সভাপতি শ্ৰীকনক চন্দ্ৰ শৰ্ম্মাৰ উত্তৰসুৰী শ্ৰীযোগেশ হাজৰিকাই কলিকতা মহানগৰীত ৫০ বছৰতকৈ অধিক দিন বসবাস কৰিলেও হাঁড়ে-হিমজুয়ে অসম প্ৰেমী অসমীয়া সাহিত্য-সংস্কৃতি প্ৰেমী বুলি স্বীকাৰ কৰিবই লাগিব । আমি পৰম কৃপাময় ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ তেওঁ দীৰ্ঘায়ু হওঁক । এয়ে কামনা ।

ENGLISH SECTION

I, ON BEHALF OF MY LATE HUSBAND JUDAH LEVI AND MYSELF, WISH OUR DEAR SON-IN-LAW JOGESH, A VERY LONG LIFE AND A GOD BLESS.

MRS. HANNAH LEVI

FROM THE DESK OF THE EDITORIAL BOARD

The object of this symposium is to record, for the present and future generations, the story of the struggles and achievements of Shri Jogesh Hazarika, a man of celebrity status who occupied a unique place in the hearts of many for his multifarious activities. A number of eminent personalities from India and abroad have very kindly co-operated to make this venture a success. No words would be enough to convey our sense of gratitude to all those who have so readily responded to our request. If this symposium does even a bit to further confidence in the youth to stand own at their feet, it will be indeed more than justified.

SRI JOGESH HAZARIKA : A MAGNETIC PERSONALITY

Prof. K. M. Lodha

It was a fine morning when sun had stroke and risen in an autumn and its rays had spread to cast light and vision with flowers blossoming to fill the air with fragrance and delicate smell. The bell rang in my flat and I found a stranger knocking at the door. "I am Jogesh Hazarika. I belong to Assam. Are you Professor Lodha? May I get in ? This short and sweet introduction was full of warmth and expression. 'Welcome Hazarikajee. I have heard about you. My friend Sri B.C.Sarma always speaks very high about you. What can I do ? I am happy that you have given me an opportunity to greet you.' Though it is our sudden meeting, soft and serene polite with an enticurim demeaneuer, he went on with glee to invite me to a function and I agreed to, this small and short meeting brought us closer and nearer. Our contact cultivated in to intimacy as I discovered his magnetic personality with consuming sincerity and affibility. I found in him a great and devoted litterateur with a deep and unassuming creative sensibility which has never been circumscribed to narrow limitation of thought. I found in him remarkable qualities of scholarship, organising acumen and leadership on so many occasions and meets. I was deeply impressed with his functional style and positive approach. A fluent speaker in English with a vast fund. and repository of learning, his addresses were listened with rapt attention. He generated an ethos and pathos, which in my opinion, are a must to tempt and entice the audience. Accountability is the word, which motivates one's action. Mr.

Hazarika bears intrinsic qualities of head and heart that have added fresh dimensions to the literacy and socio-cultural tradition of one great country. But to achieve this is a uphill task and has to be made through challenges and to stand agianst hypocrises. Jogesh Hazarika has achieved this with remarkable success. He is a ravauris. He is a man with honourable thoughts, who trusts others, gives them a resplendent look and care such qualities Cant be seen, now touched but are invariably felt in the heart. His mind always stresses to hear ideas. One such experience was when in a gathering of writers and thinkers to return in my house to felicitate me on completing 75 years of life in 1996, Mr. Hazarika got up and invited my spouse to say a few words about me, a novel idea which everybody appreciated with applause. He does not strike while the iron is hot but strikes to make it hot. He is the architect of Calcutta Sahitya Chora which has carred a niche in literary and social life of Calcutta. He has been closely associated with leading personalities of Assam and India and never to miss any opportunity to organise a function whenever any dignitory visits Calcutta or on any cogent occasion. He is a Vanguard and truly a man with rare virtues to be an avant-gardi. He has inspired hundreds of young minds, has instilled in them an assuming optimism and has accosted them to arise and awake to serve our country and countrymen with never hindering love to our great heritage and human loftiness to such men society always bow in reverence as they kindle light to a bright future. Whenever I think of Sri Jogesh Hazarika, that lonely autumn springs in my mind and heart and flowers bloom in bright Sun shine. Dedicate these flowers to him wishing him a century of years of health and happiness. I conclude with the famous maxim in Sanskrit.

मासाब्दा ऋतवस्तथैव दिवसा :
अयास्तथा शमात्रय :
सर्वे स्थावर जङ्गसा प्रतिक्षण कुर्वन्तुते
मङ्गलम् ॥

A GRAND YOUNG MAN

Satis Chandra Kakati

A 14-year old boy, born in a remote village in the Mangaldoi subdivision, now a district of Assam, reached the Sealdah railway station by train without any escort or companion about six decades ago. In terms of education he was a third divisioner in the Matriculation Examination of the Calcutta University. Apparently, the boy did not travel to distant Calcutta in search of a job as obviously, there was no chance, even remotely, for any employment of the boy. (Mention may be made that his father had to furnish an affidavit before the Headmaster of the school that his son had attained the age of 16 as that was the age for being eligible to appear in the Matriculation examination.) But he had a brother working as a railway guard in Calcutta and expected that his brother would be at the railway station. To his utter surprise and great disapointment his brother was not at the platform and the boy as in a state of nervousness and had to take refuge for a few days in a small hotel at SL. James Square near the railway station. He had to borrow from an unknown man Rs. 6. to pay his hotel bill. However, to the nervous boy's relief his brother having come form Assam and as in plight, his brother Dehiram Hazarika appeared before the bewildered boy and took charge of his brother. Thereafter the boy had developed a spirit of adventure and has been staying in the dilipitated upper flat of the Lakshmi insurance building at 7 Esplaned East of the city with his wife Lily and two doughters, Eva

and Ether, who have since been married.

This boy, now in early seventies, is Jogesh Hazarika, to his village people, Jogeswar, has become a Calcutta for all practical purpose but he does not possess a flat or a house of his own in the city, not anywhere else. But he has profound fascination for the city of Joy and yet Jogesh Hazarika is one of those Assamese living outside the State of his birth to have preserved meticulously all the qualities of the assamese people-their culture, their hospitality always ready to render assistance to men of all walks, poor as well as rich, who visit Calcutta.

Incidentally, Jogesh Hazarika, reminds me of an Assamese youth, Harendra Nath Kalit, who had come to Calcutta, in 1930 in search of a job. He managed to get one in the railways and used to stay in the Hotel Royal situated at the Harrison Road. Kalita was an ambassor of Assam in Calcutta, if one may say so. Come the time for announcement of Matriculation results of the Calcutta University Haren Kalita was the person to send the results by post or wire to the Assamese candidates; come the need of an Assamese to visit Calcutta for treatment form Assam Kalita will be invariably there at the Sealdah station. I called him Dada (elder brother as he hailed form my locality in Nalbari.) He acted as a friend, philosopher and guide to all Assamese visitors to Calcutta and stayed in the Hotel Royal which was a home for Kalita.

Exactly, in the indentical way Jogesh Hazarika is at the Howrah railway station as well as in the Calcutta airport to receive any Assamese visitor to the city or on onward journey to other places.

I came in contact with him in 1954 when I visited Calcutta with Mohendra Mohan Choudhury to attend the

Congress session of the Indian national Congress held at Kalyani under Presidentship of Pandit Jawaharlal Nehru. Since then I have been one of his friends among many; in fact, I used to stay in several occasions with the Hazarika family at the rented flat in the old Lakshmi building. I particularly remember the midnight of July 26, 1960 when I returned form the USA after a two-month visit. I had come to know form a letter form my daughter as well as reports published in Amrita Bazar Patrika at the Indian Embassy in Washington that Assam was in the midst a language riot causing estrangement between the Assamese people and the Bangalees. I immediately decied to cut short of my USA visit and reached the Calcutta airport at midnight, but I was constantly in fears as to whether it would be safe for me to go to the city, but decied to come to Hazarika's place and reach the place safely though the bus conductor warned that in view of the prevailing atmosphere in Assam it was not advisable for me to visit the city. I defined his advice and I reached 7, Esplanade East safely and having climbed up to the upper flat through a so-called wooden stair I gave a midnight knock at his two-room residence. Hazarika was surprised at my sight but assured me that he would accompany me next morning to the airport. So I returned to Guwahati safely.

Jogesh Hazarika's one of the qualities was his ability to endear himself to all categories of man, be he a politician, a businessman, a high Government official or an unknown common man. He was closely associated with the VIPs of Assam like Lokapriya Gopinath Bardolai, Bisnuram Mehdi, Fakkharuddin Ali Ahmed, Bimala Prasad Chaliha, Mohendra Mohan Choudhury and Kamakhya Prasad Tripathi, to name only a few among whom he had acquaintenances and whose confidence

he fully enjoyed. Though these VIPs no more in this world, Hazarika does not fail to pay a courtsey call to their families at Guwahati. Belive it or not, Jogesh Hazarika airdashed to Guwahati when he came to know that Lokapriya Bardolai's youngest son, Bolin Bardolai, an executive in the Tata Tea, was kidnapped by the Ultras and accompanied by me met the then Chief Minister, Hiteswar Saikia, and implored the latter to use his good offices for the release of Bolin.

And Jogesh Hazarika's long association of the Calcutta Sahitya Chora, an Assamese literary body, and such other organizations has made him a popular figure among the Assamese society in Calcutta. Parhaps for this reason the Calcutta Sahitya Chora is going to felicitate Jogesh Hazarika, a young man of 73.

Along with the members of the Calcutta Sahitya Chora I wish him a happy and long life.

GENTLE TIGER : JOGESH HAZARIKA

Mr. Silas Jacab

We have a story in our scriptures and it goes like this about 2500 BC the Israelites and Egyptians were at war with each other. There were two armies facing each other fully armed and ready to attack when the Egyptian General thought of an idea and proposed to the Israelite General and it went like this.

Instead of a mass fight between our armies and killing a lot of our personnel why don't you send out the best man you have and we would do the same and whoever wins the contest wins the war between us. The Israelites thought that was a good idea and agreed. To their amazement out from the ranks of the Egyptian army came a HUGE GIANT OF A MAN CALLED GOLIATH FULLY ARMED WITH SWORD, SHIELD, SPEAR AND BODY ARMOUR challenging the Israelites to send their best man. The Israelites shouddered and their was no one that agreed to face this GIANT until a shepherd boy was sent by his mother with food for her boys in the army. This shepherd boy was called DAVID and he was astounded to see the stalemate imposed on the Israelites, and he volunteered to fight this giant. Eveyone one tried to dissuade his as he was only a shepherd boy with no shield, no spear, no armour to protect him and most of all no experience in warfare, but he was adamant and he went out and faced this GIANT only with a sling he used to drive off wild animals which attempted to attack his sheep. this GIANT shouted so loud it could be heard a long way away and he laughed at his opponent. David then put

